# চিপাঝাৰ মহাবিদ্যালয় আলোচনী



সম্পাদনা: শ্ৰী নীলমণি বৰুৱা

# জিপাঝাৰ মহাবিদ্যালয় আলোচনী

বাৰ্ষিক প্ৰকাশ ঃ অষ্টম সংখ্যা

১৯৯০-৯১ চন

সম্পাদক ঃ শ্ৰীনীলমণি বৰুৱা

ছিপাঝাৰ মহাবিদ্যালয় আলোচনী

॥ সম্পাদনা সমিতি ॥

সভাপতি :
শ্ৰীযুত বেৰণচন্দ্ৰ নাথ, অধ্যক্ষ

তত্বাৱধায়ক :
শ্ৰীযুত ৰামচন্দ্ৰ ডেকা
প্ৰবক্তা, অসমীয়া বিভাগ

সদস্য / সদস্যা :
শ্ৰীযুত মহেন্দ্ৰ কটকী
প্ৰবক্তা, অসমীয়া বিভাগ
শ্ৰীপবিত্ৰ শইকীয়া
শ্ৰীগণেশ শৰ্মা
শ্ৰীকল্পনা বৰুৱা
শ্ৰীমীৰা মেধি
শ্ৰীহৰেন্দ্ৰ শইকীয়া

সম্পাদক :
শ্ৰীনীলমণি বৰুৱা

প্ৰচ্ছদ পট :
শ্ৰীউপেন বৰুৱা


অঙ্গ সজ্জা :
শ্ৰীযুত অনিল ডেকা

ছপা :
গৌতম প্ৰিণ্টাৰ্চ
ছিপাঝাৰ


কৃতজ্ঞতা :
অধ্যাপক ৰামচন্দ্ৰ ডেকা
অধ্যাপক দেবব্ৰত বৰদলৈ
হৰেন্দ্ৰ শইকীয়া
নাজমা বেগম
ৰব্বি গোলাম মহম্মদ
পূৰ্ণানন্দ দেৱনাথ
হামজেদ আলী
পদ্মধৰ নাথ
উপেন বৰুৱা

গৌতম প্ৰিণ্টাৰ্চৰ কৰ্মীবৃন্দ



জ্ঞাত অজ্ঞাত ছহিদসকললৈ শ্ৰদ্ধাঞ্জলি




**ছহিদ প্ৰণামো তোমাক !**

সম্পাদনা সমিতিৰ হৈ—
সম্পাদক

# সম্পাদকীয়



জয়জয়াতে মোক আলোচনী সম্পাদক হিচাপে নিৰ্বাচিত কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ যাচি মোৰ সম্পাদকীয় আগবঢ়ালোঁ।

প্ৰথমেই মই জ্ঞাত-অজ্ঞাত বিদেহী আত্মালৈ আৰু আমাৰ মাজৰে বন্ধুবৰ শ্ৰীচন্দ্ৰী কটকীৰ মৃত্যুত গভীৰ শোক আৰু শ্ৰদ্ধাঞ্জলি যাচিলোঁ।

সাহিত্য হ'ল মানৱ মনৰ সৃজনী শক্তিৰ বিকাশৰ স্থল। ই মানৱ মনৰ সোপান স্বৰূপ। সাহিত্যৰ মাজেদিয়ে মানৱ জাতিৰ ইচ্ছা-অনুভূতি, আশা-আকাংক্ষা, যুক্তি-চিন্তা আদিৰ প্ৰকাশ ঘটি আহিছে। ই মানৱ সভ্যতাৰ ইতিহাসো। যুগে যুগে মানুহে সৃষ্টি কৰিছে সাহিত্য। সাহিত্যই এটা যুগৰ পৰা আন এটা যুগলৈ মানৱ সভ্যতাক আগবঢ়াই আনিছে আৰু ই নিজেও বিকশিত হৈছে। সময়ৰ পৰিবৰ্তনৰ লগে লগে সাহিত্যৰ বিষয়বস্তু আৰু পৰিসৰবো পৰিবৰ্তন হৈছে। সুস্থ সাহিত্যই মানুহক, সমাজক, জাতিক, দেশক সংস্কৃত কৰে। ক্ৰমবিবৰ্তনৰ মাজেদি শতাব্দীৰ পিছত শতাব্দী পাৰ হৈ আজিৰ সাহিত্যই এক নতুন ৰূপ লৈছে। অতি সাধাৰণ বিষয়বস্তুক কেন্দ্ৰ কৰি সাহিত্য অধিক বাস্তৱবাদী হৈ উঠিছে। মানৱ সমাজৰ বাস্তৱ সমস্যাসমূহৰেই স্পষ্ট প্ৰতিফলন ঘটিব ধৰিছে সাহিত্যত। এই সমাজমুখী বাস্তৱ সাহিত্যই নতুন আশাৰ সঞ্চাৰ কৰিছে।

সাহিত্যৰ শেহতীয়া পৰিবৰ্তনৰ ধাৰাই অসমীয়া সাহিত্যকো সিক্ত কৰিছেহি। অসমীয়া সাহিত্যৰ বাবে এয়া শুভ লক্ষণ। অসমীয়া সাহিত্যৰ লিখক-পাঠকো তুলনামূলকভাৱে বৃদ্ধি পাইছে। এই ক্ষেত্ৰত বিদ্যালয়, মহাবিদ্যালয়বিলাকৰ মুখপত্ৰসমূহেও এক বিশিষ্ট ভূমিকা গ্ৰহণ কৰি আহিছে।

দি যিকি নহওক অসম সাহিত্য সভাৰ সভাপতি তথা নাট্যকাৰ, অভিনেতা আৰু বিশিষ্ট লিখক শ্ৰীলক্ষ্যধৰ চৌধুৰীদেৱৰ ভাষাত "নৈতিক সাহস আৰু নিৰ্ভীকতাৰে শুদ্ধ চিন্তা আৰু যুক্ত সাহিত্যৰ বুকুত প্ৰতিফলিত কৰি জনসাধাৰণক শুদ্ধ পথত উপনীত হোৱাত সহায় কৰাটোৱেই হব লাগিব সাহিত্যিকসকলৰ মাই উদ্দেশ্য।" চৌধুৰীদেৱৰ এই তাৎপৰ্যপূৰ্ণ উপদেশ হৃদয়ংগম কৰি আমাৰ নৱীন লেখক-লেখিকাসকলেও সাহিত্য সৃষ্টিত ব্ৰতী হলে অসমীয়া সাহিত্যৰ ভৱিষ্যত অধিক উজ্জ্বল হোৱাৰ লগতে সমাজৰ অগ্ৰগতিৰ ক্ষেত্ৰত ইয়াৰ ভূমিকাও গুৰুত্বপূৰ্ণ হব বুলি মোৰ বিশ্বাস।

**কৃতজ্ঞতা স্বীকাৰ**—সাহিত্যৰ বিষয়ে চিন্তা-চৰ্চা কৰিবলৈ সুবিধা দিয়া আৰু উৎসাহিত কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই সুযোগতে মোক বিভিন্ন দিশত সহায় কৰি অহা বন্ধু-বান্ধৱী আৰু ভাইটি-ভনীহঁতলৈ মই বিশেষভাৱে কৃতজ্ঞতা আৰু মৰম যাচিলোঁ। লগতে মোৰ কাৰ্যকালৰ সময়ছোৱাত মোক সকলো দিশতেই দিহা-পৰামৰ্শ দি উৎসাহিত কৰা মাননীয় অধ্যক্ষ, উপাধ্যক্ষ আৰু শিক্ষাগুৰুবৃন্দলৈও মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই ক্ষেত্ৰত শ্ৰীযুত ৰামচন্দ্ৰ ডেকা (তত্বাৱধায়ক) চাৰৰ ওচৰত মই বিশেষভাৱে ঋণী।

আলোচনী এখনৰ মানদণ্ড নিৰ্ভৰ কৰে ইয়াৰ লিখনিৰ ওপৰত। দুখেৰে কবলগীয়া হৈছোঁ যে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ইয়াৰ অভাস তেনেই সীমিত। এই ক্ষেত্ৰত মই শিক্ষাগুৰুসকলৰ পৰাও উপযুক্ত সহাৰি নাপালো যদিও আগলৈ সম্পাদক আৰু তত্বাৱধায়কক সহায়-সহযোগিতাৰ লগতে উৎসাহ-উদ্দীপনা আগবঢ়াবলৈ অনুৰোধ জনালোঁ।

বহু যত্ন কৰাৰ পিচতো সময়মতে উপযুক্ত গল্প, কবিতা, প্ৰবন্ধ আদি সংগ্ৰহ নোহোৱাত এই সংখ্যা আলোচনী প্ৰকাশ পোৱাত বহুত পলম হ'ল। তদুপৰি এই সংখ্যা আলোচনীত আমাৰ অজ্ঞাতে বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। ধন্যবাদ।

শ্ৰীনীলমণি বৰুৱা

সম্পাদক, ছিপাঝাৰ মহাবিদ্যালয় আলোচনী

## কৰ্মৰত অৱস্থাত আমাৰ অধ্যক্ষ ঃ



মাননীয় শ্ৰীযুত ৰেৱণচন্দ্ৰ নাথ

# প্ৰবন্ধ


ভাৰতীয় অৰ্থনীতিৰ গতি কোন দিশে / ১ / মদনমোহন নাথ

দৰ্শন আৰু জ্ঞান-বিজ্ঞান / ৪ / শ্ৰীদুলাল ডেকা

উপসাগৰীয় যুদ্ধ আৰু ভাৰতবৰ্ষ / ৬ / শ্ৰীভূপেনচন্দ্ৰ শৰ্মা

সৈনিক শিল্পী বিষ্ণু ৰাভা আৰু প্ৰাসঙ্গিক কিছু চিন্তা / ৯ / কুশল চহৰীয়া

দৰঙত সাহিত্য চৰ্চাৰ পৰিবেশ আৰু সমস্যা / ১২ / বেৰণচন্দ্ৰ নাথ

"ডাৱৰ আৰু নাই"ত অভাৱবোধেৰে পীড়িত নাৰী অনুপমা /১৯/ প্ৰসন্নকুমাৰ নাথ

অসমীয়া জাতি আৰু ইয়াৰ ভবিষ্যত / ২৫ / পবিত্ৰ শইকীয়া

# ভাৰতীয় অৰ্থনীতিৰ গতি কোন দিশে ?

মদন মোহন নাথ, প্ৰবক্তা
অৰ্থনীতি বিভাগ

**জনসংখ্যা বৃদ্ধিৰ ফলত উদ্ভৱ হোৱা অন্ন, বস্ত্ৰ, বাসস্থান আদিৰ মৌলিক সমস্যাৰ উপৰিও কিছুমান আনুষঙ্গিক সমস্যা যেনে শিক্ষা সমস্যা, নিবনুৱা সমস্যা মূল্যবৃদ্ধিৰ সমস্যা, আদিয়ে ভাৰতীয় অৰ্থনীতিৰ ভাৰসাম্য নষ্ট কৰি পেলাইছে।**

ঔদ্যোগিক তথা অৰ্থনৈতিক উন্নয়নত পিছ পৰা দেশ ভাৰতবৰ্ষ অৱশ্যে প্ৰাকৃতিক সম্পদত চহকী। এই সম্পদসমূহ ঠিকমতে উদঘাটন কৰি বিভিন্ন উন্নয়নৰ কামত তথা কৃষি আৰু ঔদ্যোগিক বিকাশত খটুৱাব পাৰিলে যে মানুহৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত দেশৰ সমানে উন্নত কৰিব পৰা যাব তাত কোনো সন্দেহ নাই।

ভূতাত্বিক সকলৰ মতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ মাটিৰ তলত তেলৰ এক বিশাল মহাসাগৰ পৰি আছে। তৈলক্ষেত্ৰ সমূহত প্ৰচুৰ পৰিমাণে প্ৰাকৃতিক গেছ সঞ্চিত হৈ আছে। আমাৰ দেশত ১২৫০ বিলিয়ন ঘনমিটাৰ প্ৰাকৃতিক গেছ সঞ্চিত হৈ আছে। কিন্তু দুৰ্ভাগ্যবশতঃ এই গেছৰ এটি ক্ষুদ্ৰ অংশহে বৰ্তমানে উৎপাদন কৰা হয়। ইয়াৰ অধিক অংশই পুৰি পেলোৱা হয়। তৈল ক্ষেত্ৰৰ জুই যেন আমাৰ অৰ্থনীতিৰ প্ৰতিৰূপ হৈ পৰিছে। অকল উত্তৰ পূৰ্বাঞ্চলতে ১৯৮৮-৮৯ চনত ৭৪০ নিযুত ঘনমিটাৰ প্ৰাকৃতিক গেছ দাহ যায় সংৰক্ষণৰ অভাৱত। তদুপৰি মূলধনৰ অভাৱ, কাৰিকৰী জ্ঞানসম্পন্ন নিপুণ শ্ৰমিকৰ অভাৱৰ বাবে প্ৰাকৃতিক সম্পদসমূহ ঠিকমতে আহৰণ কৰি সেইবোৰ সদ্‌ব্যৱহাৰ কৰিব পৰা হোৱা নাই।

ক্ৰমবৰ্দ্ধমান হাৰত বৃদ্ধি পোৱা জনসংখ্যাই ভাৰতীয় অৰ্থনীতিৰ গতিধাৰাৰ আমুল পৰিবৰ্তন আনিছে। উচ্চ জন্ম আৰু দ্ৰুতহাৰত হ্ৰাস-পোৱা মৃত্যুৰ হাৰ আৰু অন্তৰ্মুখী প্ৰব্ৰজনৰ ফলত জ্যামিতিক হাৰত জনসংখ্যাৰ বিস্ফোৰণ ঘটিছে। জনসংখ্যাৰ বছৰি শতকৰা বৃদ্ধিৰ হাৰ ২.৫ আৰু এই হাৰত বৃদ্ধি হৈ গৈ থাকিলে ২০৩০ চনত ভাৰতে চীনক চেৰ পেলোৱাৰ সম্ভাৱনাই দেখা দিছে। জনসংখ্যা বৃদ্ধিৰ ফলত উদ্ভৱ

হোৱা অন্ন, বস্ত্ৰ, বাসস্থান আদিৰ মৌলিক সমস্যাৰ উপৰিও কিছুমান আনুষংগিক সমস্যা যেনে শিক্ষা সমস্যা, নিবনুৱা সমস্যা, মূল্য-বৃদ্ধিৰ সমস্যা আদিয়ে ভাৰতীয় অৰ্থনীতিৰ ভাৰসাম্য নষ্ট কৰি পেলাইছে।

জনবিস্ফোৰণ, প্ৰাকৃতিক আৰু মানৱ-সম্পদৰ উপযুক্ত ব্যৱহাৰ নোহোৱা, বিজ্ঞান সন্মত কৃষি ব্যৱস্থাৰ অনুপস্থিতি, জলসিঞ্চনৰ অভাৱ, ভূমিসংস্কাৰ আঁচনিৰ বিফলতা, পিছ-পৰা পৰিবহন আৰু যোগাযোগ ব্যৱস্থা, সীমিত বজাৰ, মূলধন আৰু স্থানীয় উদ্যোগীৰ অভাৱ, শিক্ষা প্ৰশিক্ষণ আৰু শ্ৰমদক্ষতাৰ নিম্নমান, আধুনিক উৎপাদন পদ্ধতিৰ অভাৱ, ক্ৰমবৰ্দ্ধমান নিবনুৱা সমস্যা, ঔদ্যোগিক উন্নয়নৰ অভাৱৰ বাবে আমাৰ দেশৰ জন-মূৰি আয় নিম্ন হৈ গৈ আছে। ইয়াৰ ফলত সঞ্চয়ৰ হাৰ আৰু বিনিয়োগৰ হাৰ নিম্ন হোৱা দেখা যায় আৰু নিম্ন হাৰৰ সঞ্চয়ৰ বাবে মূলধন গঠনৰ হাৰো নিম্নগামী হৈছে আৰু প্ৰসিদ্ধ অৰ্থনীতিবিদ ৰেগনাৰ নাৰকচ্‌ৰ মতে এইদৰেই দৰিদ্ৰতাৰ সমস্যাই দেখা দিয়ে। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ যুগতো বৰ্তমানেও আমাৰ দেশত শতকৰা ৫০ ভাগ লোক দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰে; অৰ্থাৎ এই খিনি মানুহে গাওঁ অঞ্চলত নিম্নতম ২৪০০ কেলাৰি আৰু নগৰ অঞ্চলত ২১০০ কেলাৰি খাদ্যশক্তি নাপায়।

ইফালে বৰ্দ্ধিত জনসংখ্যা আৰু বিজ্ঞান সন্মত জনপৰিকল্পনা ( population planning )ৰ অভাৱত দ্ৰুত হাৰত বৃদ্ধি হোৱা নিবনুৱাৰ সমস্যাই ভাৰতীয় অৰ্থনীতিত নিঃসন্দেহে এক বিৰাট প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰা দেখা যায়। ছদ্মবেশী আৰু অৰ্দ্ধ নিবনুৱা থকা বাবেই বিদেশী ঋণৰ অবাধ ৰাজত্ব থকা সত্বেও বৰ্তমানলৈ দ্ৰব্য আৰু সেৱাৰ পৰিমাণ আশানুৰূপভাৱে বৃদ্ধি নাপালে। সম্পদৰ অচলনশীলতা, কৃষিজাত সামগ্ৰীৰ অস্থিতিস্থাপকতা, বজাৰৰ অনভিজ্ঞতা, বিত্তীয় সংস্থাসমূহৰ অমনোযোগিতা, ফাইকৰ সীমাবদ্ধতাৰ বাবেই ভাৰতীয় অৰ্থনীতিত মূল্য বৃদ্ধি

---

**বৈদেশিক লেনদেনৰ উদ্বৃত্তৰ ঘাটি বৃদ্ধি পোৱাৰ লগতে বৈদেশিক ঋণৰ বোজা বাঢ়ি গৈছে আৰু এই ঋণৰ পৰা মুক্তি পাবলৈ পুৰণি কৰৰ হাৰ বৃদ্ধি আৰু নতুন কৰ আৰোপ কৰা হয় আৰু ইয়াৰ ফলস্বৰূপে মুদ্ৰাস্ফীতি উৰ্দ্ধগামী হয়।**

---

নিয়ন্ত্ৰণ কৰাটো জটিল হৈ পৰিছে। ১৯৯১ চনৰ চেপ্তেম্বৰ মাহলৈ চৰকাৰী মূল্য সূচাংক শতকৰা ১৫ ভাগলৈ বৃদ্ধি পায়। বস্তুৰ যোগানৰ তুলনাত মুদ্ৰাৰ যোগানৰ অধিক বৃদ্ধিয়েও মুদ্ৰাস্ফীতিৰ বৰ্ধিত হাৰত ইন্ধন যোগাইছে। যোৱা কেইবছৰমান গড় হিচাপে বস্তুৰ উৎপাদন বৃদ্ধিৰ হাৰ ৫.৫ শতাংশৰ শতাংশৰ বিপৰীতে মুদ্ৰাৰ যোগান ২০ শতাংশৰ ওপৰ বৃদ্ধি পোৱাত মুদ্ৰাস্ফীতিৰ হাৰ এইবছৰ ১৫ শতাংশতকৈ অধিক হৈছে। আনহাতে ১৯৮০ চনৰ পিছৰপৰা চৰকাৰে আমদানিৰ ওপৰত থকা নিয়ন্ত্ৰণ হ্ৰাস কৰি দিয়াৰ ফলত ৰপ্তানি বৃদ্ধিৰ তুলনাত আমদানি ভালেখিনি বৃদ্ধি পাইছে। ১৯৯০-৯১ বছৰটোত ১৭.৫ শতাংশ ৰপ্তানি বৃদ্ধিৰ পৰিবৰ্তে ২১.৯ শতাংশ আমদানি বৃদ্ধি পায়। ইয়াৰ ফলত বৈদেশিক লেনদেনৰ উদ্বৃত্তৰ ঘাটি বৃদ্ধি পোৱাৰ লগতে বৈদেশিক ঋণৰ বোজা বাঢ়ি গৈছে আৰু এই ঋণৰ পৰা মুক্তি পাবলৈ পুৰণি কৰৰ হাৰ বৃদ্ধি আৰু নতুন কৰ আৰোপ কৰা হয় আৰু ইয়াৰ ফলস্বৰূপে মুদ্ৰাস্ফীতি উৰ্দ্ধগামী হয়।

অৰ্থনীতিৰ মূলগত গাঁঠনিৰ সংস্কাৰৰ মানসেৰে শেহতীয়াভাৱে কৰা ১৮ শতাংশ ভাৰতীয় মুদ্ৰাৰ মূল্যৰ হ্ৰাসে ভাৰতীয় অৰ্থনীতিৰ গতি সলনি কৰা পৰিলক্ষিত হৈছে। এইটো ঠিক ইয়াৰ ফলত বৈদেশিক ঋণৰ যোগান বৃদ্ধি পাব আৰু আমাৰ দেশত উদ্যোগ প্ৰতিষ্ঠা হব। কিন্তু ইয়াৰ ঋণাত্মক ফলেই বেছি হব। ইয়াৰ ফলত ক্ষুদ্ৰ আৰু কুটীৰ শিল্পবোৰ লোপ পাব আৰু আমদানি আৰু ৰপ্তানি বাণিজ্যৰ ওপৰত সুদূৰপ্ৰসাৰী প্ৰভাৱ পৰিব। টকাৰ মূল্য হ্ৰাসৰ ফলত এতিয়া আমি একেখিনি আমদানিকৃত বস্তুৰ বাবে আগতকৈ বেছি পৰিমাণৰ ধন আদায় দিব লাগিব। আনহাতে এটা বিদেশী মুদ্ৰাৰ বিনিময়ত আগতকৈ অধিক পৰিমাণৰ দ্ৰব্য ৰপ্তানি কৰিব লাগিব। ইয়াৰ ফলস্বৰূপে দ্ৰব্য মূল্য সূচাংক বৃদ্ধি পাব আৰু ইয়াৰ বাবে সাধাৰণ ৰাইজৰ দুৰ্দ্দশা বৃদ্ধি পাইছে। ভাৰতবাসীয়ে উপলব্ধি কৰিব পাৰিছে টকাৰ মূল্য হ্ৰাস কৰাৰ জৰীয়তে দেশৰ অৰ্থনীতি আৰু মৰ্য্যাদাক বিশ্ববেংক আৰু আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ ওচৰত বিক্ৰী কৰা হৈছে।

১৯৯১-৯২ বছৰটোৰ ৯৭২৪ কোটি টকাৰ কেন্দ্ৰীয় ঘাটি বাজেটেও শেহতীয়াভাৱে ভাৰতীয় জনগনৰ ওপৰত মহামাৰ সোধালে। কেন্দ্ৰীয় বাজেটৰ জোৰাটাপলি মাৰিবলৈ ৰেল যাত্ৰীৰ ভাড়া বৃদ্ধি কৰা হ'ল। চেনীৰ বাহিৰে আন খাদ্য-দ্ৰব্যৰ ৰাজসাহায্য কৰ্তন কৰা হ'ল। ৰাসায়নিক সাৰৰ দাম ৪০ শতাংশ বৃদ্ধিয়ে খেতিয়ক ৰাইজৰ কঁকাল ভাঙিলে। কিন্তু লক্ষ্য কৰিব লগীয়া কথা হ'ল আয় কৰ আৰু সম্পত্তি কৰ বৃদ্ধি কৰা নহ'ল যাৰ ফলত শ্ৰেণীবৈষম্য আৰু সম্পত্তি কেন্দ্ৰীভূত হোৱাৰ সম্ভাৱনাই দেখা দিছে।

প্ৰত্যেকজন সচেতন ভাৰতীয় নাগৰিকে ভাবি চোৱা উচিত ১০০০ নিযুত জনসংখ্যাৰে ২০০১ চনত ভাৰতৰ অৱস্থা কি হব! বিশ কোটি দৰিদ্ৰৰ দেশ ভাৰতবৰ্ষত এমুঠি অন্নৰ বাবে হাহা-কাৰ নহবনে? ভাৰতৰ অৰ্থনীতি পুঁজিবাদী অৰ্থ-নীতিলৈ ৰূপান্তৰিত নহবনে??

# দৰ্শন আৰু জ্ঞানবিজ্ঞান

শ্ৰীদুলাল ডেকা
স্নাতক ১ম বাৰ্ষিক

**দৰ্শনে বিজ্ঞানৰ বিভিন্ন সিদ্ধান্তসমূহ মিলাই এটা সিদ্ধান্তলৈ অহাৰ চেষ্টা কৰে। কাৰণ দাৰ্শনিকৰ মতে সমগ্ৰ জগত একে সত্তাৰে প্ৰকাশ।**

দৰ্শনৰ ইংৰাজী প্ৰতিশব্দ "ফিলচফি" ( philosophy ) দুটি গ্ৰীক শব্দৰ সহায়ত উদ্ভৱ হৈছে—"ফিলচ" ( philos ) আৰু "চোফিয়া" ( sophia )। ফিলচ শব্দৰ অৰ্থ হ'ল প্ৰেম বা প্ৰীতি আৰু "চোফিয়া" শব্দৰ অৰ্থ হ'ল জ্ঞান। অৰ্থাৎ Love of wisdom বা জ্ঞান প্ৰীতিয়েই দৰ্শন বা philosophy।

'দৃশ্' ধাতুৰ লগত 'অনট' প্ৰত্যয় যোগে 'দৰ্শন' শব্দটো উৎপত্তি হৈছে। 'দৃশ' মানে দেখা গতিকে এনে অৰ্থত সাধাৰণতে আমি 'দৰ্শন' মানে 'দৃষ্টি প্ৰত্যক্ষ' (visual perception) বুজো। 'দেখা'ৰ অৰ্থ 'অন্তৰ্জ্ঞান অভিজ্ঞতাও' ( Intuitional experience ) হব পাৰে। ইন্দ্ৰিয় বুদ্ধিৰে সহায় নোলোৱাকৈ কেবল অন্তৰ্জ্ঞানৰ অভিজ্ঞতাও লাভ কৰিব পাৰি। সাধাৰণতে দৰ্শনৰ অৰ্থ "বিচাৰ পূৰ্বক আলোচনা"।

দৰ্শন হ'ল জ্ঞানৰ প্ৰতি অনুৰাগ বা জ্ঞান-প্ৰীতি। চৰম সত্যক জানিবৰ চেষ্টা কৰাৰ আগতেই আমি বিচাৰ কৰি চাব লাগিব যে সেই সত্যক জনাৰ আমাৰ সামৰ্থ্য আছে নে নাই। আমি সাধাৰণ লোকে বহুত কথা বিচাৰ নকৰাকৈ মানি লওঁ। সেয়েহে দৰ্শনে সংসাৰৰ স্বৰূপ কি? আত্মাৰ স্বভাৱ কি? জীৱনৰ ভবিষ্যত বা উদ্দেশ্য কি? ঈশ্বৰ কি? ব্ৰহ্ম কি? ঈশ্বৰ আৰু ব্ৰহ্ম একেনে পৃথক? যদি পৃথক হয় ঈশ্বৰ আৰু ব্ৰহ্মৰ মাজত সম্পৰ্ক কি? এনেবোৰ প্ৰশ্ন দাৰ্শনিক মনলৈ আহে। গতিকে দাৰ্শনিকে এইবিলাক প্ৰশ্ন গভীৰ ভাবে চিন্তা কৰি ইয়াৰ উত্তৰ দিবলৈ চেষ্টা কৰে। ইয়াৰ উপৰিও দৰ্শনে কিছুমান জাগতিক বিষয় যেনে দেশ ( space ), কাল ( time ), দ্ৰব্য, (substance), কাৰ্য-কাৰণ (causality) বিৱৰ্তন (evolution), সুন্দৰ আৰু অসুন্দৰ, ভাল আৰু বেয়া ইত্যাদি বিষয়ে আলোচনা কৰে।

দাৰ্শনিক চিন্তা অতিশয় জটিল আৰু ইয়াৰ পথ অত্যন্ত দুৰ্গম। চক্ৰেটিছ, প্লেটো, ডেকাৰ্ট, কাণ্ট, হেগেল প্ৰভৃতি প্ৰখ্যাত দাৰ্শনিক সকলে



সংসাৰৰ দুৰূহ সমস্যাবোৰ সমাধান কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল। এই মনীষী সকলৰ অপূৰ্ব চিন্তা আৰু অদ্বিতীয় দৃষ্টি ভঙ্গীয়ে সাধাৰণ লোকক অভিভূত কৰি তোলে। দৰ্শনে জগতৰ অন্তৰালত থকা চৰম সত্ত্বাক গভীৰ ভাৱে উপলব্ধি কৰাৰ চেষ্টা কৰে। বিজ্ঞানেও জগতৰ ৰহস্য উদ্‌ঘাটন কৰাৰ বৈজ্ঞানিক প্ৰচেষ্টা চলাইছে। এই উদ্দেশ্যৰে বিভিন্ন বিজ্ঞানে জগতখন ভাগ ভাগ কৰি লৈছে। যেনেকৈ পদাৰ্থ বিজ্ঞানে পদাৰ্থ লৈয়ে আলোচনা কৰে, জীৱ বিজ্ঞানে জীৱ, উদ্ভিদ বিজ্ঞানে উদ্ভিদ আৰু মনোবিজ্ঞানে মন লৈ আলোচনা কৰে। কিন্তু দৰ্শনে বিজ্ঞানৰ বিভিন্ন সিদ্ধান্ত সমূহ মিলাই এটা সিদ্ধান্তলৈ অহাৰ চেষ্টা কৰে। কাৰণ দাৰ্শনিকৰ মতে সমগ্ৰ জগত একে সত্তাৰে প্ৰকাশ।

আনহাতে যি শাস্ত্ৰত জ্ঞানৰ স্বৰূপ, উৎস সীমা ইত্যাদি সম্বন্ধে আলোচনা কৰে সেই শাস্ত্ৰকে জ্ঞান-বিজ্ঞান (Epistemology) বোলে। জ্ঞান সম্পৰ্কে দাৰ্শনিকৰ মনলৈ নানান প্ৰশ্ন আহে—জ্ঞান কি? ইয়াৰ উৎপত্তি ক'ত? জ্ঞানৰ সীমা ক'ত? ইত্যাদি। জ্ঞান সম্পৰ্কে নজনাকৈ দাৰ্শনিক সত্যৰ সন্ধানত এখোজো আগবাঢ়িব নোৱাৰি। সেয়েহে জ্ঞান-বিজ্ঞানে জ্ঞানৰ স্বৰূপ, প্ৰকৃতি আৰু যৌক্তিকতা সম্পৰ্কে আলোচনা কৰে। জ্ঞান-বিজ্ঞানৰ ইংৰাজী প্ৰতিশব্দ Epistemology; 'Episteme'ৰ অৰ্থ হ'ল জ্ঞান আৰু 'Logos'ৰ অৰ্থ হ'ল 'আলোচনা' বা 'বিদ্যা'। সেই কাৰণে Epistemology ক জ্ঞান বিদ্যা বোলা হয়।

পুৰণি কালত দাৰ্শনিক সকলে জ্ঞান-বিজ্ঞানৰ প্ৰয়োজনীয়তা উপলব্ধি কৰা নাছিল। সেই সকল দাৰ্শনিকে জ্ঞানৰ চৰ্চা নকৰাকৈয়ে তত্ত্ব মীমাংসাত উপনীত হৈছিল। সেইদিনৰ থেলচ্ (Thales) এম্‌পিডক্‌লচ ( Empedocles ), হেৰাক্লাইটাচ (Heraclaitus) আদি গ্ৰীক মনীষী সকলে জ্ঞান সম্পৰ্কে কোনো আলোচনা নকৰাকৈ আমি চৰম সত্ত্বাক জানিব পাৰো বুলি ধৰি লৈছিল। কোনো বিচাৰ নকৰাকৈয়ে তেওঁলোকে নিজা নিজা সিদ্ধান্তত উপনীত হৈছিল। কিন্তু পিছলৈ তেওঁলোকে স্বীকাৰ কৰিলে যে জ্ঞানৰ বিচাৰ নকৰাকৈ কোনো মীমাংসাত উপনীত হোৱা সম্ভৱপৰ নহয়।

সপ্তদশ শতাব্দীৰ শেষৰ ফাললৈ বৃটিছ দাৰ্শনিক জন লকে (John Lock) জ্ঞান-বিজ্ঞানৰ স্বীকাৰ কৰিলে। তাৰ পিছত পোন প্ৰথম বাৰৰ বাবে জ্ঞান লৈ বিশদ আলোচনা কৰে জাৰ্মান দাৰ্শনিক কাণ্টে। তেওঁ কলে যে জ্ঞান-বিজ্ঞানৰ সহায় নোহোৱাকৈ কোনো দাৰ্শনিক অনুসন্ধান কৰিব নোৱাৰি। সত্যক জনাৰ আগতে আমি বিচাৰ কৰি চাব লাগিব যে জ্ঞান কি আৰু জ্ঞানৰ দ্বাৰা সত্ত্বাক জনাটো সম্ভৱপৰ হয় নে নহয়। সেয়েহে বৰ্তমান যুগৰ সকলো দাৰ্শনিকে স্বীকাৰ কৰে যে জ্ঞান-বিজ্ঞানৰ সহায় নোলোৱাকৈ দৰ্শন আগবাঢ়িব নোৱাৰে।

# উপসাগৰীয় যুদ্ধ আৰু ভাৰতবৰ্ষ

( এটি পৰ্য্যালোচনা )

শ্ৰীভূপেনচন্দ্ৰ শৰ্মা
স্নাতক ৩য় বাৰ্ষিক

**ইতিহাসে বাৰে বাৰে প্ৰমাণ কৰিছে—যুদ্ধৰ বিভীষিকাই আটাইতকৈ বেছিকৈ ক্ষতিগ্ৰস্ত কৰে মানৱ জাতিক। উপ সাগৰীয় যুদ্ধইও মানৱ জাতিলৈ কঢ়িয়াই আনিছে ভয়াবহ অনিশ্চয়তাৰ বতৰা। উপ-সাগৰীয় যুদ্ধৰ ফল স্বৰূপে আজি উপ-সাগৰীয় অঞ্চলৰ লগতে সমীপৱৰ্ত্তী ঠাই সমূহৰো পাৰিপাৰ্শ্বিক অৱস্থা বিপন্ন।**

পাৰস্য উপসাগৰীয় যুদ্ধই জ্বলাই তোলা জুইকুৰা এতিয়াও দপ্ দপকৈ জ্বলি আছে। ছাদ্দাম হুচেইন, জৰ্জ বুশ্ব ইত্যাদিৰ লেখীয়া এজোকন শাসকৰ কাৰ্য্যকলাপৰ ফল স্বৰূপে আৰম্ভ হোৱা উপসাগৰীয় যুদ্ধখনৰ পটভূমি সম্পৰ্কে সকলোৱে কম বেছি পৰিমাণে অৱগত। দীৰ্ঘ দিনীয়া ইৰাণ-ইৰাক যুদ্ধৰ ফলশ্ৰুতিত বিপৰ্য্যস্ত হৈ পৰা ইৰাকী অৰ্থনীতি সুদৃঢ় কৰাৰ লগতে বিশ্বৰ তেলৰ বজাৰত এক বিশিষ্ট আসন দখল কৰাৰ মানসেৰে যোৱা বছৰৰ দুই আগষ্ট তাৰিখে ক'লা সোণেৰে উপচি থকা কুৱেইট প্ৰদেশখন বলপূৰ্বক ভাবে অধিকৃত কৰি ইৰাকৰ ৰাষ্ট্ৰপতি ছাদ্দাম হুচেইন মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু মিত্ৰ বাহিনীৰ দেশ সমূহৰ কোপ দৃষ্টিত পৰে।

দুই বৃহৎ শক্তিৰ মাজত শীতল যুদ্ধৰ অৱসান আৰু সমবাস্ত্ৰৰ প্ৰতিযোগিতাৰ পৰা ছোভিয়েট ৰাছিয়াই অব্যাহতি লোৱাৰ পৰিপ্ৰেক্ষিতত কুৱেইটৰ প্ৰশ্নৰ সামৰিক মীমাংসাৰ মাধ্যমে বিশ্বৰ দৰবাৰত, নিজৰ একছত্ৰী ৰাজত্ব সাব্যস্ত কৰাৰ স্বপ্ন দেখিবলৈ আৰম্ভ কৰে বুশ্ব প্ৰশাসনে। দেশখনে সন্মুখীন হোৱা জলন্ত আৰ্থ-সামাজিক সমস্যাৱলীৰ পৰা জনসাধাৰণ আৰু যুক্তৰাষ্ট্ৰীয় কংগ্ৰেছৰ দৃষ্টি আঁতৰাই ৰাখিবৰ বাবে দেশখনক সাম্ৰাজ্যবাদী যুদ্ধৰ মাজলৈ ঠেলি নিয়াটোৱেই প্ৰেছিডেণ্ট বুশ্বে উত্তম পন্থা বুলি বিবেচিত কৰিলে। বাৰে বাৰে ইৰাকক সতৰ্কবাণী শুনোৱা স্বত্বেও ছাদ্দাম হুচেইনে কুৱেইটৰ পৰা ইৰাকী বাহিনী অপসাৰণ কৰিবলৈ সন্মত নহ'ল। কিন্তু কুৱেইট অধিগ্ৰহণৰ বিৰুদ্ধে বিশ্বৰ প্ৰায়বোৰ দেশেই মুকলি প্ৰতিবাদ আৰম্ভ কৰাত ছাদ্দাম হুছেইনে এটা নতুন কৌশল আৰম্ভ কৰিলে। অবৈধ কুৱেইট অধিগ্ৰহণক জন মানসত বৈধতা প্ৰমাণ কৰাৰ বাবে ছাদ্দাম হুছেইন তাৎক্ষণিক ভাবে পেলেষ্টাইনৰ ত্ৰাণ কৰ্ত্তা হৈ পৰিল। ইৰাকী ৰাষ্ট্ৰপতি গৰাকীয়ে তেইশ বছৰ ধৰি ইজৰাইল অধিকৃত গাজা ভূ-খণ্ড আৰু জৰ্ডান নদীৰ পশ্চিমাঞ্চলৰ পৰা ইজৰাইলী সৈন্যৰ অপসাৰণৰ চৰ্তত কুৱেইটৰ পৰা ইৰাকী সৈন্যৰ অপসাৰণৰ প্ৰতিশ্ৰুতি দিলে। ছাদ্দাম হুছেইনৰ এই কূটনৈতিক চাতুৰীত মাৰ্কিন প্ৰশাসনে অৱশ্যেই কিছু বিব্ৰতবোধ কৰিছিল, যদিও উপসাগৰীয় সংকটক আৰব ইজৰাইল বিবাদলৈ পৰিবৰ্ত্তিত কৰাৰ পৰা বিৰত ৰাখিবৰ বাবে মাৰ্কিন প্ৰশাসনে যৎপৰোনাস্তি চেষ্টা চলালে। সমান্তৰালকৈ আৰম্ভ হ'ল যুদ্ধ প্ৰস্তুতি।

মাৰ্কিন যুক্তৰাষ্ট্ৰই কিন্তু প্ৰথমে কোৱাৰ দৰে ইৰাকী শক্তিক আয়াসতে নিঃশেষ কৰিব পৰা নাই। বৰঞ্চ মাৰ্কিন যুক্তৰাষ্ট্ৰৰ নেতৃত্বাধীন বহু ৰাষ্ট্ৰীয় বাহিনীৰ সন্মিলিত আক্ৰমণৰ বিৰুদ্ধে ইৰাকী বাহিনীয়ে যথেষ্ট আত্মপ্ৰত্যয়েৰে ঠিয় দিছে।

উপসাগৰীয় যুদ্ধখনৰ সৈতে বৰ্তমান পেলেষ্টাইনৰ প্ৰশ্নটো ওতঃপ্ৰোত ভাবে জড়িত হৈ পৰিছে। পশ্চিম এছীয়া অঞ্চলত বৰ্তমান পেলেষ্টাইনৰ প্ৰসংগ উপেক্ষা কৰি শান্তি প্ৰচেষ্টা চলোৱাটো যে সম্ভৱ নহব সেয়া স্পষ্টকৈ ওলাই পৰিছে।

ইতিহাসে বাৰে বাৰে প্ৰমাণ কৰিছে – যুদ্ধৰ বিভীষিকাই আটাইতকৈ বেছিকৈ ক্ষতিগ্ৰস্ত কৰে মানৱ জাতিক। উপসাগৰীয় যুদ্ধইও মানৱ জাতিলৈ কঢ়িয়াই আনিছে ভয়াবহ অনিশ্চয়তাৰ বতৰা। উপসাগৰীয় যুদ্ধৰ ফল স্বৰূপে আজি উপসাগৰীয় অঞ্চলৰ লগতে সমীপৱৰ্তী ঠাই সমূহৰো পাৰিপাৰ্শ্বিক অৱস্থা বিপন্ন। উপসাগৰীয় যুদ্ধৰ ফলত সৃষ্টি হোৱা এনে সংকটে সমগ্ৰ বিশ্বৰ পৰিবেশবিদ বৈজ্ঞানিক আৰু যুদ্ধ বিৰোধী শক্তি সমূহক চিন্তিত কৰি তুলিছে। এই যুদ্ধখনৰ প্ৰকৃততে একো প্ৰয়োজন নাছিল। হয়তো আছিল বহুত শ শ বছৰ পিছত। ইয়াৰ আগৰ যুগ বিলাকতো যুদ্ধৰ প্ৰস্তুতি আছিল। যুদ্ধত অজস্ৰ লোকৰ মৃত্যু হৈছিল। কিন্তু তাৰ লগে লগে মানৱ সভ্যতা আৰু সংস্কৃতিয়েও দূৰ-ভাবে গঢ় লৈছিল। ধ্বংস আৰু নিৰ্মাণ সমানে আগবাঢ়িছিল। কিন্তু এতিয়া কেৱল চাৰিওফালে যুদ্ধৰ, ধ্বংসৰ, স্খলনৰ প্ৰস্তুতি; মানুহে মানুহক নিৰ্মাণ কৰাৰ পৰিবৰ্তে মানুহক নিঃশেষ কৰাৰ বাবে যেন আজি প্ৰতিশ্ৰুতিবদ্ধ। আগেয়ে ৰাষ্ট্ৰনেতা সকলে যুদ্ধৰ আলোচনা নিশ্চয় কৰিছিল। কিন্তু তেওঁলোকে মানৱ সভ্যতা আৰু সংস্কৃতিৰ উত্তৰণৰ বাবেও ঐতিহাসিক উক্তি কৰিছিল। এতিয়া পৃথিবীৰ পৰম শক্তিশালী ৰাষ্ট্ৰনেতা সকলে কেৱল যুদ্ধৰ প্ৰস্তুতি অথবা অস্ত্ৰ-শস্ত্ৰৰ নিৰ্মাণৰ কথাৰ ওপৰত সৰ্বতোভাৱে গুৰুত্ব দিয়ে। আব্ৰাহাম লিংকন, চাৰ্চিল, কেনেডী, হো চি, মিনেও এসময়ত প্ৰয়োজন হ'লে যুদ্ধৰ আয়োজন কৰিছিল। কিন্তু তেওঁলোক ৰাষ্ট্ৰনায়ক হৈয়ো চিন্তানায়ক হব পাৰিছিল। পূৰ্বতে ইতিহাসৰ প্ৰতি যুগে যুগে একোখন যুদ্ধৰ প্ৰস্তুতি চলে, সেই অনুসৰি অস্ত্ৰ নিৰ্মিত হয়। যুদ্ধৰ পিছত

**মানুহৰ বাহিৰে সৃষ্টিৰ আন কোনো প্ৰাণীয়ে, পশু-পক্ষীয়ে নিজক নিজে নিঃশেষ কৰাৰ নজিৰ আজিলৈকে কোনেও দেখা নাই। এই চৰম দুৰ্দশা আৰু অৱনতিৰ গ্ৰাসৰ পৰা মানুহক কেনেকৈ ৰক্ষা কৰিব লাগিব, সেই পথ পুনৰ সেই মানুহেই দেখুৱাই দিব লাগিব।**

সেইবোৰ অস্ত্ৰৰ প্ৰয়োজন নোহোৱা হৈ পৰে। কুৰুক্ষেত্ৰ যুদ্ধৰ পিছত গাণ্ডীবৰ প্ৰয়োজন অৰ্জুনৰ নোহোৱাৰ দৰে। কিন্তু পৃথিৱীৰ ইতিহাসত এই প্ৰথমবাৰৰ বাবে অজস্ৰ মাৰাত্মক অস্ত্ৰ নিৰ্মাণ হ'ল যাৰ প্ৰয়োজন কোনো এখন তাৎক্ষণিক সংঘটিত ৰণৰ বাবে নহয়, পৃথিৱীৰ মানুহক সীমাহীন আতংকৰ সাগৰত নিমজ্জিত কৰিবৰ বাবে তেনেবোৰ অস্ত্ৰ নিৰ্মিত হৈ থাকিল।

আগৰ দিনৰ প্ৰতিখন যুদ্ধৰ একোটা গুৰুত্বপূৰ্ণ কাৰণ আছিল। নিজৰ দেশৰ স্বাধীনতাৰ বাবে, একোটি মতবাদৰ জয়ৰ বাবে, হিটলাৰৰ দৰে যুদ্ধ দানবৰ বিনাশৰ বাবে অথবা মিত্ৰ দেশৰ মুক্তিৰ বাবে একোটা শক্তিশালী কাৰণ বা যুক্তিৰ ওপৰত নিৰ্ভৰ কৰি যুদ্ধৰ আয়োজন হয়। হেমলেটৰ মতে "এডাল খেৰতো বিচাৰি পাব পাৰি এখন ৰণৰ কাৰণ"। কিন্তু এতিয়া দুখন দেশৰ মাজত যুদ্ধৰ যুক্তিসংগত কাৰণেই বিচাৰি পোৱা নেযায়। ইৰাকৰ কুৱেইট আক্ৰমণেই আমেৰিকা আৰু ইৰাকৰ মাজৰ সেই যুদ্ধখনৰ সৰ্বপ্ৰধান কাৰণ নে? কিছুবছৰৰ আগৰ ইৰাণ আৰু ইৰাকৰ মাজৰ যুদ্ধ কি কাৰণত সংঘটিত হৈছিল? দুটা শাসক দলৰ মাজৰ প্ৰতিদ্বন্দ্বিতা, ঈৰ্ষাপৰায়ণতাৰ বাহিৰে দুয়োখন দেশৰ মূল আৰ্থিক সম্পদ হ'ল তেল; কিন্তু সেই সাত বছৰীয়া যুদ্ধত সেই মূল সম্পদ আহৰণৰ উৎসকে ধ্বংস কৰি দিয়া হ'ল নিৰ্মম ভাবে। নিজৰ দেশৰ পৰা বাৰ হেজাৰ মাইল নিলগৰ ভিয়েটনামত সুদীৰ্ঘ কাল যুদ্ধৰ কি কাৰণ আৰু প্ৰয়োজন আছিল আমেৰিকাৰ? কেৱল এক অত্যাচাৰী শাসকৰ শাসন স্থায়ী কৰিবৰ বাবে? মানুহৰ বাহিৰে সৃষ্টিৰ আন কোনো প্ৰাণীয়ে, পশু-পক্ষীয় নিজক নিজে নিঃশেষ কৰাৰ নজিৰ আজিলৈকে কোনেও দেখা নাই। এই চৰম দুৰ্দশা আৰু অৱনতিৰ গ্ৰাহৰ পৰা মানুহক কোনোৱে ৰক্ষা কৰিব লাগিব, সেই পথ পুনৰ সেই মানুহেই দেখুৱাই দিব লাগিব।

উপসাগৰীয় যুদ্ধ আৰু ভাৰতবৰ্ষ ঃ

ইৰাকে যোৱা দুই আগষ্ট তাৰিখে বলপূৰ্বক ভাবে কুৱেইট অধিগ্ৰহণ কৰাৰ পিছৰে পৰা পাৰস্য উপসাগৰীয় অঞ্চলত উদ্ভৱ হোৱা সাম্ভাব্য যুদ্ধ পৰিস্থিতিৰ অৱসান ঘটোৱাৰ উপৰিও বৰ্তমান অব্যাহত থকা উপসাগৰীয় যুদ্ধৰ অৱসান ঘটোৱাৰ ক্ষেত্ৰত ভাৰতবৰ্ষই যথাযোগ্য ভূমিকা পালন কৰিব পৰা নাই বুলি কূটনৈতিক মহলে মন্তব্য কৰি থকাৰ সময়তেই উপসাগৰীয় সমৰ সংক্ৰান্তীয় আন এক প্ৰসংগই ভাৰত চৰকাৰক বিব্ৰত কৰি তুলিছে। মাৰ্কিন পৰিবহন বিমান কিছুমানক প্ৰথমে বোম্বাইৰ চাহাৰ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত তেল ভৰাবলৈ অনুমতি দিয়াৰ প্ৰসংগক কেন্দ্ৰ কৰিয়েই ভাৰত চৰকাৰ দেশৰ বাহিৰে ভিতৰে তীব্ৰ সমালোচনাৰ সন্মুখীন হৈছে। যোৱা ন জানুৱাৰী তাৰিখৰ পৰাই মেনিলা আৰু উপসাগৰীয় অঞ্চললৈ যাত্ৰাৰ পথত টি, চি, ১৪১ নামৰ মাৰ্কিন সামৰিক পৰিবহন বিমান কিছুমানে বোম্বাইৰ চাহাৰা বিমান বন্দৰত ইন্ধন লবলৈ আৰম্ভ কৰে। "অপাৰেছন ডেজাৰ্ট ষ্টৰ্ম" অভিযানত প্ৰয়োজনীয় বিভিন্ন সা-সামগ্ৰী পৰিবহন কৰিবলৈ এই বিমান সমূহ ব্যৱহাৰ হৈছে। শেষতীয়াকৈ আগ্ৰা আৰু মাদ্ৰাজতো মাৰ্কিন সামৰিক পৰিবহন বিমান সমূহক ইন্ধন লবলৈ অনুমতি দিয়ে। তথাপিও উপসাগৰীয় যুদ্ধখনৰ সমাপ্তৰ বাবে ভাৰতৰ বৈদেশিক পৰিক্ৰমা বিভাগে যৎপৰোনাস্তি চেষ্টা চলায়েই আছে।

( বিভিন্ন বাতৰি কাকতৰ পৰা সংগ্ৰহ কৰা হৈছে )

# সৈনিক শিল্পী বিষ্ণুৰাভা আৰু প্ৰাসঙ্গিক কিছু চিন্তা ঃ



কুশল চহৰীয়া
প্ৰাক্তন ছাত্ৰ

'জ্ঞান যদি চূড়ান্তে হয় অৰ্থাৎ তাৰ যদি বৃদ্ধি না ঘটে তবে বিশ্বৰ গতিশীলতা ব্যৰ্থ হৈয়ে যাবে, এবং গুণগত পৰিবৰ্তনেৰ ফলে উদ্ভূত নতুন নতুন গুণ—নতুন নতুন বস্তুসমূহেৰ জন্ম স্তব্ধ হৈয়ে যাবে। প্ৰগতিশীল, সজীব, নিত্য নতুন বিকাশিত বিশ্ব অচল মৃত ফচিলে পৰিণত হবে।' ( 'বৈজ্ঞানিক বস্তুবাদ'—ৰাহুল সংকৃতায়ন )।

তেনেদৰে আমাৰ বিষ্ণুৰাভাৰ আদৰ্শ তথা কৰ্মৰাজীয়েও সকলো কালৰ বাবে প্ৰযোজ্য হোৱাকৈ নিৰ্দিষ্ট সীমাৰেখা এডাল টানি থৈ যোৱা নাই, যাব নোৱাৰে। সেয়েহে আজিৰ দৃষ্টিভঙ্গীৰে বিষ্ণুৰাভাদেৱে কৰি যোৱা কামৰ সাৰখিনি গ্ৰহণ কৰা প্ৰয়োজন আছে। কিন্তু কোনে কি ভাৱে তেওঁৰ আদৰ্শ গ্ৰহণ কৰে সেইটোহে মন কৰিবলগীয়া বিষয়।

বিষ্ণুৰাভা—পুঁজিবাদী শোষণ-সম্প্ৰসাৰণবাদী সকলৰ গ্ৰাসৰ পৰা ওলাই আহি সিহঁতক সমূলাংশে ধ্বংস কৰিব বিচৰা, মুক্তিকামী জনগণৰ মাজৰে এজন ( সমুখ সমৰৰ ) সৈনিক। বিষ্ণুৰাভা আমাৰ গৌৰব সন্তান। বিষ্ণুৰাভা অসমৰ মাটি পানীৰ সৈতে সম্বন্ধ থকা কৃষক শ্ৰমিকৰ আপোন সন্তান। কিউবাৰ জাতীয় কবি নিকোলাস্ গিয়েনৰ কবিতাৰ ভাষাৰে—'ভিক্ষা নকৰিবা চাবাচ্। কাঢ়ি লোৱা তোমাৰ কটিৰ অংশ............" আমি কব খোজা এমুঠিমান শাসকবাদী শোষকৰ কজ্জাৰ পৰা মানুহক জীয়াই থকাৰ বাবে মৌলিক প্ৰয়োজনীয় ভাত-কাপোৰ আৰু বাসস্থানৰ অধিকাৰ কাঢ়ি লোৱাৰ বাবে আজিৰ পৰিবৰ্তনকামী সকলো উদ্যত। বিষ্ণুৰাভাৰ দিনৰ

পৰাই ভাৰতীয় জনসাধাৰণৰ চিন্তাশীল একাংশই শ্ৰমিক স্বাৰ্থত বাৰে বাৰে কৈ আহিছে যে ভাৰতীয় সংবিধানৰ মূল জ'কাটো ভাতি তাক ন-ৰূপত সজোৱাৰ প্ৰয়োজন আছে। কিন্তু ভাৰতীয় শাসক যন্ত্ৰই নিজৰ সুবিধাভোগী চৰিত্ৰ অক্ষুন্ন ৰাখিবৰ বাবে চৰকাৰী বন্দুক বাহিনীৰে পৰিবৰ্তনকামী জনসাধাৰণক দমন কৰি আহিছে। আলাপ-আলোচনা তথা চুক্তিৰ ৰাজনীতিৰে প্ৰতিবাদী সকলক প্ৰতাৰণা কৰি আহিছে।

বিপ্লৱী কমিউনিষ্ট পাৰ্টি ( R C P I )ৰ সৈতে ৰাভাৰ সম্পৰ্ক আৰম্ভ হয় ১৯৪৫ চনৰ পৰাই। ভাৰতৰ বুৰ্জোৱা চৰকাৰৰ পতন ঘটাই শ্ৰমিক কৃষকৰ ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ আকাংক্ষাৰে R C P I দলে সশস্ত্ৰ সংগ্ৰামৰ পথ গ্ৰহন কৰাৰ প্ৰস্তাৱ লয়। কথামতে কামো আৰম্ভ কৰে। ৰাষ্ট্ৰযন্ত্ৰৰ বিৰুদ্ধে সশস্ত্ৰ বিদ্ৰোহেৰে থিয় দি ভাৰতত সমাজতন্ত্ৰ প্ৰতিষ্ঠা কৰাৰ লক্ষ্যত দলৰ কৰ্মীসকল অগ্ৰসৰ হয়। নগানেতা ফিজোৰ সৈতে RC P I দলৰ (বিষ্ণুৰাভা, গোপালদাস আদিৰ প্ৰতিনিধিত্বত) আলোচনা হৈছিল, সম্ভৱত ১৯৪৮ চনৰ ভিতৰত। ফিজোৱে বিচাৰিছিল ভাৰতৰ পৰা পৃথক হৈ যোৱাটো আৰু ৰাভাইঁতে বিচাৰিছিল ভাৰতৰ ভিতৰতে থাকি সকলো একত্ৰিত হৈ সংগ্ৰাম কৰা আৰু সমাজতন্ত্ৰ প্ৰতিষ্ঠা কৰা কথাটো। ("বহু কথাই মোৰ মনত পৰে"—গোপাল দাস, পৃষ্ঠা ১৭-১৮ ৰ পৰা।)

কিন্তু ভাৰত চৰকাৰৰ সামৰিক অভিযানে R C P I দলৰ সশস্ত্ৰ কৰ্মসূচী ব্যৰ্থ কৰি পেলায়। ৰাষ্ট্ৰ-সন্ত্ৰাসৰ বলি হয় বহুতো মুক্তি-পিয়াসী মানুহ।

১৯৫৫ চনত R C P I দলৰ এটা অংশই ভাৰতৰ কমিউনিষ্ট দলৰ লগত চামিল হয়। বিষ্ণুৰাভাইও ভাৰতৰ কমিউনিষ্ট দলত যোগ দিয়ে। ১৯৬২ চনৰ চীনৰ ভাৰত আক্ৰমণৰ সময়ত ভাৰত চৰকাৰে বিষ্ণুৰাভাক দ্বিতীয়বাৰৰ বাবে গ্ৰেপ্তাৰ কৰে। এই গ্ৰেপ্তাৰৰ কোনো স্পষ্ট কাৰণ দেখা নাযায়। একমাত্ৰ ভাৰতৰ পুঁজিবাদী চৰকাৰযন্ত্ৰক সশস্ত্ৰ বিদ্ৰোহেৰে ওফৰাই পেলাই শ্ৰমিক – কৃষকৰ ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিব বিচৰা বিষ্ণুৰাভাইঁতৰ যি পূৰ্ববৰ্তী প্ৰচেষ্টা আছিল সেই প্ৰচেষ্টাকেই সন্দেহৰ আলম লৈ বিষ্ণুৰাভাক গ্ৰেপ্তাৰ কৰা হৈছিল। আজিৰ পৰিস্থিতিতো শ্ৰমিক স্বাৰ্থৰ পৰিপন্থী কাম-কাজবোৰে পাকে-প্ৰকাৰে পুঁজিবাদী ব্যৱস্থাৰ কৱলৰ পৰা সমাজতন্ত্ৰলৈ পৰিবৰ্তনকামী জনসাধাৰণক মূৰ দাঙি উঠিব দিয়া নাই। শ্ৰমিকৰ ঐকক আপোচমুখী কৰি তোলাৰ বাবে কৌশল ৰচনা কৰা, বাওপন্থী চিন্তাচৰ্চাক সাংবিধানিক ভাবে পদদলিত কৰি ৰখা, শাসনৰ সকলো পৰ্য্যায়তে নানা কু-চক্ৰান্তৰে সুবিধাভোগী নিৰ্দিষ্ট পুঁজিপতি সকলৰ প্ৰভাৱ বিস্তাৰ কৰি ৰখা আদি কৰ্মসূচীকে ভাৰতৰ চৰকাৰ-যন্ত্ৰটোৱে আজিও বাহাল ৰাখিছে।

ব্যাপক গণ-সংগঠন আৰু প্ৰাৰম্ভিক কামকাজত প্ৰয়োজনীয় সংখ্যক কৰ্মীৰ অভাৱৰ বাবে R C P I দলে নিজৰ চিন্তাক বিকশাই তুলিব পৰা নাছিল। ৰাষ্ট্ৰযন্ত্ৰৰ বিপক্ষে সশস্ত্ৰ বিপ্লৱৰ পাতনি মেলিলে (তাত প্ৰয়োজন হোৱা) প্ৰতিপক্ষৰ সামৰিক শক্তিৰ প্ৰতিহতকৰণৰ ক্ষমতা আহৰণ, নিজৰ দলৰ মাজত অন্তৰ্দ্বন্দ্ব নিৰ্মূল কৰিবলৈ সুদক্ষ নেতৃত্ব আৰু সকলো কৰ্মীৰে সহকৰ্মী সুলভ বন্ধুত্ব আদি প্ৰয়োজনবোৰ পূৰণ কৰাত বিষ্ণুৰাভা প্ৰমুখ্যে R C P I ৰ অসম শাখাৰ আন কৰ্মীসকল সমৰ্থ।

আজি ভাৰতৰ ঠায়ে ঠায়ে পৰিবৰ্তনৰ জোৱাৰ উঠিছে। ন-খনিকৰ সকলে সমাজৰ আৰ্থ-ৰাজনৈতিক গাঁঠনিৰ আমূল পৰিবৰ্তন বিচাৰি বিপ্লৱৰ পাতনি মেলিছে। কিন্তু সমাজতান্ত্ৰিক সমাজৰ বুনিয়াদ ৰচনা কৰে অৰ্থনৈতিক স্বতন্ত্ৰতাইহে। ৰাজনৈতিক চিন্তাৰ বিকাশ যিমানেই নঘটক কিয় অৰ্থনৈতিক অনগ্ৰসৰতাই সেই চিন্তাৰ গতি ৰহিত কৰিব পাৰে। গতিকে অতি কৌশলপূৰ্ণ ভাবে 'প্ৰচলিত আৰ্থ-ৰাজনৈতিক ব্যৱস্থা'ৰ বুকুতেই বিপ্লৱী সমাজবাদী অৰ্থনৈতিক ভেটি গঢ়ি তুলিব লাগিব।

আজি অসমৰ সমাজ জীৱনত বিশেষকৈ যুৱ সমাজত শ্ৰমবিমুখীতা আৰু তত্ত্ব অধ্যয়নৰ প্ৰতি অনুৰাগ শূন্য অৱস্থা এটাই গা-কৰি উঠাৰ বাবে আমি কৰ নোৱাৰাকৈয়ে আমাৰ অধিকাৰৰ পৰা ক্ৰমাত আমি নিজে বঞ্চিত হৈ আহিছো। চৰকাৰী প্ৰচাৰযন্ত্ৰৰ প্ৰচাৰ আৰু চৰকাৰী নিষেধাজ্ঞাত শিৰ নত কৰি প্ৰকাশকে প্ৰকাশ কৰা কিতাপ আলোচনী আনিয়ে জনসাধাৰণৰ মাজত প্ৰগতিশীল বিপ্লৱী সংস্কৃতিৰ জন্ম নিদিয়ে। বৰঞ্চ এইবোৰে জনগণৰ মাজত অঙ্কুৰিত হব খোজা পৰিবৰ্তনৰ আশাৰ মূৰত চেঁচা পানীহে ঢালে। গতিকে পৰিবৰ্তনৰ সপক্ষে আমাক এক সাংস্কৃতিক জাগৰণৰ প্ৰয়োজন আছে। চীনৰ মহান বিপ্লৱী মাও চে তুঙৰ চিন্তা আজিও প্ৰাসঙ্গিক--

"Revolutionary culture is a powerful revolutionary weapon for the broad masses of the people. It prepares the ground ideologically before the revolution comes and is an important, indeed, essential, fighting front in the general revolutionary front during the revolution."

বিষ্ণুৰাভাৰ প্ৰতি আদৰ্শগত সমৰ্থন আগবঢ়াব লাগিলে তেওঁৰ আধৰুৱাকৈ এৰি যোৱা কাম হাতত তুলি লব লাগিলে, আমি নিশ্চয় এনেবোৰ পদক্ষেপক হাতত লব লাগিব।



# দৰঙত সাহিত্য চৰ্চাৰ পৰিবেশ আৰু সমস্যা

ৰেবণচন্দ্ৰ নাথ
( অধ্যক্ষ )

দৰং ৰাজবংশাৱলীত উল্লেখিত প্ৰাচীন দৰং ৰাজ্য আৰু পূৰ্বৰ মঙ্গলদৈ মহকুমাক লৈ আশীৰ দশকত জন্ম লাভ কৰা দৰং জিলাৰ মাজত সীমাৰ তাৰতম্য ব্যাপক নহয়। দৰং ( ৰাজ্য আৰু জিলা ) বুলিলে জনচক্ষুত বৰ্ত-মান জিলাখনেই প্ৰধানকৈ চিত্ৰিত হয়। প্ৰাচীন কালৰে পৰা বৰ্তমান সময়লৈকে এই সুবৃহৎ এলেকাটিত ক্ৰমাগত ভাৱে চলি অহা সাহিত্য চৰ্চাৰ পৰিবেশ আৰু এই সন্দৰ্ভত পাই অহা সমস্যাই আমাৰ প্ৰধান আলোচ্য বিষয়।

সাহিত্য সাধনাৰ পৰিবেশ বুলিলে ভাল বেয়া বহু ফুলেৰে সংযোজিত এধাৰি মালাৰ দৰে অঙ্গাঙ্গী সম্বন্ধ থকা বহু কথাই আমাৰ মনলৈ আহে। সংক্ষেপতে কবলৈ গলে সাহিত্য সাধকৰ নিবিড় সাধনা, সাহিত্যপ্ৰেমী সমাজৰ অনুপ্ৰেৰণা আৰু ৰজাঘৰীয়া তথা শাসক-গোষ্ঠীৰ পৃষ্ঠপোষকতাই জন্ম দিয়ে সাহিত্য আৰু সাহিত্যিকৰ, নৱ আলোকে বিচ্ছু-ৰিত কৰে সাহিত্য চৰ্চাৰ বাতাবৰণ তথা পৰিবেশ। পৰিবেশে যিদৰে সাহিত্যৰ সৃষ্টি কৰে, সাহিত্যই পৰিবেশৰ জন্ম দিয়ে।

পৰিবেশ আহে সময় আৰু সংঘাতৰ লগে লগে, উৎস সমূহৰ পিছে পিছে। ব্যক্তিগত জীৱনৰ ঘাট-প্ৰতিঘাট, বাস্তৱ জীৱনৰ নিকৰুণ আঘাত, সামা-জিক জীৱনৰ উত্থান-পতন, শাসকৰ শোষণ আৰু অবিচাৰ, প্ৰাকৃতিক, অৰ্থনৈতিক আৰু ভৌগোলিক অৱস্থাৰ বিভিন্নতা আদিয়ে অহৰহ সাহিত্য সাধকৰ মনত ক্ৰিয়া কৰি থাকে। স্বতস্ফূৰ্তভাৱে অহা পৰিবেশে লিখকক কলম তুলি লবলৈ বাধ্য কৰায়। কিছুমানে পৰিস্থিতিৰ দাস হৈ সাহিত্য চৰ্চা কৰে আৰু প্ৰতিভাৱান সাহিত্যিক সকলে মহান ব্যক্তিত্ব আৰু অভিজ্ঞপুষ্ট জ্ঞানৰ গভীৰতাৰে পৰিস্থিতিক আয়ত্ব কৰি জন্ম দিয়ে কালজয়ী সাহিত্যৰ। এই সকলৰ ভাৱাদৰ্শই স্থবিৰতা ভাঙি সমাজক গতি-শীল কৰি তোলে, অনুগামীসকলে অনুপ্ৰাণিত হৈ লাভ কৰে সাহিত্য চৰ্চাৰ নতুন পৰিবেশ। লগে লগে অনুকূল পৰিবেশ আৰু সুস্থ বাতাবৰণেৰে উন্মুক্ত হৈ পৰে সাহিত্য চৰ্চাৰ ধাৰাবাহিকতা। আকৌ প্ৰতিকুল পৰিবেশে কেতিয়াবা সাহিত্য চৰ্চাৰ সাৱলীল সুঁতিত জঁাজীৰ সৃষ্টি কৰি সাহিত্য সাধ-নাৰ পথ বহুদিনলৈ ৰুদ্ধ কৰি ৰাখে।

পূৰ্বতে উল্লেখ কৰাৰ দৰে প্ৰধানকৈ শাসক-গোষ্ঠীৰ পৃষ্ঠপোষকতাই সাহিত্য চৰ্চাৰ ধাৰাবাহিকতা আৰু পৰম্পৰাৰ সৃষ্টি কৰে। বিশেষকৈ অসমীয়া সাহিত্যৰ প্ৰাকশঙ্কৰী, শঙ্কৰী আৰু শংকৰোত্তৰ অথবা আহোমযুগত ৰজাঘৰীয়াৰ আৱেষ্টনীৰ মাজৰ অনুকূল বাতাবৰণ আৰু পৰিবেশতেই অস-মীয়া সাহিত্যৰ ভেটি নিৰ্মাণ হয় বুলি কব পাৰি।

ধৰ্মীয় অবিচাৰ অনাচাৰেৰে তিমিৰাছন্ন সমাজৰ বুকুত ধৰ্মীয় আৰু মানৱীয় আদৰ্শৰে প্ৰতিষ্ঠাৰ বাবে আবিৰ্ভাৱ হয় মহাপুৰুষৰ; সৃষ্টি হয় বিশাল সাহিত্য সংস্কৃতিৰ। সেই আদৰ্শত উদ্বুদ্ধ শিষ্য-প্ৰশিষ্য আৰু গুণগ্ৰাহী লোক সকলে সেই পৰিবেশেৰে অব্যাহত ৰাখে সাহিত্য চৰ্চাৰ। ধৰ্মীয় বিষয়ক লৈ চলি অহা সাহিত্য সাধনাত এনে পৰিবেশ সুদূৰপ্ৰসাৰী। উদাহৰণ স্বৰূপে মহাপুৰুষ শ্ৰীমন্তশঙ্কৰ-মাধৱৰ বৈষ্ণৱ ধৰ্মৰ আদৰ্শত অনুপ্ৰাণিত শিষ্য-প্ৰশিষ্য আৰু গুণগ্ৰাহী লোকসকলে সেই পৰিবেশ যুগে যুগে পৰম্পৰাগত ভাৱে অব্যাহত ৰাখি আহিছে।

ৰাজনৈতিক আদি কাৰণত দেশৰ বুকুত মাজে সময়ে আহি পৰা জাতীয় সংঘাত আৰু ভাষা সাহিত্যৰ সংকট বেলাত সাহিত্য চৰ্চাৰ গতিয়ে এক নতুন সুঁতি লয়। দেশাত্ম-বোধৰ মন্ত্ৰেৰে জাগৃতিৰ গীত, কবিতা, গল্প-প্ৰবন্ধ আদি ৰচনা কৰে স্বদেশপ্ৰেমী কবি সাহিত্যিক সকলে। উদাহৰণ স্বৰূপে বৃটিছৰ শাসন কালত অসমীয়া ভাষা সাহিত্যৰ খুটি উভালিব খোজা মুহূৰ্তত আত্মসচেতন যি-কেইজন অসমীয়াই কলম হাতত তুলি ললে 'অৰুণোদয়', 'জোনাকী', 'বঁাহী', কাকতৰ মাজেদি ধাৰাবাহিক সাহিত্য সৃষ্টিৰ শুভাৰম্ভ তাৰ পৰাই হয়। সেই গুৰু গম্ভীৰ পৰি-বেশ, সেই চিন্তা চৰ্চাৰেই অসমীয়া সাহিত্যৰ ভেটি আজিলৈকে সুদৃঢ় ভাৱে নিৰ্মিত হৈ আছে। একেদৰেই অসমৰ তেল শোধনাগাৰ আন্দোলন, ভাষা আন্দোলন, অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ সময়ৰ সাহিত্য চৰ্চাৰ সাৱলীল গতিধাৰাৰ কথা আঙুলিয়াব পাৰি।

বৰ্তমান শিক্ষা ব্যৱস্থা, দূৰদৃষ্টিসম্পন্ন আধুনিক সমাজৰ প্ৰয়োজনীয়তা, ব্যৱসায়িক দৃষ্টিভঙ্গী আৰু উঠি অহা চামৰ অভিনৱ ধ্যান-ধাৰণাই সাহিত্য চৰ্চাৰ গতিধাৰাৰ নতুন ৰূপ প্ৰদান কৰিছে; নতুন পৰিবেশ আৰু আওহাৱাই কৰি সাহিত্যিক সকলক অনুপ্ৰাণিত কৰা পৰিলক্ষিত হৈছে।

ধাৰাবাহিকভাৱে প্ৰকাশ পাই অহা বাতৰি কাকত, পত্ৰিকা বা আলোচনী আদিয়ে প্ৰায়ে নিত্য নতুন পৰিবেশৰ জন্ম দিয়ে। সাহিত্যপ্ৰেমী এক-নিষ্ঠ সাধকসকলে ধাৰাবাহিক ভাৱে সাহিত্য চৰ্চাত অনুপ্ৰেৰণা লাভ কৰে আৰু সিয়ে আত্মপ্ৰতিষ্ঠাৰ পথ সুগম কৰি তোলে।

সাম্প্ৰতিক যুগত গা কৰি উঠা প্ৰতিযোগিতা-মূলক সাহিত্য সৃষ্টিৰ পৰিবেশেও প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীক হাতত কলম লবলৈ উদ্বুদ্ধ কৰি তোলে। অবিৰত সৃষ্টিৰ মানসিকতাই উন্মুক্ত কৰা এই সকল ছাত্ৰ-ছাত্ৰীয়েই এদিন লব্ধ প্ৰতিষ্ঠা সাহিত্যিক ৰূপে স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হয়। সামাজিক সংগঠন আৰু শৈক্ষিক অনুষ্ঠান প্ৰতিষ্ঠান সমূহেও সাহিত্যিক সৃষ্টিৰ ক্ষেত্ৰত থকা অতিকৈ শুভ লক্ষণ।

নতুন কিতাপ প্ৰকাশৰ বাবে আগ্ৰহী ছপাশাল, উদ্যোগী ব্যক্তি আৰু সংগঠনৰ জৰিয়তেও সাহিত্য সৃষ্টিৰ বাবে নবীন-প্ৰবীণ লেখক-লেখিকা সকলক আগ্ৰহান্বিত কৰি তোলে।

পৰৱৰ্তী সমাজৰ একাগ্ৰতা আৰু অনুপ্ৰেৰণাইও সাহিত্য চৰ্চাৰ অনুকূল পৰিবেশ যোগাব পাৰে। পাশ্চাত্য সাহিত্যৰ প্ৰভাৱতো ( বিশেষকৈ আধুনিক যুগৰ ) অসমীয়া কবি সাহিত্যিকসকলে সাহিত্য

চৰ্চাৰ এটা নতুন পৰিবেশৰ জন্ম দিয়ে। পৰিবেশে যিদৰে কবি সাহিত্যিকৰ জন্ম দিয়ে সাধকেও যুগনীয়া সাহিত্যৰ সৌধ নিৰ্মাণেৰে দেশৰ বুকুত সাহিত্য চৰ্চাৰ পৰিবেশ সৃষ্টিৰ কথা অনুধাৱন কৰিলে এইদৰে অনেক কথাই আমাৰ দৃষ্টিগোচৰ হয়। দৰঙত সাহিত্য চৰ্চাৰ পৰিবেশ আৰু সমস্যানো কি এই বিষয়ৰ স্পষ্ট ছবি পাবলৈ হ'লে প্ৰাচীন কালৰে পৰা বৰ্তমানলৈকে কাব্য সাহিত্যৰ চিন্তা-চৰ্চাত ব্ৰতী হৈ অহা কবি সাহিত্যিক সকলৰ প্ৰতি উভতি চোৱাৰ প্ৰয়োজন।

প্ৰাক্ শঙ্কৰী যুগ অৰ্থাৎ ১৪শ শতিকাৰ পৰা ১৫শ শতিকাৰ শেষাৰ্দ্ধলৈকে অসমীয়া সাহিত্য চৰ্চাৰ ধাৰাবাহিকতাৰ সূত্ৰপাত হলেও দৰঙত সাহিত্যাকাশ তেতিয়া তিমিৰাচ্ছন্ন। পঞ্চদশ শতিকাৰ শেষাৰ্দ্ধৰ পৰা সপ্তদশ শতিকাৰ প্ৰথম দশকলৈকেও (শংকৰীযুগ) দৰঙৰ সাহিত্য চৰ্চাৰ পৰিবেশ ডাঁৱৰে আবৰা। জিলাখনৰ অধিকাংশ ঠাইয়েই হাবি জংঘলেৰেই ভৰা, জনবসতি তেনেই সেৰেঙা, যাতায়ত তথা যোগাযোগ ব্যৱস্থাও তেনেই সামান্য। কোচ ৰজা মহাৰাজ নৰনাৰায়ণ আদিৰ আদেশত পীতাম্বৰ, সিদ্ধান্ত বাগীশ, শ্ৰীধৰ পণ্ডিত, পুৰুষোত্তম ভট্টাচাৰ্য্য আদি কেইগৰাকীমান পণ্ডিতলোকে দৰঙলৈ আহি কাব্য সাহিত্যৰ চৰ্চাবিহীন এই ঠাইখনত সৰ্ব্বপ্ৰথমে সাহিত্যৰ পাতনি মেলে।

সপ্তদশ শতিকাৰ দ্বিতীয়দশকৰ পৰা প্ৰায় ২১০ বছৰ জুৰি চলা দৰঙী ৰজাৰ শাসন কাল অকল দৰঙৰে নহয় অসমীয়া সাহিত্য সংস্কৃতিৰ গৌৰৱময় অধ্যায়। দৰঙী ৰজাই বিদ্বান পণ্ডিত, কবি, জ্যোতিষী, কলাবিদ আদিক স-সন্মানে আদৰি আনি সাহিত্য সংস্কৃতি সাধনাৰ বাবে মৰ্য্যাদাসহ সা-সুবিধা প্ৰদান কৰে। সেয়েহে প্ৰধানকৈ দৰঙী ৰজাৰ পৃষ্ঠপোষকতা আৰু অনুপ্ৰেৰণাত কাব্য সাহিত্য, বিভিন্ন পদ-পুথি, অনুবাদ, চৰিত পুথি, জ্যোতিষ 'শাস্ত্ৰ ইতিহাস (ৰাজবংশাৱলী) আদি সাহিত্যৰ বিভিন্ন ধাৰাৰ সৃষ্টিৰ দ্বাৰা দৰঙত সাহিত্য চৰ্চাৰ আলোক বিচ্ছুৰিত হয়। এই ক্ষেত্ৰত ৰজা ধৰ্মনাৰায়ণৰ লগত কবি ৰামসৰস্বতী, সাগৰখড়ি, সূৰ্য্যখড়ি দৈৱজ্ঞ, গোপীনাথ পাঠক, শুভ নাথ দ্বিজ, পাঁচালী কবি নাৰায়ণ দেৱ, কবিৰাজ মিশ্ৰ, ভৱানন্দ মিশ্ৰ, গোবিন্দমিশ্ৰ, সৰ্বানন্দ ব্যাস কলাই আদিক আমি শ্ৰদ্ধাৰে সুঁৱৰিব লাগিব। প্ৰকৃততে দৰঙী ৰজাৰ শাসন কাল দৰঙী সাহিত্য আৰু কলা-সংস্কৃতিৰ ভেটি নিৰ্মাণৰ যুগ।

১৯শ শতিকাৰ আদিভাগৰ পৰাই আৰম্ভ হয় আধুনিক যুগৰ। ইতিমধ্যে দৰঙী ৰজাৰ পৃষ্ঠপোষকতাত লাভ কৰা সাহিত্য চৰ্চাৰ প্ৰৱাহমান সুঁতিত জঁাজি পেলাই দিয়ে পৰাধীনতাৰ ক'লা ডাৱৰে। এহাতে বৃটিছ শাসনৰ বিৰুদ্ধ সংগ্ৰাম আৰু আনহাতে অসমীয়া ভাষা সাহিত্যৰ বিলুপ্তি সাধনৰ বাবে চলাই অহা বঙালীৰ চক্ৰান্তৰ অশান্ত পৰিবেশত সাহিত্য চৰ্চাৰ গতি ৰুদ্ধ হৈ পৰে। জিলাখন শিক্ষা দীক্ষা, যাতায়ত, যোগাযোগ, জন-স্বাস্থ্য, শিল্প উদ্যোগ, ব্যৱসায়-বাণিজ্য আদি প্ৰায় সকলো ক্ষেত্ৰতেই পুতৌ লগা অৱস্থাত ৰৈ থকা বাবে দেশৰ সংকটপূৰ্ণ মুহূৰ্তত গভীৰ স্বদেশ প্ৰীতি আৰু দেশাত্মবোধেৰে সাহিত্য চৰ্চাত লাগি থকা দেশৰ বাকী অংশৰ চেতনালব্ধ সাহিত্যিক সকলৰ সাহচৰ্য্যৰ পৰা এই অঞ্চলটি বৰ দুখ লগাকৈ বঞ্চিত হৈ ৰয়। সেয়ে বিংশ শতিকাৰ প্ৰায় দ্বিতীয় দশকলৈকে সাহিত্য চৰ্চাৰ ক্ষেত্ৰত অঞ্চলটিত শূন্যতাই বিৰাজ কৰে। সেয়ে অৰুণোদয় আৰু জোনাকী যুগত অসমীয়া সাহিত্যত নৱ জাগৰণৰ ঢৌ উঠিলেও সেই মুহূৰ্তত সাহিত্য চৰ্চাত জিলাখন নীৰৱ হৈ থকা পৰিলক্ষিত হয়।

বিংশ শতিকাৰ প্ৰায় প্ৰথম দশকাৰ পৰা যিসকল দৰঙীয়া ছাত্ৰই নানা বাধা বিঘিনি অতিক্ৰম কৰি গুৱাহাটী, কলিকতা আদিলৈ শিক্ষা গ্ৰহণৰ বাবে আহে, প্ৰধানকৈ এই সকলৰ জড়িয়তেই জিলাখনত সাহিত্য চৰ্চাৰ ৰেঙণি পৰে। বিংশৱকৈ তৃতীয় আৰু চতুৰ্থ দশকৰ পৰা ধাৰাবাহিক সাহিত্য চৰ্চাৰ উদ্দীপনাময়ী আলোড়নে দৰঙীয়া সাহিত্যপ্ৰেমী লোকৰ হৃদয় স্পৰ্শ কৰে আৰু সাহিত্য সৃষ্টিৰ হ বিয়াস জন্মায়। ফলস্বৰূপে গল্প, কবিতা, প্ৰবন্ধ আদি সাহিত্যৰ বিভিন্ন ধাৰাৰ লগতে সংবাদসেৱা, পত্ৰিকা বা আলোচনী প্ৰকাশ আদি বিভিন্ন দিশেৰে সাহিত্য সাধনাত ব্ৰতী হৈ পৰে। এই কবি সাহিত্যিক সকলৰ ভিতৰত প্ৰধানকৈ নীতি কবি ধনাই বড়া, কীৰ্ত্তিনাথ বৰদলৈ, জগন্নাথ ভট্টাচাৰ্য্য, ভগী বৰুৱা, শুক্লেশ্বৰ বৰদলৈ, বুৰঞ্জীবিদ দীনেশ্বৰ শৰ্ম্মা, তপেশ্বৰ শৰ্মা, বীৰেশ্বৰ শৰ্মা, হলিৰাম নাথ চহৰীয়া, নজৰ আলী, মুজাৰাম মহন্ত, বকদুল আলী, নৰেশ্বৰ শৰ্মা বৰুৱা, দাৰ্শনিক পণ্ডিত মনোৰঞ্জন শাস্ত্ৰী, বসুদেৱ শৰ্ম্মা বৰুৱা, অনন্ত দেৱশৰ্মা, বেণুধৰ ৰাজখোৱা, এম ইব্ৰাহীম আলী আৰু বৰ্তমানো অবিৰত ভাৱে সাহিত্য সেৱাত ব্ৰতী হৈ থকা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অতুলচন্দ্ৰ বৰুৱা, অসমৰ সুকবি দৰং গৌৰৱ ভৱানন্দ ৰাজখোৱা, সোণাৰাম তালুকদাৰ, ৰঞ্জিত ভট্টাচাৰ্য্য, নৰেন্দ্ৰ দেৱশাস্ত্ৰী, গজেন্দ্ৰনাথ চহৰীয়া, ৰজনীকান্ত বৰুৱা, মঙ্গলচণ্ডী ব্ৰহ্ম, প্ৰভাত শৰ্মা, মহীৰাম বৰা, ডিম্বেশ্বৰ চহৰীয়া, ইষ্টদেৱ নৰিচ, গোবিন্দৰাম ডেকা আদিৰ নাম শ্ৰদ্ধাৰে সুঁৱৰিলো।

আধুনিক সাহিত্যৰ প্ৰগতিবাদী চিন্তা চৰ্চাৰে প্ৰতিষ্ঠিত অসমীয়া সাহিত্যিক সকলৰ লগত খোজ মিলাই দৰঙৰ বহুখিনি ডেকা আৰু উদীয়মান সাহিত্যিকে জিলাখনৰ ভিতৰে বাহিৰে নিজাজীকৈ সাহিত্য সাধনাত ৰত হৈ আছে। এই সকলৰ ভিতৰত ডঃ নবীন শৰ্মা, তফাজ্জুল আলি, ভদ্ৰ বৰা, অধ্যাপক ইৰছাদ আলি, বিৰিঞ্চি মেধি, পবন কুমাৰ বৰুৱা, প্ৰসন্ন শৰ্মা, কৰুণাময় হৰিপদ গোস্বামী, মিনাৰাম নাথ, ৰজনীকান্ত শৰ্মা, চিন্তা হৰণ কলিতা, কুহিৰাম বৰা, দুৰ্গেশ্বৰ নাথ ওজা, বদনচন্দ্ৰ শইকীয়া, গীতিকাৰ ফজলুল কৰিম, লক্ষ্মী নাৰায়ণ কোঁৱৰ, শশীধৰ নাথ, ডিম্বেশ্বৰ শইকীয়া, ভাৰতচন্দ্ৰ নাথ, জিতেন ভাগৱতী, কিৰণ শৰ্মা, প্ৰমোদৰঞ্জন চাহা, নাৰায়ণ শৰ্মা, ধৰণীধৰ মেধি, উমা শৰ্মা, লোহিত কলিতা, যতীন্দ্ৰনাথ বৰুৱা, তনুৰাম বৰুৱা, অৰুণ শৰ্মা, ভূপেন্দ্ৰ চহৰীয়া আদিৰ বাহিৰেও অনেক অনুৰক্ত লোকে বৰ্তমান গাঁৱে-ভূঞে সাহিত্য চৰ্চাত নীৰৱে নামি আছে।

নবীন চামৰ ভিতৰত সাহিত্য চৰ্চাৰ পয়োভৰ দিনে দিনে বৃদ্ধি পাই গৈছে। এইয়া সদৌ অসম লিখক-লিখিকা আৰু শিল্পী সমিতিৰে অঞ্চলভেদে সংগঠিত হোৱা শাখা সমিতিসমূহৰ ফল। এই চামৰ ভিতৰত পৰমানন্দ ৰাজবংশী, যতীন্দ্ৰমোহন নাথ, অক্ষয়কুমাৰ নাথ, ৰামচন্দ্ৰ ডেকাকে ধৰি বহুখিনি লিখক-লিখিকাই চহৰে-নগৰে, গাঁৱে-ভূঞে

সাহিত্য চৰ্চাৰে আলোড়নৰ সৃষ্টি কৰি থকা পৰিলক্ষিত হৈছে।

স্বাধীনোত্তৰ কালৰে পৰা জিলাখনৰ বিভিন্ন প্ৰান্তত সংগঠিত হৈ অহা অসম সাহিত্য সভাৰ শাখা সমূহ, গাঁৱে-ভুঞে গঢ় লৈ উঠা দৰঙী কলা সংস্কৃতিৰ কেন্দ্ৰ সমূহে দৰঙত সাহিত্য চৰ্চাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি অহা পৰিলক্ষিত হৈছে। এই ক্ষেত্ৰত দৰঙী কলা কৃষ্টি উন্নয়ন সংঘ, মঙ্গলদৈ সাহিত্য সংস্কৃতি শাখা, ভডালগুৰি, দলগাওঁ, মাজবাট, ছিপাঝাৰ, দুনী আৰু গোবিন্দমিশ্ৰ সাহিত্য সভাৰ কথা বিশেষ ভাবে উল্লেখযোগ্য। বৰ্তমান বিভিন্ন সাহিত্য শাখাসমূহে মাহেকে-পষেকে অনুষ্ঠিত কৰি অহা সাহিত্য আলোচনা চক্ৰই নবীন-প্ৰবীন লিখক-লিখিকা সকলক অনুপ্ৰাণিত কৰি অহাটো শুভ লক্ষণ।

বিভিন্ন সমস্যাৰ বাবে স্থায়িত্ব অৰ্জন কৰিব নোৱাৰিলেও জিলাখনত এই শতিকাৰ চতুৰ্থ আৰু পঞ্চম দশকৰ পৰা মাজে সময়ে প্ৰকাশিত আলোচনী, সাপ্তাহিক বাতৰি আদিয়েও সাহিত্য চৰ্চাৰ পৰিবেশ সৃষ্টিত জিলাখনে যোগাই অহা ইন্ধন অনস্বীকাৰ্য্য। উদাহৰণ স্বৰূপে কাচিজোন, জাগৃতি, সুৰভি, ৰূপবন, জাগৰণ, শাশ্বত, সুন্দৰম সমাদৰ, মংগল বাতৰি, নতুন অসম, ছিপাঝাৰৰ পৰা প্ৰকাশিত নতুন প্ৰকাশ, উপবন, মেজাংকৰি, দুনী অঞ্চলৰ পৰা প্ৰকাশিত বাৰ্তালোচনীৰ কথা উল্লেখ কৰিব পাৰি।

দৰঙত সাহিত্যৰ চৰ্চা আৰম্ভ হৈছে যদিও সাহিত্য সৃষ্টিৰ ধাৰাবাহিকতাৰ অভাৱ বাৰু-কৈয়ে অনুভূত হৈছে। উচ্চমান বিশিষ্ট সাহিত্যও নিচেই তাকৰ। অধিকাংশ গ্ৰন্থয়ে তুলনা-মূলকভাৱে মানবিশিষ্ট হোৱা বুলি কবলৈ টান। বৰ্তমান অসমীয়া সাহিত্যৰ গৱেষণামূলক আৰু প্ৰগতিবাদী যি চিন্তা-চৰ্চা চলিছে তাৰতো কথাই নাই। জিলাখনৰ পৰা গতানুগতিক ভাবে পাঠ্য-পুথি প্ৰণয়নকে আদি কৰি গল্প, কবিতা, উপন্যাস, প্ৰবন্ধ পুথি আদি বিভিন্ন ধাৰাৰ সময়োপযোগী আৰু মানবিশিষ্ট গ্ৰন্থ প্ৰকাশৰ আগ্ৰহ পৰিলক্ষিত হোৱা নাই। ইয়াৰ দ্বাৰা এইটো প্ৰতীয়মান হয় যে জিলাখনত সাহিত্য চৰ্চা এতিয়াও সুদৃঢ়ভাৱে গঢ় লৈ উঠিব পৰা নাই। আমাৰ বোধেৰে উপ-যুক্ত সাহিত্যৰ সৃষ্টি কৰিব পৰা প্ৰতিভাবান লোক জিলাখনত নোহোৱা নহয়। অৱশ্যে সু-সাহিত্য সৃষ্টিৰ বাবে সমস্যাও কম নহয়।

অসমীয়া ভাষা সাহিত্য চৰ্চাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ গুৱাহাটীকে আদি কৰি অগ্ৰণী ঠাই সমূহৰ তুলনাত দৰঙত সাহিত্য চৰ্চাৰ পৰিবেশ যে কিছু পৰিমাণে হলেও নিম্নগামী তাৰ স্পষ্ট ৰূপ পোৱা যায় গুৱা-হাটীস্থ দৰঙীয়া কবি সাহিত্যিকসকলৰ জৰিয়তে। অসমৰ লব্ধপ্ৰতিষ্ঠ সাহিত্যিক শিল্পী আৰু পণ্ডিত সকলৰ সাহচৰ্য্যত প্ৰায় আটাইকেইজনেই নিজস্ব প্ৰতিভা বিকাশৰ সুবিধা লাভ কৰি অসমৰ সু-সাহিত্যিক হিচাবে আত্মপ্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। তাৰে ভিতৰত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীঅতুলচন্দ্ৰ বৰুৱা, গীতিকাৰ তফজ্জুল আলী, বিৰিঞ্চিকুমাৰ মেধি, ৰসিক ভদ্ৰ বৰা, গৱেষক ডঃ নবীন শৰ্মা, একেদৰে দাৰ্শনিক পণ্ডিত মনো-ৰঞ্জন শাস্ত্ৰী, নৰেন্দ্ৰনাথ শাস্ত্ৰী আদিৰ উদাহৰণ লব পাৰো। দৰং তথা মঙ্গলদৈৰ পৰিবেশত থাকি এই প্ৰতিভাবান লোকসকলে আজিৰ যি যোগ্যতা, মৰ্য্যাদা লাভ কৰিছে, সি সম্ভৱ হ'লহেতেন বুলি আমি কোৱা টান। এই ক্ষেত্ৰত অসীম প্ৰতি-ভাৰ অধিকাৰী অসমৰ সু-কবি দৰঙ গৌৰৱ ভৱানন্দ ৰাজখোৱা দেৱৰ লেখীয়া প্ৰতিভাৱান কবিস াহিত্যিকক অসম সাহিত্য সভাৰ মঞ্চত প্ৰকৃত মৰ্য্যাদা দিয়া হৈছে বুলি আমি কব নোখোজো। দৰঙীয়া ৰাজ্যৰ বাবে ই এটা প্ৰধান সমস্যা বুলি কোৱাৰ থল আছে।

সাহিত্য চৰ্চাৰ পৰিবেশ দিয়ে সচেতন সাহিত্যপ্ৰেমী সমাজে, সাহিত্যিকৰ জন্ম দিয়ে গুণগ্ৰাহী সমাজৰ আদৰ স্নেহে। সমাজৰ প্ৰেৰণা, পৰামৰ্শ, আলোচনা, সমালোচনা আদি নহলে অকল নিজস্বভাৱে সাধনা কৰি সাহি-ত্যিকে সাহিত্যৰ বিশাল ক্ষেত্ৰত আগুৱাই যোৱা সম্ভৱ নহয়। দৰঙীয়া ৰাইজৰ মাজত এই পৰিবেশ গঢ়ি উঠা বুলি কব নোৱাৰি। গতিকে উৎসাহ উদ্দীপনাৰ পৰিবৰ্তে ৰাইজক সততে এই ক্ষেত্ৰত বহু পৰিমাণে উদাসীন আৰু আনমনাহে দেখা যায়।

পাঠ্যপুথি প্ৰণয়নকে আদি কৰি সাহিত্য চৰ্চাৰ ক্ষেত্ৰত চৰকাৰ বা সংশ্লিষ্ট বিভাগ সমূহৰ পৰা পাব পৰা সুবিধাখিনি দৰঙীয়া শিক্ষাবিদ আৰু সাহিত্যিক সকলৰ বাবে সুদূৰ পৰিহত হৈ আছে। আনকি বহু যত্ন বহু কষ্টেৰে লিখি উলিওৱা দৰঙীয়া তথ্য গধুৰ আৰু মূল্যবান গ্ৰন্থ প্ৰকাশৰ বাবে চৰ-কাৰৰ সংশ্লিষ্ট বিভাগত বহুদিন ধৰি পৰি-ত্যজ্য অৱস্থাত ৰৈ থকা দৃষ্টান্তও নোহোৱা নহয়। এই ক্ষেত্ৰত থকা চৰকাৰী সুবিধা আদি আদায় কৰিব নোৱাৰাটোও দুৰ্ভাগ্য-জনক।

দৰঙৰ সাহিত্য চৰ্চাৰ প্ৰধান অন্তৰায় হৈছে এচাম অগ্ৰণী পঢ়ুৱৈ সমাজৰ অভাৱ। প্ৰকৃ-ততে তাৰ বাবেই বিংশ শতিকাৰ চতুৰ্থ দশকৰ পৰা আজি পৰ্য্যন্ত এখনো আলোচনী, বাৰ্ত্তালোচনী বা পত্ৰিকা আৰু বাতৰি কাকত বৰ্ত্তি থাকিব পৰা নাই। জন্মলগ্নৰ কেইমাহমান পিছৰ পৰাই বন্ধ হৈ যাবলৈ বাধ্য হয়। উদাহৰণ স্বৰূপে এম, ইব্ৰাহিম আলীদেৱৰ কাচিজোন, গোবিন্দ ডেকা সম্পাদিত জাগৃতিৰ পৰা আৰম্ভ কৰি (পূৰ্বতে উল্লেখিত) কোনো এখনেই ধাৰাবাহিকতা ৰক্ষা কৰিব নোৱাৰিলে। অথচ মঙ্গলদৈত ভূমিষ্ঠ হোৱা অগ্ৰদূত কাকতখনে পিছত নিগাজীকৈ গুৱাহাটীৰ পৰা প্ৰকাশ পোৱা আৰু পঢ়ুৱৈ ৰাইজৰ আদৰ স্নেহে তুলি ধৰাৰ বাবে আজি অসমত এখন প্ৰথম শাৰীৰ সাপ্তাহিক বাতৰিৰ খ্যাতি অৰ্জন কৰি আছে। দৰঙীয়া ৰাইজে জিলাখনৰ সাহিত্য সৃষ্টি-খিনি কিনি লৈ পঢ়াৰ মানসিকতা গোটালেহে ধাৰা-বাহিক লিখনিৰ সম্ভৱ।

গ্ৰন্থ প্ৰকাশৰ অভাৱ দৰঙত সাহিত্য সৃষ্টিৰ আন এটা প্ৰধান সমস্যা হৈ আহিছে। দৰঙৰ সাহিত্যপ্ৰেমী ব্যক্তি, ব্যৱসায়ী, সামাজিক সংগঠন আৰু ছপাশালে জিলাখনৰ ভাল লিখনিখিনি প্ৰকা-শৰ বাবে আগবাঢ়ি অহা প্ৰায় দেখা নাযায়। যাৰ বাবে হাতেলিখা অৱস্থাতে গ্ৰন্থ সমূহ মৰহি যাবলৈ বাধ্য হয় আৰু লিখকেও সৃষ্টিৰ মানসি-কতা হেৰুৱাই পেলায়। অৱশ্যে আজিকালি দুই এগৰাকী প্ৰকাশক ওলাইছে যদিও ই যথেষ্ট নহয়। কোনো কোনোৱে প্ৰকাশৰ প্ৰবল তাড়নাৰ বাবে দুৰৱস্থা স্বত্বেও জোৰা তাপলি মাৰি দুই এখন গ্ৰন্থ নিজে প্ৰকাশ কৰি উলিয়ায় আৰু সীমিত সংখ্যক দৰঙৰ বাহিৰা প্ৰকাশকৰ হতুৱাই প্ৰকাশৰ ব্যৱস্থা কৰি আছে। এনে নিৰুৎসাহজনিত কাৰণৰ বাবে

লিখনিৰ ধাৰাবাহিকতা বিঘ্নিত হৈছে যত্ন সহকাৰে আৰু একাগ্ৰচিত্তে ভাল গ্ৰন্থ সৃষ্টিৰ মানসিকতা বাধাপ্ৰাপ্ত হৈছে আৰু জিলাখনৰ প্ৰতিভাবান লিখক-লিখিকা থকা স্বত্বেও পাঠ্য-পুথিৰ পৰা বিভিন্নমুখী সাহিত্য সৃষ্টিত আজিলৈকে ভালকৈ পদক্ষেপ দিব পৰা নাই। এই সমস্যাৰ বাবেই প্ৰকাশিত গ্ৰন্থৰ সংখ্যা নিচেই তাকৰ।

দৰঙত কিতাপৰ একচেতীয়া ব্যৱসায় আৰু কিতাপৰ বজাৰ নাই বুলিলে অত্যুক্তি কৰা নহব। জিলাখনৰ সদৰ মঙ্গলদৈ চহৰত কেইখনমান সীমিত সংখ্যক কিতাপ বিক্ৰীৰ দোকানে সাহিত্য সৃষ্টিৰ চাহিদাত বিশেষ ইন্ধন নোযোগায়। কোনোমতে প্ৰকাশ পোৱা কিতাপখিনিৰ বিক্ৰীক লৈও লিখকৰ সমস্যা। ব্যৱসায়িক দৃষ্টিভংগীৰে সেয়ে কিতাপ লিখা লিখকৰ অভাৱ।

ভৌগোলিক, আৰ্থিক আৰু অন্যান্য বহু কাৰণত সাহিত্য চৰ্চাৰ বাতাবৰণ সৃষ্টিৰ বাবে জিলাখনত প্ৰচাৰ আৰু সংগঠন সম্প্ৰসাৰিত হৈ নুঠাটো এটা সমস্যা হিচাবে আমি গণ্য কৰো। ভাষা আৰু সাহিত্যৰ ক্ষেত্ৰত সুসমন্বয় আৰু মুক্ত ভাবে চৰ্চাৰ যি পৰিৱেশ হব লাগিছিল, দৰং জিলাত সেই পৰিৱেশ বৰ্তমানেও গঢ়ি তুলিব পৰা হোৱা নাই। ইয়াত বসবাস কৰা চাহ মজদুৰ, বড়ো, বঙালী, ন-অসমীয়া মুছলমান সকলোৰে মাজত একাত্মবোধৰ সৃষ্টি কৰিব পাৰিলেহে সংগঠন আৰু প্ৰচাৰৰ জৰিয়তে সাহিত্য চৰ্চাৰ সম্প্ৰসাৰণ সম্ভৱ। এই ক্ষেত্ৰত কেইবাবছৰো জুৰি চলি অহা বড়ো আন্দোলন অন্য এক সমস্যা হিচাপে দেখা দি আহিছে।

এইদৰে বিচাৰ কৰিলে সাহিত্য চৰ্চাৰ ক্ষেত্ৰত জিলাখনৰ অনেক সমস্যাৰ কথা আমাৰ দৃষ্টিগোচৰ হয়।

শিক্ষাৰ ক্ষেত্ৰত পোনপটীয়াভাৱে জৰিত জিলাখনৰ বিভিন্ন বিদ্যালয় আৰু মহাবিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী সকলৰ অতি মুষ্টিমেয় সংখ্যকৰ বাহিৰে প্ৰায়বোৰ পাঠ্যপুথি প্ৰণয়ন আৰু সময়োপযোগী সাহিত্য সৃষ্টিত চিন্তা চৰ্চাৰে কলম হাতত তুলি লোৱা পৰিলক্ষিত হোৱা নাই। সমাজ সচেতন আৰু শিক্ষাব্ৰতী শিক্ষাগুৰুসকলে এই বিষয়ত আগবাঢ়ি আহি জিলাখনত থকা সমস্যাসমূহ দূৰ কৰাৰ প্ৰচেষ্টা হাতত ললে শিক্ষা আৰু সাহিত্যৰ চৰ্চা বহুখিনি আগুৱাই আহিব বুলি আমাৰ বিশ্বাস।

বৰ্তমান জিলাখনৰ আওহতীয়া আৰু অনুন্নত এলেকাসমূহত সাহিত্য-সংস্কৃতিৰ আলোচনা চক্ৰ আৰু অনুষ্ঠান অনুষ্ঠিত কৰি প্ৰচাৰ আৰু সংগঠনৰ জৰিয়তে জনসাধাৰণক সাহিত্যমুখী কৰি সাহিত্য চৰ্চাৰ পৰিৱেশ গঢ়ি তুলিবলৈ সাহিত্য সংস্কৃতিৰ জিলা আৰু আঞ্চলিক সংগঠন, নবীন লিখক-লিখিকা আৰু শিল্পী সমিতি সমূহ বিশেষভাৱে সক্ৰিয় হোৱা বাঞ্চনীয়। অৱশ্যে দৰং জিলা সাহিত্য সভা আৰু আঞ্চলিক সাহিত্য সভাসমূহ পূৰ্বতকৈ বহুখিনি সক্ৰিয় হোৱাটো আমাৰ বাবে শুভ লক্ষণ বুলি কব খোজো।

আজি দেশৰ বুকুত শ্ৰেণী বিভেদ, সাম্প্ৰদায়িক সংঘাত, ঠেক আঞ্চলিকতাবাদ আদিৰ উগ্ৰতা বৃদ্ধি পাইছে। বস্তুবাদী চিন্তাধাৰা অৰ্থাৎ ঐশ্চৰ্য্য আৰু ক্ষমতাৰ লোভত মানুহ মতলীয়া হৈ পৰিছে, মানৱতাবোধৰ মূল্য হ্ৰাস পাই গৈছে। চাৰিওফালে অশান্তি-অসূয়া অপ্ৰীতিয়ে মানুহক মুহূৰ্তে-মুহূৰ্তে শঙ্কিত কৰি তুলিছে। এনেদৰে সাহিত্য সংস্কৃতিৰ ব্যৱসায়িক চিন্তা, প্ৰশংসা আৰু যশস্যা লাভৰ হাবিয়াসে সাহিত্য সৃষ্টিৰ গতি-ধাৰাটো কিছুপৰিমাণে উকা অথবা অন্তঃসাৰ শূন্য কৰি তোলাৰ অশুভ প্ৰয়াস পৰিলক্ষিত হৈছে।

দৰং জিলাখনো দেশৰ আৰু সাহিত্যৰ এনে পৰিৱেশৰ পৰা মুক্ত নহয়। এনে পৰিস্থিতিৰ সন্মুখীন হৈ জিলাখনৰ সাহিত্য সংস্কৃতিৰ সাৱলীল ধাৰাৰ সৃষ্টিৰ বাবে লাগিব এচাম কঠোৰ সাধনাত ব্ৰতী নবীন সাধকৰ। গতিকে উঠি অহা নবীন লিখক-লিখিকা সকলে দুৰ্বাৰ সাহস আৰু দৃঢ় পদক্ষেপেৰে আজিৰ দৃষ্টিভঙ্গীৰ প্ৰতি লক্ষ্য ৰাখি সাহিত্য সাধনাত নামিলে অচিৰেই আমি সাহিত্য চৰ্চাত প্ৰকৃত পৰিৱেশ সৃষ্টিৰে দেশৰ অগ্ৰণী কবি সাহিত্যিক আৰু অঞ্চলৰ জগত সমানে খোজ মিলাব পাৰিম বুলি দৃঢ় বিশ্বাস।

# “ডাৱৰ আৰু নাই”ত অভাৱবোধেৰে পীড়িত নাৰী—অনুপমা

প্ৰসন্নকুমাৰ নাথ
প্ৰবক্তা, অসমীয়া বিভাগ

**বৈবাহিক জীৱনত স্বামী স্ত্ৰীৰ মাজত ইজনৰ সহায়ৰ হাতে সিজনক সহায় কৰিব নোৱাৰিলে দৃঢ় ব্যক্তিত্বও এলাগী হৈ পৰে। দৈনন্দিন জীৱনত আউল লাগে। আদৰ্শ কেতিয়াবা এটা বোজা হৈ পৰে, এক উপৰুৱা জীৱন তৃষ্ণাই সৎ আদৰ্শৰ ক্ষেত্ৰত প্ৰতিবন্ধক হিচাপে থিয় দিয়ে।**

দ্বিতীয় মহাযুদ্ধৰ সময়ৰ মানুহৰ ভোগ-স্পৃহাজনিত নিৰ্য্যাতনৰ কাহিনীক মূল বক্তব্য বিষয় হিচাপে লৈ ৰচনা কৰা অসমৰ বিশিষ্ট কথা সাহিত্যিক যোগেশ দাসৰ ডাৱৰ আৰু নাই এখন স্বাধীনোত্তৰ কালৰ লেখত লব-লগীয়া সামাজিক উপন্যাস। মানুহৰ মনৰ নৈতিক অৱক্ষয়ে মনৰ দৈন্য, সামাজিক অসাম্য আদিয়ে সনাতন মানৱীয় আৰু স্বভাৱগত ভাষাত লিখকে উপন্যাসখনৰ মাজেৰে উপস্থাপন কৰাত সাৰ্থকতা লভিছে। নিম্ন মধ্যবিত্তৰ জীৱনৰ হা-হুমুনিয়াহ দুখ বেদনা লিখক দাসদেৱে গভীৰভাৱে উপলব্ধি কৰিবলৈ চেষ্টা কৰিছে, আৰু সেই চৰিত্ৰবোৰৰ

ত্ৰুটি বিচ্ছ্যুতি, চৰিত্ৰগত দুৰ্বলতা আদি সকলো আন্তৰিকতাৰে বিবেচনা কৰি উপস্থাপন কৰিবলৈ প্ৰয়াস কৰিছে। দ্বিতীয় বিশ্বযুদ্ধৰ পটভূমিত লিখা এই উপন্যাসখনত যুদ্ধই মানুহৰ সমাজক, পৰিয়ালক কেনেদৰে থানবান কৰি বিপৰ্য্যাস্ত কৰে তাৰ চিত্ৰন সুন্দৰভাৱে অংকন কৰিছে। যুদ্ধ দুষ্কৃতি, ই দোষী নিৰ্দোষী নিৰ্বিচাৰে সকলো সমানে চুই যায়। মানুহৰ মানৱীয় হিতাহিত জ্ঞান বুদ্ধি ইয়াৰ ওচৰত হাৰ মানে, মানুহৰ সনাতন আবেগ অনুভূতি সমূহে ইয়াৰ সন্মুখত বিভ্ৰান্ত হয়। কিন্তু ইয়াৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী চিৰন্তন নহয়। সংস্কৃতিৰ সন্মুখত মানুহৰ সুস্থ জীৱন লিপ্সাৰ ওচৰত ই এটা সময়ত হাৰ মানে। এই ধৰণৰ দৃষ্টিভঙ্গী এটা প্ৰতিভাত কৰিছে দাস দেৱে 'ভাৱৰ আৰু নাই' উপন্যাসৰ জৰিয়তে। যুদ্ধৰ সাময়িক উত্তেজনাত পৰি, লোভৰ বশৱৰ্ত্তী হৈ মানৱীয় প্ৰমূল্য সমূহ মানুহে ত্যাগ কৰিছিল যদিও এটা সময়ত বিভ্ৰান্তজনৰ মোহ ভঙ্গ হৈছিল। এই যুদ্ধৰ সময়িক প্ৰভাৱ উত্তেজনা আৰু মোহ ভঙ্গৰ অৱসাদ উপন্যাসখনত প্ৰতিফলিত হৈছে।

উপন্যাসখনিত সামাজিক জীৱনৰ ওপৰত আলোচনা কৰাৰ উপৰিও পাৰিবাৰিক জীৱনৰ সংঘাতময় ছবি এখনো অংকণ কৰা হৈছে। যুদ্ধৰ ধামখুমীয়াত উটি নগৈ, যুদ্ধৰ পঙ্কিলতাৰ সুযোগ লৈ ধন ঘটাৰ পৰিবৰ্ত্তে কেৱল সৎ উপায়েৰেই ধন আৰ্জি অভাৱ পূৰণৰ সাধনাত ব্ৰতী হব খোজা আদৰ্শবাদী যুৱক বাখৰ আৰু সদ্য বিবাহিতা পত্নী অনুপমাৰ সহায়েৰে ঔপন্যাসিকে পাৰিবাৰিক জীৱনৰ সংঘাতময় ছবিখন সুন্দৰভাৱে অংকণ কৰিছে। এই আলোচনাটিত অনুপমা চৰিত্ৰটিৰ ওপৰত সামান্যভাৱে আলোকপাত কৰিব খোজা হৈছে। অনুপমা চৰিত্ৰক কেন্দ্ৰ কৰি লিখকে সমাজ আৰু ব্যক্তিত্বৰ নিম্নগামী যাত্ৰাৰ পৰিচয় দাঙি ধৰিছে। সময়ৰ সোঁতত সহজে উটি যোৱা মধ্যবিত্ত বোৱাৰীৰ মানসিক অস্থিৰতা, অসহায়তাৰ ছবি অনুপমাৰ জৰিয়তে লিখকে উপস্থাপন কৰাত সাৰ্থকতা লভিছে। বাখৰ আৰু অনুপমাৰ সুখী সৰু সংসাৰখনত সৃষ্টি হোৱা সংঘাত অকল যুদ্ধৰ বাবেই হোৱা নাই। যুদ্ধৰ পাৰিপাৰ্শ্বিকতা থাকিলেও যুদ্ধৰ পৰিৱেশত ডাঙৰ দীঘল হলেও কিন্তু অনুপমাৰ চৰিত্ৰত যুদ্ধৰ প্ৰভাৱ নাই। আছে মধ্যবিত্ত মানসিকতাৰ অভাৱবোধ আৰু আবেগৰ প্ৰাধান্য। পাৰিবাৰিক তথা সামাজিক জীৱনলৈ এনে মধ্যবিত্ত মানসিকতাৰ অধিকাৰী সৰহ সংখ্যক ব্যক্তিয়ে শান্তিক স্বাগতম জনাবলৈ শিকা নাই। নিজৰ অন্তৰ্জগতৰ বিভিন্ন স্ব-বিৰোধ, দোষ দুৰ্বলতাই, এই বিধ লোকক বিভ্ৰান্ত কৰি লৈ ফুৰে। অনুপমাৰ অন্তৰ্জগতবো আমি এনে ধৰণৰ স্ব-বিৰোধ, দোষ দুৰ্বলতা দেখা পাওঁ। মানুহৰ স্বাভাৱিক প্ৰবৃত্তিৰ বশৱৰ্ত্তী হবলৈ বাধ্য হৈছে অনুপমা।

এটা আভিজাত্যশীল ধনী পৰিয়ালত বিলাসিতাৰ মাজত ডাঙৰ দীঘল হৈছে অনুপমা। ভোগৰ মাজত ডাঙৰ দীঘল হৈছে যদিও ভোগৰ উন্মত্ত নিচা তাইৰ প্ৰথম অৱস্থাত দেখা নাযায়। কিন্তু সেই বুলি ভোগৰ বিৰোধীও নহয় অনুপমা। বিয়াৰ আগতে বাখৰৰ সতে অনুপমাৰ দেখা সাক্ষাৎ হৈছিল। অনুপমা এক প্ৰকাৰে বাখৰৰ প্ৰেমতেই পৰিছিল। অনুপমাই পশ্চিমীয়া সাহিত্যৰ উল্লেখেৰে বাখৰলৈ চিঠি লিখিছিল। বাখৰে এইবোৰক বৰ সহজভাৱে লব পৰা নাছিল। "অনুপমাই তাক পচন্দ কৰিলে কিয়? মাইনৰ স্কুলৰ হেড্‌ মাষ্টৰৰ মাজত তাই কি দেখিছে? সপোন? এনে ধৰণৰ চিন্তাই বাখৰক চিন্তান্বিত কৰি তুলিছিল। কাৰণ অনুপমাৰ দৰে কলেজত পঢ়া গাভৰু ছোৱালী কল্পনাত উটি বুৰি ফুৰা বুলি বাখৰে সন্দেহ কৰে। অথচ বাখৰৰ নিজৰ আদৰ্শৰ কথা, নিজৰ জীৱন যাত্ৰাৰ কথা ইতিমধ্যে অনুপমাক ভাঙি পাতি কৈছে। কেনে ধৰণৰ জীৱনক বাখৰে স্বাগতম জনাই তাকো কৈছিল। এইবোৰ শুনাৰ পিছত অনুপমাই অভিমান কৰি উত্তৰ দিছিল—

"আপোনাৰ মূল্য আছে কিন্তু দাম নাই, এই কথা মোক বিশ্বাস কৰিবলৈ নিদিয়ে কিয়?" এই জনীয়েই অনুপমা, বাখৰৰ মনৰ মানুহ। বাখৰৰ লগত প্ৰেমত পৰি কেৱল বাখৰৰ আদৰ্শকেই স্বাগতম জনাই জীৱন কটাবৰ বাবে প্ৰস্তুত আছিল। কিন্তু বাস্তৱ ইমান সহজ নহয়। বিয়াৰ আগতে কেৱল ইজনে সিজনৰ মাজত বুৰ গৈ থাকিব বুলি কৰা কল্পনা এটা সময়ত বাস্তৱৰ কঠোৰ আঘাতত চূৰ্ণ হৈ যাবলৈ বাধ্য হয়। আচলতে বিয়াৰ আগতে অনুপমা আৰু বাখৰৰ মাজত প্ৰেমেই আছিল। প্ৰেম হেনো একক ধমনী য'ত হাজাৰ জনৰ হাজাৰ টোপাল তেজে সুৰ সমলয় হৈ বাজি উঠে। সেই তেজৰ সংগীতৰ কোনো দেশ বা জাতিৰ পৰিচয় নাই। সেই বাবে সি প্ৰেৰণাৰ কালহীন প্ৰাৰ্থনা। কিন্তু এই প্ৰেমে যেতিয়া মিলনৰ ৰূপ পায় তেতিয়া প্ৰেমৰ লক্ষণসমূহ যেন কিছু পৰিমাণে হেৰুৱাই পেলায়। মিলনে প্ৰাৰ্থিত সমস্যাৰ মাজত সোমাই পৰে। যেতিয়া সেই সমস্যাক সহজভাৱে গ্ৰহণ কৰিবলৈ প্ৰেমিকদ্বয় সক্ষম নহয় তেতিয়া জীৱন দুৰ্বহ হৈ পৰে। প্ৰেমিক জীৱন যেনেদৰে আবেগত চলি থাকিব পাৰে, বাস্তৱ জীৱনে কিন্তু তেনেদৰে চলিব নোৱাৰে, কিয়নো ইয়াত সমাজ পৰিবেশ, পাৰিপাৰ্শ্বিকতাৰ সম্পৰ্ক আছে। কিন্তু প্ৰেমিক জীৱনত এইবোৰে বিস্তৰ প্ৰভাৱ পেলাব নোৱাৰে। সেয়েহে প্ৰেমিকা অনুপমা আৰু বাস্তৱ জীৱনৰ নাৰী অনুপমাৰ মাজত আমি পাৰ্থক্য প্ৰত্যক্ষ কৰিব পাৰো।

আগতেই উল্লেখ কৰা হৈছে ভোগৰ উন্মত্ত নিচা নাই যদিও ভোগত বন্দী হৈ কিন্তু এটা সময়ত মনৰ সুখ হেৰুৱাই পেলাইছে অনুপমাই। ত্যাগৰ মানসিকতাতকৈ ভোগৰ মানসিকতাই তাইৰ ওপৰত বেছি প্ৰভাৱ পেলাইছিল। এক অৰ্থত অনুপমা মানসিক সমস্যাৰে আবৃত আছিল। এই মানসিক সমস্যাই তাইৰ জীৱনত, বাখৰৰ জীৱনত সংঘাতৰ সৃষ্টি কৰিছিল। যুদ্ধ যদিও প্ৰাসঙ্গিক ঘটনা, তথাপি অনুপমাৰ দৰে নাৰীয়ে যুদ্ধ নহলেও নিজে সৃষ্টি কৰা সমস্যাত ভোগে। অনুপমাৰ নষ্ট মানসিকতা তথা আশাভঙ্গ যুদ্ধই আনি দিয়া বস্তু নহয়। অনুপমাৰ এক জটিল মন আছে, আৰু আছে এক অভাৱবোধ, যাৰ বাবে তাই হৈ পৰিছে ক্ষুণ্ণ। এই যে অভাৱবোধ, এয়ে এটা সময়ত হীনমন্যতাৰ মাজেৰে আত্মপ্ৰকাশ লাভ কৰিছে।

বোৱাৰী জীৱনৰ প্ৰথম অৱস্থাত অনুপমাই বাখৰৰ ঘৰত কাজে কামে বেছ ভাল গৃহিণীৰ পৰিচয় দিব পাৰিছিল। বাখৰ আশ্বস্ত হৈছিল। অনুপমাক পাই সি নিজক সৌভাগ্যবান বুলিয়ে ধৰি লৈছিল। কিন্তু আদৰ্শ স্বামীৰ লগত জীৱন

সঙ্গিনীৰূপে কটাবলৈ আহি তিষ্ঠি থাকিব পাৰিব নে নোৱাৰে সেই বিষয়ে অনুপমাই সন্দেহ ব্যক্ত কৰিছে—"মোক ভাল বুলি থাকোঁতে কেতিয়াবা একেবাৰে বেয়া হৈ যাম বুলি।" সেই একেই কথোপকথনত "তথাপি মানুহে ভাল কবিতা সদায় নপঢ়ে" বুলি কৈ তাই যে বাখৰৰ আদৰ সদায় নাপাব পাৰে তাৰেই ইঙ্গিত দিছে। এনে ধৰণৰ কথাই অনুপমাৰ দুৰ্বল মানসিকতাৰ কিছু পৰিচয় দিছে। এই মানসিকতাক দুৰ্বল বুলি কোৱা ন'গলহেঁতেন যদিহে অনুপমাৰ চৰিত্ৰত পিছলৈ পৰিবৰ্তনসমূহ ফুটি নুঠিলহেঁতেন। কিন্তু পৰিবৰ্তন দেখা গ'ল। যেতিয়া বাখৰে যুক্তৰ সুযোগ লৈ মানুহৰ মনবোৰ অৰ্থমুখী হোৱা খুন খুন ঠিকাদাৰবোৰে চিপাহীৰ চকুত ধূলি মাৰি হেজাৰে হেজাৰে টকা উপাৰ্জন কৰা বা বাগিচাৰ মহৰীয়ে এৰোড্ৰমত বনুৱা চলাই দিনে পঞ্চাশ-ষাঠি টকা এনেয়ে খাব ধৰাৰ মানসিকতা দেখা পালে আৰু সেইবোৰ সমাজৰ বাবে দেশৰ বাবে অহিতকৰ বুলি যুক্তি দাঙি ধৰিলে। তেতিয়া অনুপমাই এইবোৰক অহিতকৰ বুলি মানি লবলৈ টান পালে। অনুপমাই এনে ক্ষেত্ৰত একো নামাতি আঁতৰি যায়। "তাৰ এই সাধু মতবাদ তাই মনে মনে বৰ ভাল নেপায়। যেতিয়া পৃথিৱীৰ সকলো মানুহ এটা সোঁতত উটি গৈছে তেতিয়া তাত দোষণীয় একো থাকিব নোৱাৰে এয়ে তাইৰ ধাৰণা।" এয়ে অনুপমাৰ আদৰ্শনিষ্ঠতা। কোনো নিৰ্দ্দিষ্ট আদৰ্শ আগত ৰাখি তাই বাখৰৰ লগত বিয়া সোমোৱা নাছিল; হয়তো ৰোমাণ্টিক কল্পনা বিলাসত মজি শিক্ষিত আদৰ্শবাদী যুৱক বাখৰক পছন্দ কৰিছিল। বাখৰৰ যি আদৰ্শ সেই আদৰ্শ বিবাহ পূৰ্ব অৱস্থাত প্ৰত্যক্ষ কৰিছিল যদিও হয়তো ভাবিছিল সময়ে সকলো সহজ কৰিব আৰু বাখৰক তাই নিজৰ ইচ্ছামতে ব্যৱহাৰ কৰিব পাৰিব। কিন্তু সংসাৰত আন চাৰিজনৰ দৰে তাইৰ মানুহ জনে ধন ঘটিবলৈ মন নিদিয়াত তাই সুখী হব পৰা নাই। অৰ্থৰ প্ৰাপ্তিৰ প্ৰাচুৰ্য্যৰ অভাৱবোধত তাই ক্ৰমান্বয়ে পীড়িত হৈছে। এই অভাৱবোধে সময়ে সময়ে হীনমন্যতাৰ জন্ম দিছে আৰু সেই হীনমন্যতাই এটা সময়ত সিঁহতৰ পাৰিবাৰিক জীৱনলৈ আনি দিলে বিচ্ছেদ।

অনুপমাৰ এই অভাৱবোধ আৰু হীনমন্যতাৰ পৰিচয় আমি গিৰিহঁতৰ ঘৰতেই সুন্দৰভাৱে বুজ পাব পাৰো। গিৰিহঁতৰ ঘৰত গৈ যেতিয়া বাঘ-জানৰ পৰা অনা পুৰণি চোফাচেটৰ সলনি কলিকতাৰ পৰা অনা নতুন ডিজাইনৰ চোফাচেটৰ সপ্ৰশংস বৰ্ণনা শুনিলে তেতিয়া অনুপমা হীনমন্যতাত ভুগিছে আৰু অপ্ৰস্তুত হৈ লাহেকৈ কৈ উঠিছে—"ভালেই হৈছে।" ঘৰলৈ আহি ইমান দিনে চকুত নপৰা অথচ গিৰিহঁতৰ ঘৰৰ পৰা আহিয়েই চকুত পৰিছে—"বাখৰৰ পঢ়া টেবুলৰ ওপৰত পৰা টেবুলক্লথখনৰ ফুলটো একেবাৰে বেয়া, দুৱাৰৰ পৰ্দাখন বৰ লেতেৰা হৈছে, পৰ্টিকোৰ দীঘল আৰ্ম বেঞ্চখন পুৰণি হৈছে।" এই অভাৱবোধ, হীনমন্যতাবোৰ আপেক্ষিক; কাৰোবাৰ লগত নিজক বিজাই চালে আৰু সেই বিজোৱা পাত্ৰ যদি নিজতকৈ উচ্চ খাপৰ বুলি ধৰি লোৱা হয় তেতিয়া নিজ আদৰ্শহীন, জীৱনবোধ নথকা, সোঁতৰ সতে উটি ফুৰা মানুহ অভাৱবোধত বা হীনমন্যতাত ভুগিছে। অনুপমাই গিৰিৰ ভনী ৰেণুৰ পৰা কাঁটা-চামুচৰ ব্যৱহাৰ শিকিব লগা হোৱাত তীব্ৰ অপমানবোধ কৰিছে। এটা তথাকথিত মান-দণ্ড আহৰণৰ চিন্তাই তাইক বিব্ৰত কৰি তুলিলে। এই যে অনুপমাৰ অভাৱবোধ, ইয়াক প্ৰাধান্য নিদিলে তাই কাঁটা-চামুচৰ ব্যৱহাৰ শিকিবলৈ লাজ নকৰিলেহেঁতেন। এই লাজ গৈ এটা সময়ত ঈৰ্ষাত পৰিণত নহ'লহেঁতেন। ই এক প্ৰকাৰ মানসিক ব্যাধি। নিজক সদায় আনতকৈ হেয় কৰি চালেহে মানুহৰ এনে হয়। নিজৰ প্ৰতি সহানুভূতি নোহোৱা হলে, নিজকেই বুজি নোপোৱা হলে আনৰ প্ৰতিও সহানুভূতি নোহোৱা হয়, আনক বুজাটো টান হৈ পৰে। নিজৰ নথকাটো অথচ বিচাৰি ফুৰাটো যেতিয়া আনৰ ওচৰত দেখা যায় তেতিয়া মানুহৰ ক্ৰোধ, ঈৰ্ষা আৰু ঘৃণাৰ জন্ম হয়। মন ভাৰাক্ৰান্ত হয়, অস্থিৰ হয় আৰু এই অস্থিৰ মনে হিতাহিত জ্ঞান হেৰুৱাই নকৰিবলগীয়া কাৰ্য কৰিবলৈ উদ্যত হয়। অনুপমাবো এয়াই হৈছিল। সহজ অৰ্থত অনুপমা ক্ৰোধান্বিত হৈছিল; ঈৰ্ষান্বিত হৈছিল এক মানসিক ব্যাধিত ভুগি-ছিল। আৰু এই অস্থিৰ মনে হিতাহিত জ্ঞান হেৰুৱাই নকৰিবলগীয়া কাৰ্য কৰিবলৈ উদ্যত হয়। অনুপমাবো এয়াই হৈছিল। সহজ অৰ্থত অনুপমা এক মানসিক ব্যাধিত ভুগিছিল; আৰু এই ব্যাধি প্ৰকাশৰ অৱলম্বন হ'ল গিৰিহঁতৰ ঘৰৰ আচবাব, ৰেণুৰ পৰা পোৱা কাঁটা-চামুচৰ ব্যৱহাৰৰ শিক্ষা আদি। "নৱকান্ত বৰুৱাৰ ঘৰৰ বিলাসৰ সামগ্ৰীবোৰে তাইৰ মাজৰ অশান্ত মানুহজনীক বৰ বেয়াকৈ আলোড়িত কৰি তুলিলে। তাইৰ গাত আছিল আশী নম্বৰী পকোৱা মিহি সুতাৰ বৰিত বোৱা চাদৰ।" ৰেণুৰে সোধা—নবউৰ চাদৰখন ঘৰত বোৱা নহয়? কথাষাৰে অনুপমাৰ গা বিন্ধিলে, যেন ঘৰত বোৱা কাপোৰ পিন্ধা বুলি ধৰা পেলাই তাইক তিৰস্কাৰহে কৰিলে। পৰিস্থিতি সহজ কৰিবলৈ গিৰিয়ে কোৱা "এৰা, নিজে বৈ কাপোৰ পিন্ধাতো গৌৰৱ আছে, লাজ লাগে তাত বৰ নেজানিলো, খুপৰী হৈ থাকিলো।" কথাষাৰে পৰিস্থিতি বেছি জটিল কৰিহে তুলিলে। ইয়াৰ ব্যঙ্গ অৰ্থ কৰি অনুপমা মৰি যোৱা যেন লাজ পালে। লাজ পাবলৈ তাই ইতিমধ্যে মানসিকভাৱে দুৰ্বল হৈয়ে আছিল। যদি এই কথাখিনিকে সঁচা প্ৰশংসা বুলি ধৰি লব পৰা মানসিকতা থাকিলেহেঁতেন তেন্তে নিশ্চয় ই প্ৰশংসাবাণী বুলি কৰ পাৰিলেহেঁতেন। আনকি তাইৰ মন ইমান তললৈ গৈছিল যে—"গিৰিৰ জন্মদিনৰ এই উৎসৱ যেন তাইক অৱমাননা কৰিবলৈকে, তাইক হেয় প্ৰতিপন্ন কৰিবলৈকে পতা হৈছে।" ইয়াৰ পিছত বাখৰৰ লগত ঘৰলৈ উভতি আহি "বাতি শইকীয়াৰ টোপনি অহাৰ পিছত তাই শুবলৈ দুৱাৰ মাৰি দুৱাৰত আউজি ৰুদ্ধ বেদনাক উন্মুক্ত কৰি দিলে। তাই কান্দি পেলালে।" অনুপমা মানসিকভাৱে কিমান দুৰ্বল এয়াই প্ৰমাণ কৰে। বাখৰৰ লগত কথা পাতি থাকি কৈ উঠিছে—"মই তাত অপমান পাই আহিছো। ..........সিঁহতৰ টকা আছে গৰ্বও আছে। মোৰ নাই; কিন্তু মোক কিয় হেয় কৰিব? সিহঁতৰ বিলাতৰ পৰা অনা কাপোৰ মোৰ ঘৰত বোৱা কাপোৰৰ লগত বিজাই মোক হীন জ্ঞান কৰিছে।" ..........বাখৰ নিৰৱে আঁতৰি যায়। তাই উচুপে। মানসিকভাৱে আহত অনুপমা এনেদৰে জঁহি খহি যায়।

অনুপমা যদি বাখৰৰ আদৰ্শৰ প্ৰতি আস্থা থকা পত্নী হ'লহেতেন, তেন্তে বেণুৰ পৰা কাঁটা-চামুচ ধৰা শিক্ষা পায়েই বিচলিত নহ'লহেতেন, অথবা তাই শিল্পা আশী নম্বৰী সুতাৰ চাদৰখন পিন্ধি হাতৰ বিলাতী ভয়েলৰ চাদৰখনৰ আগত নিম্নখাপৰ বুলি বিজাই নাচালেহেঁতেন। এয়া নিশ্চয় অনুপমাৰ আদৰ্শ-হীন সস্তীয়া মানসিকতাৰ বাবেহে সম্ভৱ হৈছে। মনত ব্যাধিয়ে বাহ নললে অনুপমা এই নিজেই সৃষ্টি কৰা দুৰ্গতিত নুডুবিলেহেঁতেন।

অনুপমাই যদিও বাখৰৰ আদৰ্শক এটা দোষ বুলি ধৰি লৈছে তথাপি তাই কিন্তু বাখৰক দুখ দিবলৈ সংকোচ কৰিছে। "তাই তৰা আৰু জোনাকীৰ ক্ষীণ পোহৰত ক্ষন্তেক বাখৰৰ ফালে চাই থাকে। পিচত লাহে লাহে আহি তাৰ সন্মুখত আঠু কাঢ়ি বহি তাৰ কোলাত মূৰ গুজি হুকহুকাই কান্দি-বলৈ ধৰে। কান্দোনৰ আতিশয্যত তাই কিবা কব খুজিও একো কব নোৱাৰিলে;

"বাখৰে তাই মূৰত হাত বুলাবলৈ ধৰে। উঠা নমা কৰা পিঠিখনত হাত এখন থয়।

"কুকি ছিঃ নেপায়।"

তাই তাৰ বাওঁ ভৰিটো সাৱটি ধৰি সেঁা গালখন তাৰ আঠুত লগায়। বাখৰৰ প্ৰতি অনুপমাৰ শ্ৰদ্ধা অটুট থকাৰ ই এটা প্ৰমাণ। ইয়াৰ পিছত অনুপমা বাখৰক এৰি মাকৰ ঘৰলৈ গুছি যায়গৈ। বাখৰৰ প্ৰতি থকা মৰম শ্ৰদ্ধা, মুখেৰে বাখৰক সুখী কৰাৰ কথা কলেও কাৰ্য্যতঃ বাখৰক অৱজ্ঞা কৰি-বলৈ লাগি যায়। কাৰণ বাখৰৰ সেঁাতৰ সতে উটি নুফুৰা এটা আদৰ্শ আছে যিটো অনুপমাৰ বাবে এটা দোষ। সন্দেহ নাই অনুপমাৰ ভোগৰ প্ৰতি শ্ৰদ্ধা স্পৃহা আছে, কিন্তু ব্যভিচাৰ ভ্ৰষ্টাচাৰৰ প্ৰতি তাইৰ অনুমোদন নাই। জীৱন বৰুৱাৰ আগত কোৱা "দা মই বৰ অশান্তিত দিন নিয়াইছোঁ। যাক বন্ধু বুলি বিশ্বাস কৰি-ছিলো, সি এনে জঘন্য প্ৰস্তাৱ কৰিব বুলি ভবাই নাছিলো।" প্ৰভৃতিয়ে এই কথা প্ৰমাণ কৰে। বন্ধু ভাবেবেহে তাই ডেকা বন্ধুৰ লগত হলি গলি কৰে, নৱ জীৱনৰ উদ্দামতা ইয়াত নাই। নাই বিবাহ বিচ্ছেদ অথবা দ্বিতীয় বিবাহৰ কথা। শেষত দেউতাকৰ ভৎসনা, বন্ধুৰ বিবাহ প্ৰস্তাৱ, দেউতাকৰ চোৰাং ব্যৱসায় আদিৰ উৎপীড়নত তাইৰ মানসিক বিকাৰ দূৰ হয়।

"অনুপমাৰ কাৰণে মাক বাপেকৰ ঘৰ জেৰে-ভাৰ পথাৰ হৈ পৰিছে।" এনে সময়তে গিৰীৰ পৰা ফোন যোগে বাখৰৰ কাৰাবাস, শহুৰেকৰ মৃত্যু আদিৰ খবৰ পাই তাই পুনৰ বাখৰৰ জীৱ-নলৈ ঘূৰি আহে। বস্তুগত সুখ প্ৰাচুৰ্য্য বিচাৰি কেৱল দুখকেই পোৱা অনুপমাই উপলব্ধি কৰে সুখ বিচাৰি মানুহ অমানুহ হয়, তাই নিজেই নিজক সোধে তাই মানুহ নে পিশাচী? আগতেই কোৱা হৈছে অনুপমা ভ্ৰষ্টাচাৰী নহয়; ন্যায়ৰ প্ৰতি তাইৰ শ্ৰদ্ধা আছে অৱশ্যে তথাপি তাই বাখৰৰ প্ৰতি অন্যায় কৰিছে। অনুপমাৰ এয়ে দোষ, কিন্তু তাই যে বাখৰৰ প্ৰতি অন্যায় কৰিলে সেয়া তাই উপ-লব্ধি কৰিছে।

"চলি থকা মটৰত বহি তাই বাখৰৰ মূৰ্তি ধ্যান কৰে"..........। মই কৈছিলো আপোনাৰ প্ৰতি মই অন্যায় নকৰোঁ। মই জানো মই বহুত অন্যায় কৰিলোঁ। যি অন্যায়ৰ কোনো ক্ষমা থাকিব নোৱাৰে। ..........পাম নে আপোনাক, দেৱতা মোৰ। দেৱতা মোৰ বোজাৰ অধি-কাৰ মোৰ আছেনে।" অনুপমাৰ আত্ম অনু-শোচনা বুজাৰ বাবে এয়াই যথেষ্ট। "আকাশৰ নিলগলৈ চাই তাই বাখৰৰ কথা ভাবে। চমকা চমকে ডাৱৰবোৰ কোবাল বতাহৰ প্ৰতাপত পূব ফাললৈ উৰি গৈছে।" এইদৰে ভাৰতীয় নাৰীৰ আত্ম নিবেদনেৰে মনৰ কলীয়া ডাৱৰবোৰ ফালি জীৱনৰ বাবে বৰ আৱশ্য-কীয় "খুদ খুদ মৰমবোৰ" স্বামী স্ত্ৰী দুয়ো ইজনে সিজনৰ মাজত ভগাই ললে। বৈবাহিক জীৱনত স্বামী স্ত্ৰীৰ মাজত ইজনৰ সহায়ৰ হাতে সিজনক সহায় কৰিব নোৱাৰিলে দুয়ো ব্যক্তিত্ব এলাগী হৈ পৰে। দৈনন্দিন জীৱনত আউল লাগে। আদৰ্শ কেতিয়াবা এটা বোজা হৈ পৰে; এক উপ-ৰুৱা জীৱন ভুঞ্জাই সৎ আদৰ্শৰ ক্ষেত্ৰত প্ৰতিবন্ধক হিচাপে থিয় দিয়ে। অনুপমাৰ সম্পত্তি লোভ পাৰি-বাৰিক পদ মৰ্য্যদা তথা এক উপৰুৱা জীৱন ভুঞ্জাই বাখৰৰ আদৰ্শৰ ক্ষেত্ৰত প্ৰতিবন্ধক হিচাপে থিয় দিয়া কাৰ্য্যই এই কথা সমৰ্থন কৰে।

বিঃদ্ৰঃ—"ডাৱৰ আৰু নাই" মূল উপন্যাসখনৰ চতুৰ্থ সংস্কৰণ আৰু আন কেতবোৰ প্ৰসঙ্গ পুথি, আলোচনীৰ পৰা আলোচনাটি যুগুত কৰা হ'ল।

## অসমীয়া জাতি আৰু ইয়াৰ ভৱিষ্যত

পবিত্ৰ শইকীয়া
স্নাতক ১ম বাৰ্ষিক

আমি জনাত অসমীয়া জাতিটো অতীত গৌৰৱেৰে পৰিপক্কতা লাভ কৰা জাতি। কিন্তু বৰ্তমান এই জাতিটোৰ নিজস্ব বুলিবলৈ একো-ৱেই নাইকিয়া হৈ পৰিছে। জাতি বা সমাজৰ উৎকৰ্ষ সাধনত যে পৰিবৰ্তন লাগে তাক নুই কৰিব নোৱাৰি যদিও সেই পৰিবৰ্তনে যাতে সেই জাতিটো বা সমাজখনক বিকৃত নকৰে সেইটোও চাব লাগিব। একেষাৰে কবলৈ হলে, "আধুনি-কতাৰ নামত যাতে মৌলিকতাক বিসৰ্জন দিয়া নাযায়" তাকো চাব লাগিব।

আগতেই উল্লেখ কৰা হৈছে যে অসমীয়া জাতিটো পুৰণি গৌৰৱেৰে পৰিপক্কতা লাভ কৰা জাতি। যিকালেই চোৱা গৈছিল সেইকালেই দেখা গৈছিল নিঃস্বাৰ্থ পৰায়ণ দেশপ্ৰেমিকৰ মুখ। অসম বুৰঞ্জীৰ প্ৰতিটো পাততেই গুণানুকীৰ্ত্তন কৰি গৈছে অসমীয়া বীৰৰ বীৰত্বৰ কথা। কিন্তু আজিৰ অসমত সেই বীৰৰ নাতি-পুতিয়ে কি কৰিছে সেইটো বিচাৰ্য্যৰ বিষয়। বৰ্তমান প্ৰতিজন অসমীয়া দেশপ্ৰেমিকৰ (মুখা পিন্ধা) ছায়া মূৰ্তিত দেখিবলৈ পোৱা যায় ব্যক্তিস্বাৰ্থ, সাম্প্ৰদায়িক মনোভাৱ। যাৰ বাবেই আমি আজি নিজকে নিজেই অসমীয়া বুলি কোৱাৰ সাহসকণ হেৰুৱাই পেলাইছো। স্বীকাৰ কৰিব লাগিব যে অসমীয়া মানুহবোৰৰ সাধাৰণতে দয়াবসাগৰ আৰু ইয়াৰ ফলতেই অসমত লোকেই গজালি মেলি বৰগছ হোৱাৰ সুবিধা পালে বিদেশী-বোৰে। তাৰ লগে লগেই আমাৰ অসমীয়া কলা সংস্কৃতি তথা ভাষাবোৰো বিজতৰীয়া হৈ আহিব ধৰিলে।

**অসমীয়া সংস্কৃতিৰ পৰিবৰ্তন তথা বিজ-তৰীয়া ৰূপ ঃ** অসমীয়া সংস্কৃতিৰ প্ৰতীক বিহুলৈ যদি আমি চাওঁ তেনেহলে বৰ্তমানৰ বিহু আৰু অতীতৰ বিহুৰ মাজত যথেষ্ট অমিল পৰিলক্ষিত হয়। যেনে—অতীতত বিহু গাইছিল বা নাচিছিল কোনোবা পথাৰত। ইয়াৰ অৰ্থ আছিল পথাৰৰ উৰ্বৰতা তথা শইচৰ প্ৰাচুৰ্য্যৰ কাৰণে অপৰীৰী এক

শক্তিক সন্তুষ্ট কৰিবলৈ অদৃষ্টবাদী আদিম কৃষি-জীৱি সমাজে বৰষুণ-বতাহৰ অনুকৰণ কৰি পথাৰত নাচিছিল আৰু মানুহৰ জীৱনৰ যি ক্ৰিয়াই নাৰীক সন্তান সম্ভৱা কৰি তোলে সেই আদিম জৈৱিক অভিজ্ঞতা নৃত্যত ৰূপায়িত কৰিছিল। পথাৰ বা মাটিক যে তেওঁলোকে নাৰী বা মাতৃজ্ঞান কৰিছিল, এই কথাই স্পষ্ট কৰি তোলে। কিন্তু বৰ্তমানৰ বিহু হৈছে মঞ্চৰ বিহু আৰু এই বিহু হৈ পৰিছে ব্যৱসায়িক, য'ত ধৰা-বন্ধা নীতি-নিয়ম থাকে (প্ৰতিযোগিতাৰ নীতি-নিয়মৰ কথাকে কোৱা হৈছে)। ইয়াৰ উপৰিও বৰ্তমানৰ বিহু নৃত্যসমূহত পশ্চিমীয়া নৃত্যৰ প্ৰভাৱ পৰা দেখা যায়। যেনে—ব্ৰেক ডেঞ্চ আদি। ঠিক একেদৰেই বিহুৰ খাদ্য-পানীও অতীতৰ লগত নিমিলা হৈ পৰিছে। অতীতৰ তিল পিঠা, নাৰু পিঠা, মাঘবিহুত চুঙাপিঠাৰ কথা বৰ্তমানৰ শিশুসকলে পাহৰিব ধৰিছে নাইবা কোনোৱে দেখিবলৈকে নোপোৱা হৈছে।

সংস্কৃতিৰ প্ৰতীক খেল-ধেমালিৰ ক্ষেত্ৰতো এই একেই অৱস্থাই দেখা দিছে। যেনে—তাহানি আমাকে আদি কৰি আমাৰ উপৰি পুৰুষসকলে শিশু অৱস্থাত কিছুমান অতি আমোদজনক খেল খেলিছিল। সেইবোৰ ক্ৰমে এখন হাতৰ বুঢ়া আঙুলিত সিখন হাতেৰে ধৰি, বহুত হাত গোট খুৱাই এটা দ'ল সাজি কৈছিল—

"এইটো কাৰ দ'ল ?
ৰজাৰ দ'ল।
ভাঙিব পায় নে নাপায় ?
নাপায়।
কলীক মাতিম নে ?
নামাতিবা।
বগীক মাতিম নে ?
নামাতিবা।
কলী উচ, বগী উচ, ঘেকেচ।"

কিন্তু বৰ্তমানৰ কেইজন অসমীয়া শিশুৱে এনেদৰে হাতেসজা দ'ল ভাঙিছে ? আজিৰ অসমীয়া শিশুসকলে খেলিব লৈছে কিছুমান বিদেশী খেল। যাৰ বাবে আজি অসমীয়া সংস্কৃতিৰ বৰ পেৰাটো ক্ৰমান্বয়ে খালী হৈ পৰিছে।

অসমীয়া সংস্কৃতিৰ প্ৰতীক হিচাপে অসমীয়া সাজ-পাৰেও বিশৃত খলকনি লগোৱাৰ উদাহৰণ আছে। আজি অসমীয়াৰ সেই সাজযোৰ ( মুগাৰ মেখেলা চাদৰ) যেন অসমৰেই যাদুঘৰ পাবৰ উপক্ৰম।

ভাষা ঃ অসমীয়া মানুহে বৰ্তমান নিজৰ ভাষাটো কবলৈ লাজ কৰা দেখা যায়। অসমৰ বিভিন্ন প্ৰান্তত দৃষ্টিগোচৰ কৰিলে দেখা যায় যে অসমীয়া মানুহে অনা-অসমীয়াৰ লগত অনা-অসমীয়া ভাষাহে ( হিন্দী, বঙালী ) কৈ গৌৰৱ অনুভৱ কৰে। যাৰ ফলত গোটেই অসমতে অনা-অসমীয়াবোৰে অবাধ গতিত চলা-ফুৰা, বেপাৰ-বণিজ কৰিবলৈ সুবিধা পাইছে।

অসমীয়া মানুহৰ মনোভাৱ যদি এতিয়াই সলনি কৰিব নিবিচাৰি এই একে অৱস্থাৰে গতি কৰি থাকে তেনেহলে আমি আমাৰ দিনতেই অসমৰ ভৱিষ্যত অন্ধকাৰ দেখিম। কালৰ গতিত এই জাতিটো এদিন নিঃচিহ্ন হৈ যাব। নাট্যকাৰ কুশলকৃষ্ণ দেৱগোস্বামীদেৱে তেওঁৰ 'মুক্তি শুনাৰ আত্মজীৱনী' নামৰ একাঙ্ক নাটত লিখাৰ দৰে "ভৱিষ্যত আমাৰ নাতি-পুতিসকলে শত শত অসম বুৰঞ্জীৰ পৃষ্ঠাত পঢ়িবলৈ পাব—অতি পুৰণি কালত ভাৰতৰ উত্তৰ-পূব অঞ্চলত অসম নামৰ এখন ৰাজ্য আছিল। তাৰ মানুহবোৰে নিজৰ জাতীয় চেতনাক কবৰ দি বিকৃত ৰুচিবোধতাক পূজা কৰিবলৈ গৈ নিজেই হেৰাই গৈছিল। সেয়েহে বৰ্তমান মুৰ নাই কিয়া মানুহৰ দেশ বুলি কলে আমি এই দেশখনকে বুজো।"

# কবিতা

তোমাক প্ৰণাম / ১ / শ্ৰীপ্ৰফুল্লকুমাৰ বড়া
পৰিহাস / ২ / শ্ৰীহৰেন্দ্ৰ শইকীয়া
ম্লান সূৰুয / ২ / শ্ৰীদিলীপ কলিতা
প্ৰদুম্ন প্ৰশস্তি / ৩ / শ্ৰীভাস্কৰদীপ শৰ্মা
সিহঁত দৌৰিছে / ৩ / কুমাৰী কল্পনা বৰুৱা
শ্ৰমিক / ৪ / আলতাফ হুছেইন
নৱ আদিত্যৰ নৱ আলোক / ৪ / শ্ৰীযোগেশ্বৰ নাথ
কবিতা তোমাক স্বাগতম / ৫ / মহঃ মুকুট আলী
প্ৰতিবিম্ব / ৫ / শ্ৰীহৰিচন্দ্ৰ চহৰীয়া
কাৰাগাৰৰপৰা প্ৰিয়তমালৈ / ৬ / এম. চালেহউদ্দিন আহমেদ
মৰুভূমিৰ প্ৰান্তে প্ৰান্তে / ৭ / শ্ৰীভবেন্দ্ৰচন্দ্ৰ শৰ্মা
সোণতৰালৈ এখন চিঠি / ৮ / শ্ৰীব্ৰজেন নাথ
হে সময় তোমাক কাবৌ কৰিছোঁ / ৯ / মিছ চালেহা বেগম
সত্বাহীন বিষাক্ত পদাৰ্থ / ১০ / শ্ৰীপবিত্ৰ শইকীয়া
দুটি মিনি কবিতা / ১১ / শ্ৰীগণেশ শৰ্মা
গীত / ১২ / শ্ৰীকোমল হাজৰিকা

# তোমাক প্ৰণাম

শ্ৰীপ্ৰফুল্লকুমাৰ বড়া
স্নাতক ১ম বাৰ্ষিক

তুমি বিলাই দিয়া তোমাৰ সহস্ৰ জ্ঞানৰ শক্তি
উজ্বলি উঠক জ্ঞানৰ দীপ্তি
কলুষিত হৃদয়ত
জ্ঞানৰ কণিকা বিলাই।
নাই তোমাৰ হৃদয়ত কোনো
ভেদাভেদ জাতি-কুল
সকলোকে সমানে লৈছা আকোৱালি
ভাই-ভনীৰ মৰমেৰে সকলোকে
তোমাৰ বুকুত লৈছা আকোৱালি।
তোমাৰ জ্ঞানৰ শক্তিয়ে বহুজনৰ
হৃদয়ৰ ক'লা ভাবৰ বুই নিকা কৰি
উদ্ভাসিত কৰিছে হৃদয়ত
জ্ঞানৰ দীপ্তি।
বহুতৰ ৰঙীণ সপোনবোৰ
বাস্তৱত হওঁক পৰিণত
তোমাৰ আদৰ্শ বিলাই দিয়া
সহস্ৰ জনৰ সুপ্ত হৃদয়ত লুকাই থকা
জ্ঞানৰ কলিটি হওঁক বিকশিত।
তোমাৰ সৃজনি শক্তি বিলাই
পোহৰ কৰা বিদ্যাৰ পৃথিৱী
সহস্ৰ মহাবিদ্যালয়ৰ মাজত
তোমাৰো নামটি উঠক উজ্বলি।



## পৰিহাস

শ্ৰীহৰেন্দ্ৰ শইকীয়া
স্নাতক ২য় বাৰ্ষিক

মোৰ জীৱন কৰিছোঁ পোহৰ
নাহে যদি পুনৰ এন্ধাৰ
মোৰ সপোনৰ মৰমে তোমাক
কেনেকৈ সুঁজিব ধাৰ।
আশাৰ চাকি ধৰি এন্ধাৰ ভেদ কৰি
আহিছোঁ সংসাৰক সাৰটি।
তোমাক কৰিছোঁ। আশা তাতেই মোৰ ভৰসা
নকৰিবা আমাক নৈৰাশ।
নালাগে বহুত ধন লাগে তোমাৰ মন
সেয়ে মোৰ নতুন জীৱন।
গোবিন্দৰ চৰণ মনে কৰোঁ। সোঁৱৰণ
শুদ্ধ হওক তোমাৰ মন। ○

## ম্লান সূৰুয

শ্ৰীদিলীপ কলিতা
প্ৰাক্তন ছাত্ৰ

ক্ষুধাৰ্ত বাঘৰ দৰে
লোলুপ দৃষ্টিৰে
সূৰ্যটো উঠি আহিল
শোষণ অন্যায়ৰ প্ৰতিবাদ কৰিবলৈ।
শোষকক বলি দি
শান্তিৰ পূজা কৰিবলৈ।
তেজত জানো শান্তিৰ বীজ
গজিব পাৰে ?
জুইৰে জানো জুই নুমুৱাব পাৰি ?
ওহো নোৱাৰি।
কিন্তু হুলেৰে হুল কাঢ়িব পাৰি।
সেয়ে অন্যায়ক অন্যায়েৰে
হিংসাক হিংসাৰে যুঁজি
ধ্বংস কৰিবলৈ
সূৰ্যটো আগবাঢ়ি আহিল।
কিন্তু হায়—
উদীয়মান কালতে এচকল
অমঙ্গলীয়া ডাৱৰে আহি
সূৰ্যটো আৱৰি পেলালে।
ম্লান হ'ল প্ৰসৰ জেউতি। ০০০

## প্ৰদুম্ন প্ৰশস্তি

শ্ৰীভাস্কৰদীপ শৰ্মা
স্নাতক ১ম বাৰ্ষিক

নতুন পুৰুষৰ মুষ্টিবদ্ধ দুবাহুত
শত সম্ভাৱনা সেউজ গজালি
বহল বৰিশ্ৰী ক্ষেত্ৰ অঙ্গনত
নতুন প্ৰগতিৰ আদি বীজ
ৰাজকীয় শাসনৰ সিংহ জৰীত
সাহিত্য উদ্যোগ কাৰখানাৰ মিঁচল চিক্ষনি।
দাৱনীৰ হাতৰ শস্যৰ উমত
প্ৰাণোচ্ছল ষোড়শী ৰাগিণী
'কণ মইনাহঁতৰ কণ্ঠ কাকলিত
মানৱ দিনৰ অগ্নিসুৰ'
ইৰাণ ইৰাক কুৱেইট আমেৰিকাৰ
মুক্তি মোৰ যজ্ঞৰ সংসপ্তক সপ্তজিম্বাৰ।
ধুৰলী ভষ্মৰ অনিৰ্বাপিত প্ৰদূষণ
আমাৰ সন্মিলীত কণ্ঠত
একবিংশ শতিকাৰ মুচ্ছল আৰ্তনাদ
সম্ভাৱনাৰ হেলিঅ'চ যন্ত্ৰ উপনিবেশ। ※

## সিহঁত দৌৰিছে

কুমাৰী কল্পনা বৰুৱা
স্নাতক ৩য় বাৰ্ষিক

সিহঁত দৌৰিছে
অসীমলৈ—
সিহঁত দৌৰিছে
দূৰ দিগন্তলৈ।
কিয় দৌৰিছে সিহঁত ?
কি লাগে সিহঁতক ??
পোৱা নোপোৱাৰ
প্ৰাত্যাহিকতাত,
অতীত বৰ্তমানৰ
প্ৰত্যাভিজ্ঞাৰ পৰা পোৱা
তিতা, কেঁহা অভিজ্ঞতাবোৰেৰে
পলোৱা নাইনে সিহঁতৰ
প্ৰাণৰ অন্তিম তৃষ্ণা
০০০০

## সত্বাহীন বিষাক্ত পদাৰ্থ

আমিবোৰ একো একো টোপাল তেজ........
য'ত জিলিকে দেহটো জীয়াই ৰখাৰ সপোন ।

হায়,
তেজৰ টোপালবোৰ যেন নিস্তেজ কৰি পেলালে
এজাক বিষাক্ত ৰতাহে,

কিন্তু,
ৰতাহজাক কোনে বোৱাইছে ?
এবিধ বিষাক্ত পদাৰ্থই
যাৰ কোনো নিজস্ব সত্বা নাই ।

সেয়েহে,
আমি সংকল্প লবৰ হ'ল
এই সত্বাহীন ৰতাহজাক নিঃশেষ কৰিবৰ
আমি বাস্তৱত ৰূপায়িত কৰিব লাগিব
সেই তেজৰ টোপালবোৰৰ
দেহটোক জীয়াই ৰখাৰ সেই সপোনটোক ॥

—০—

শ্ৰীপবিত্ৰ শইকীয়া
স্নাতক ২য় বাৰ্ষিক

Pratima Sharma,
Sipajhar College

## দুটি মিনি কবিতা

শ্ৰীগণেশ শৰ্মা ( উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক )

### উঁশাহ সলালেই

উঁশাহ সলালেই
বন্ধ হৈ যায়—
মোৰ দেশৰ
মাটি,
শব্দ,
ৰতাহৰ গানবোৰ,

উঁশাহ সলালেই
বন্ধ হৈ যায়—
মোৰ দেশৰ—
হত্যা,
লুণ্ঠন,
কেঁচা যৌৱনৰ কলংকবোৰ

আৰু বন্ধ হৈ যায় ।
জিপাচি গাড়ীৰ শব্দবোৰ ০০

### বহাগ অহা সময়তে

বহাগ অহা সময়তে—
মৌনতাৰে—
হৃদয় খলপে খলপে
খহি গ'ল,
ৰাজনীতিৰ জীয়া পথাৰত

বহাগ অহা সময়তে
দগ-বগ তেজত,
নৰ-কংকালৰ প্ৰতিচ্ছবি,
অংকিত হৈ ৰ'ল ।
বহাগ অহা সময়তে
সূৰ্যটো চাকিৰলৈ—
এজাক মানুহৰ সমাগম । ০০

## গীত

এইখন দেশ আমাৰ
কি যে বুনীয়া আছিল
এতিয়া সেই পৰিবেশ নাই
চৌদিশে মানুহৰ শুনো মাথো হাহাকাৰ
সহজ সৰল মনৰ মানুহ দুখৰ নাই পাৰাপাৰ
আয়ে মোৰ কান্দিছে বিনাই ॥

লক্ষী পথাৰ চৰাই পুড়ত
দিপালী ৰৰপথাৰত
শোকার্ত জনতাৰ কান্দোন
আমিবোৰ মানুহৰ মিলামিলি নাই
চিগিছে একতাৰ বান্ধোন
দিও আহা লগে লগাই ॥

শ্ৰীকোমল হাজৰিকা

সিংহাসনত বহি ৰজাই
মিচাই কৰে হায় ! হায় !
ভাল এটা মন লৈ
দেশখন গঢ়িবলৈ
আজি আৰু নাই কোনো নাই
কিয় নাই ? ০০০

## গল্প


বিবর্তন / ১ / শ্ৰীপ্ৰমিলা চহৰীয়া
অপমৃত্যু / ৪ / শ্ৰীমীৰা মেধি
আশীর্বাদ / ৭ / শ্ৰীপূৰ্ণানন্দ দেৱনাথ
নোপোৱাৰ বেদনা / ৯ / মিচ মাকনী বেগম
অঞ্জলীৰ বেদনা / ১৩ / গীতাঞ্জলী ডেকা
আশাৰ পাপৰি / ১৬ / শ্ৰীনীলমণি বৰুৱা
নিয়তিৰ বিধান / ১৯ / মিচ নাজমা বেগম
নির্জনতাৰ চকুলো / ২২ / মহঃ গিয়াচুদ্দিন আহমেদ



# "বিবৰ্তন"


শ্ৰীপ্ৰমিলা চহৰীয়া

উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিক (কলা)


ৰাতিপুৱা সাৰ পাই অনুভৱ কৰিলো খিৰিকীৰ আয়নাৰে পাৰ হৈ অহা ৰ'দৰ কোমল সিৰাবোৰে মোৰ দেহ চুই গৈছে। কোঠাটোত সদ্যজাত পুৱাৰ স্মিত কিৰণ। বেৰত আৰি থোৱা ফটোকেইখন আৰু টেবুলৰ ওপৰৰ কিতাপবোৰৰ পৰা চিটিকি আহিছে যেন ৰ'দৰ ঝিলিকবোৰ। মই নিৰৱে নিঃসাৰ হৈ ৰ'লো।

ইতিমধ্যে আমাৰ ঘৰখন, চুবুৰিটো সাৰ পাই উঠিছে। বিচনাত পৰি থাকিয়ে শুনিব পালো চুবুৰীয়া দমকলটোৰ পৰা পানী নিবলৈ অহা মাইকী মানুহবোৰৰ উচ্চ কণ্ঠৰ কথা-বতৰা, কলহ-বাল্টিৰ সংঘৰ্ষত সৃষ্টি হোৱা তীক্ষ্ণ ধাতৱ শব্দ। সন্মুখৰ বাৰান্দাখনৰ পৰা ভাঁহি আহিল পিতাৰ গুড়গুড়ি হোকাৰ 'গুড়-গুড়-গুড়' শব্দবোৰ ; ককাইদেউৰ ঘৰৰ পৰা কণমাণি ছোৱালীজনীৰ কান্দোনৰ লগতে উচ্চ কণ্ঠৰ নিচুকনিবোৰ চিটিকি ওলাই আহিছে। ৰাস্তাটোৰ সিপাৰে থকা আধা পাগলী বুঢ়ীজনীৰ অশ্লীল শব্দেৰে ওচৰ চুবুৰীয়াক চিঞৰি চিঞৰি পৰা গালিবোৰ আহি কাণত তীক্ষ্ণ ছুৰীৰ দৰে আঘাত হানিছে। চুবুৰিটোত থকা এপাল ল'ৰা-ছোৱালীৰ পঢ়াবোৰে চিঞৰি চিঞৰি পঢ়িছে আৰু নপঢ়াবোৰে ৰাস্তাত আহি কোহৰাল পাতিছে। এটা গতানুগতিক দিনৰ বিৰক্তিকৰ আৰম্ভণি। তথাপি প্ৰতিটো পুৱাই ইমান নতুন যেন বোধ হয় এনে বিশৃংখল চিঞৰ-বাখৰৰ মাজতো।

বৌৰ মাতত উচপ্ খাই উঠিলো। ঘড়ীটোলৈ চালো ছয় বাজি গ'ল। বাহিৰলৈ ওলাই আহিলো এটা নতুন দিনক স্বাগতম জনোৱাৰ মানসেৰে। মুখ ধুই চাহ জলপান খাই পঢ়াৰ টেবুলত বহিলো। কিতাপ এখন মেলি ললো Educationৰ। নাই কোনোপধ্যেই মন বহুৱাব পৰা নাই। বিভিন্ন চিন্তাই জুমুৰি দি ধৰিছেহি। সময়বোৰ পাৰ হৈ গ'ল। Collegeলৈ যাবৰ সময়েই হৈ আহিল। Collegeলৈ যোৱাৰ ইচ্ছাকণ প্ৰায় নোহোৱাই হৈছে। সদায় একেই কথাবোৰ— কোনে কাৰ মন পাবলৈ কি কৰিলে ; নতুনকৈ অহা ডেকা চাৰজন আৰু গাভৰু বাইদেউজনীক লৈ বিভিন্ন বু-বু-বা-বা ; কাৰ শাৰীখন বা কাৰ ড্ৰেচযোৰ

বেছি ভাল লাগিছে ইত্যাদি ইত্যাদি। পঢ়াৰ বিষয়ে বা সাম্প্ৰতিক দেশৰ ৰাজনৈতিক, অৰ্থনৈতিক আদিৰ বিষয়ে আলোচনা কৰাৰ আহৰি তথা 'মুদ' কাৰোৱেই নাই। ভৱিষ্যতে এজন দেশৰ সু-নাগৰিক হোৱাৰ ইচ্ছা সকলোৰে আছে যদিও তাৰ বাবে কৰণীয়খিনিৰ সম্পৰ্কে আলোচনাই আমাৰ ডেকা ল'ৰা-ছোৱালীবোৰৰ মাজত ঠাই নেপায়। Collegeত থকা দিন কেইটাত কোনোবা এজনী ছোৱালী বা এজন ল'ৰাৰ প্ৰেমত পৰি 'জয়াই' থকাতেই সিহঁতৰ মানসিকতা যেন সীমা বদ্ধ। এইটো যেন এটা পৰম্পৰাগত নিয়মহে। Collegeলৈ যাওঁতে সদায় দেখা পাওঁ কেইজনমান চিনেমাৰ 'Hero' সদৃশ ডেকাক। সিহঁতে Collegeৰ কাষৰ দোকানখনৰ আগত সদাগৰ বাপেকহঁতে কিনি দিয়া মটৰ চাইকেলত বহি চিগাৰেট হুপি থাকে। Collegeৰ ছোৱালীবোৰক সিহঁতে জোকায়। ধুনীয়া ছোৱালীবোৰক একেবাৰে ওচৰলৈ গৈ অশ্লীল শব্দেৰে জোকায়। সিহঁতক কিবা কোৱাৰ সাহস কাৰো নাই। কেতিয়াবা গালি পাৰি দিয়াৰ প্ৰবল ইচ্ছা হয় যদিও আমাৰ ঘৰৰেই গায়ত্ৰীৰ কথা চিন্তা কৰি যথেষ্ট যত্নৰে মনটোক দমাই ৰাখো। গায়ত্ৰী দেখাত ধুনীয়া আৰু যথেষ্ট শান্ত ছোৱালী আছিল। অসহ্য হৈ এদিন তাই সিহঁতক গালি পাৰি দিছিল। ফলস্বৰূপে তাই যোৱাবাৰ College Weekৰ সংগীত প্ৰতিযোগিতাত সৰ্বত্ৰ হেকৰাবংগীয়া হ'ল। Collegeলৈ তাই আৰু আহিব নোৱাৰিলে। ল'ৰা কেইজনৰ কিন্তু একো নহ'ল। সিহঁত ধনী ঘৰৰ ল'ৰা। টকাৰেই সকলো মচি পেলালে।

হঠাৎ Wall Clockটোৰ শব্দত সম্বিত ঘূৰি আহিল। নটা বাজিলেই; দহটাত class আছে। খৰ-খেদাকৈ গা-পা ধুই ভাত পানী খাই ওলালোঁ। ওচৰৰেই বিমলিৰ লগত College-অলৈ যোৱা ৰাস্তাত উঠিলোঁ। Collegeৰ ওচৰ পাই দেখিলো দোকানখনৰ সন্মুখত ল'ৰা-কেইজন আজি নাই। আচৰিত হৈ বিমলিক সুধিলো—

"এই বিলি, আজি ইহঁত ক'ত গ'ল?"

"অ', তোক ক'বই পাহৰিছিলো। কালি গধূলি দাদাই ক'লে যে ল'ৰাকেইজনক হেনো আত্মগোপন-কাৰী উগ্ৰপন্থী দল এটাই ধৰি নিলে।" "তাইৰ উত্তৰত কিছু সকাহ পালো। অন্ততঃ সংগঠনটোৰ হাতত সিহঁতে কিছু Punishment পাব আৰু চৰিত্ৰৰ সংশোধন হ'ব। Collegeত সকলোৰে মুখত অপহৰণটো লৈ বিৰাট আলোচনা। কেনেকৈ সিহঁতক গাড়ীত ভৰাই লৈ গ'ল, কি কৰিব পাৰে এই লৈ সৰস আলোচনাই College-অত এক বিশেষ ধৰণৰ পৰিবেশ সৃষ্টি কৰিলে। দুই এটা ল'ৰাই ছোৱালীবোৰৰ মাজত বহি বিক্ৰমদাৰে Lectur মাৰিছে যেন সিহঁতেহে অপহৰণ কৰিলে।

"তই ঘৰলৈ যাবিনে? ১-৩৫ৰ classটো নকৰো। যাব যদি ব'ল।" ওচৰৰ ছোৱালীৰ জুমটোৰ পৰা ওলাই আহি বিমলিয়ে সুধিলে।

"মই অলপ লাহে লাহে যাম, তই যাগৈ।" তাইক বিদায় দি মই বহি থকা খটখটিটোতে একেদৰেই বহি ৰ'লো। মোৰ চাৰিওফালে লক্ষ্য কৰিলোঁ। Collegeখনৰ পঢ়াৰ পৰিবেশ প্ৰায় নোহোৱাই হৈছে। এক শিথিল পৰিবেশ। কাৰো যেন এটা সুস্থ পৰিবেশ গঢ়াৰ আগ্ৰহ নাই।

"এই, তই ইয়াত অকলে অকলে বহি কি চিন্তা কৰি আছ? কোনোবা ডেকাৰ প্ৰেমত পৰা নাইতো? বাদদে তোৰ দ্বাৰা প্ৰেম নহ'ব" ৰঞ্জীয়ে পিচফালৰ পৰা আহি এটা চাপৰ মাৰি দিলে।

"নহয় অ', বেলেগ কথা এটাহে চিন্তা কৰিছোঁ। এই চা তোৰ Collegeখনৰ—

"থৈ দে তোৰ যা-তা চিন্তা-চিন্তাবোৰ শৃংখলিত কৰ; আমি সকলো সংগঠিত হ'ব লাগিব" বুজিলো ৰঞ্জীয়েও কিছু চিন্তা কৰিছে। ভালেই লাগিল।

"বাৰু মই যাওঁদে, কাইলৈ ল'গ পাম; বাই" ৰঞ্জীক তাতে এৰি ঘৰলৈ বুলি খোজ ললো।

অকলসৰে খোজ কাঢ়ি কেতিয়াবা সঁচাই বৰ ভাল লাগে। সীমাহীন বাধাহীন চিন্তা—আশা-আকাংক্ষা আৰু যে কত কি—"ভণ্টি" উচপ্ খাই ঘূৰি চালো সেই লৰা কেইজন, মলিয়ন মুখ, এক সংকোচ ভাৱেৰে থিয় হৈ আছে। মোক বিব্ৰত হোৱা দেখি সিহঁতৰ এজনে কলে—"ভয় নকৰিবা, আমি আজি তোমাৰ ওচৰত ক্ষমা বিচাৰিহে আহিছো। আমি জানো তোমালোকে আমাক ক্ষমা কৰিব নোৱাৰিবা। আমি বহুত বেয়া কাম কৰিলোঁ। কিন্তু দুনাই কোনোদিনে ভৱা নাছিলো আমি কি কৰি আছো। যুৱ মানসিকতাৰ ওপৰত লিখা তোমাৰ প্ৰবন্ধটো আমি পঢ়িছিলো; কিন্তু আত্মসমালোচনাৰ দ্বাৰা আমি কোনোদিনেই উপলব্ধি কৰিব পৰা নাছিলো যে আমিয়েই যুৱ মানসিকতা অধঃপতনৰ একোটা বৃহৎ উদাহৰণ বুলি।"

"দাদা" অজানিতে মুখৰ পৰা ওলাই আহিল। দুচকুৰে দুধাৰি আনন্দাশ্ৰু বৈ আহিল।

"এখন নিকা সমাজ গঢ়াত আমাৰ দৰে তৰুণ তেজৰ প্ৰয়োজনীয়তা কিমান আজিহে অনুভৱ কৰিলোঁ। তুমি লিখি যোৱা, আমি তোমাৰ লগত থাকিম"—ল'ৰাকেইজন লাহে লাহে মোৰ পৰা আঁতৰি গ'ল। হঠাৎ যেন মোৰ মনটোক কোনো-বাই জোকাৰি দিলে। এনে লাগিল জটিল জটিল লগা সঁাথৰ কিছুমানৰ উত্তৰ যেন মোৰ সমীপত এজাক প্ৰচণ্ড পচোৱাৰ পাছত অহা বৰষুণ এজাক বায়ুমণ্ডলত আনি দিয়া নিৰ্মলতাৰ দৰে অনুভূতি এটাই মোক গ্ৰাস কৰিলে। অশৃংখলিত জীৱনৰ অন্ত পেলাই নতুনত্বক আকোৱালি লোৱা সেই ল'ৰাকেইজনলৈ মই একেথৰে চাই ৰলো। গায়ত্ৰীলৈ মনত পৰিল। এক বুজাব নোৱাৰা সীমাহীন আনন্দত সিহঁতৰ ঘৰলৈ বুলি খোজ পেলালো।

## নীতিবচন

তুমি যেতিয়া জন্মিছিলা তুমি কান্দিছিলা; কিন্তু আনসকলে হাঁহিছিল। কিন্তু তুমি জীৱনত এনে কিছুমান কাম কৰা যাৰ দ্বাৰা তুমি পৃথিৱীৰ পৰা হাঁহি হাঁহি আঁতৰি যাবা আৰু আনবিলাকে যেন কান্দি উঠে।

—তুলসী দাস



# অপমৃত্যু

শ্ৰীমীৰা মেধি
স্নাতক তৃতীয় বাৰ্ষিক

স-শব্দে গাড়ীখন আহি ৰৈ গ'লহি অমূল্য চলিহাৰ পদূলীমুখত। গাড়ীৰ শব্দ শুনি চলিহা, চলিহা-পত্নী আৰু অৰূপ ওলাই আহিল। গাড়ীখনৰপৰা ছয়জন যুৱক নীৰৱে নামি পৰিল। যুৱক কেইজনৰ মুখ কেইখনলৈ চাবই নোৱাৰি যেন বাৰিষাৰ এচপৰা ক'লা ডাৱৰহে। চলিহা পৰিয়ালক দেখি সিহঁতে তন্ময় কৰিলে। আসন্ন বিপদৰ কথা গম পাই অৰূপ গাড়ীখনৰ ওচৰলৈ আগবাঢ়ি গ'ল। সি গাড়ীখনৰ ভিতৰলৈ চালে। ভিতৰত শুভ্ৰ বগা কাপোৰেৰে থকা নিৰ্জীৱ মৃত দেহটো দেখি তাৰ অন্তৰত এছাটি বিদ্যুৎ প্ৰবাহ বৈ গ'ল। লগে লগে সি চিঞৰি উঠিল - অতনু অতনু! তাৰ চিঞৰত উচপ খাই উঠিল চলিহা আৰু তেওঁৰ পত্নী। তেওঁলোক দৌৰি গ'ল গাড়ীখনৰ কাষলৈ আৰু গাড়ীখনৰ ভিতৰত থকা অতনুৰ নিৰ্জীৱ মৃতদেহটো দেখি তেওঁলোকো চিঞৰি উঠিল। লগে লগে গাড়ীৰ শব্দ শুনি গোটেই খোৱা মানুহে চলিহাহঁতক ধৰি ঘৰলৈ লৈ গ'ল। গাঁৱৰ যুৱক কেইজনমানৰ সৈতে লগলাগি গাড়ীত থকা যুৱক কেইজনে ধৰাধৰিকৈ অতনুৰ মৃত দেহটো চোতাললৈ আনিলে। শোকাভিভূত চলিহাই কিবা এষাৰ সুধিবলৈ বিচাৰোতেই গাড়ীত অহা যুৱক এজনে ক'লে—"অতনুৱে আত্মহত্যা কৰিলে।" চলিহা ঠাইতেই মুচ্.কচ্. গ'ল। চলিহা পত্নীয়েও অতনুৰ মৃতদেহটোৰ ওপৰত পৰি বুকু ভুকুৱাই—'সোণ মোৰ ক'লৈ গ'ল' বুলি কান্দি কান্দি জ্ঞানশূন্য হৈ গ'ল আৰু অৰূপ। সি বাক্.হীন হৈ গ'ল। তন্দ্ৰাগ্ৰস্ত হৈ সি ঠাইতে বহি পৰিল। তাৰ তন্দ্ৰাগ্ৰস্ত মনত ভাহি উঠিল সিহঁতৰ জীৱন ইতিহাসৰ স্মৃতিৰ সফুঁৰা ; অতনুৰ ৰিজাল্টৰ দিনৰ মধুৰ স্মৃতি—

অতনু, তোৰ ৰিজাল্ট আনিলো। মাক সোনকালে চাহ মিঠাইৰ যোগাৰ কৰিবলৈ কোৱা আকৌ।

ককায়েকৰ মাত শুনি অতনু, মাক আৰু অপৰাজিতা দৌৰি বাৰান্দা পালেহি। অতনুৱে উদ্বিগ্ন হৈ সুধিলে -'ককাইদেউ ভালদৰে কোৱাচোন ৰিজাল্ট কি?'

অৰূপ : অতনু, তই 1st Division পাই English আৰু Logicত লেটাৰ মাৰ্ক পাইছ।

ৰিজাল্ট শুনি মাকৰ চকুৰে দুধাৰি আনন্দাশ্ৰু বৈ গ'ল। অৰূপে সস্নেহেৰে মাকক ক'লে—'মা আগতে চাহ মিঠাই পিছতহে এইবোৰ।' বুলি কৈয়েই সি অতনুক টানি ভিতৰলৈ লৈ গ'ল। মাক আৰু ভনীয়েকো পিছে পিছে গ'ল। অৰূপে এইবাৰ ভানীয়েকৰ ফালে চাই ক'লে—

'জিতা, অতনুৱে আমাক আজি পাৰ্টি দিব লাগে নে কি কোৱা?' জিতাইও ককায়েকৰ কথা সমৰ্থন কৰি ক'লে—'অ-তো।' এইবুলি তাই 'পাৰ্টি যোগাৰ কৰিবলৈ মাকৰ সৈতে হাঁহি হাঁহি পাকঘৰলৈ গ'ল।

দেউতাক চলিহা সেই সময়ত অফিচৰ কামত ব্যস্ত আছিল। আবেলি ৪ বজাতহে তেওঁ ঘৰ পালেহি। তেওঁ অফিচতেই অতনুৰ ৰিজাল্ট পাইছে। অকল পোৱাই নহয় তেওঁৰ লগৰ চৌধুৰী, শৰ্মা, বৰুৱা, হাজৰিকা আৰু আহমেদক তেওঁলোকৰ এবাৰ নোৱাৰা অনুৰোধত পাৰ্টি দিও আহিছে। অৱশ্যে ঘৰলৈও তেওঁ শুদাহাতে অহা নাই। মিঠাইৰ টোপোলা এটিও লৈ আহিছে। এনেদৰে আনন্দৰ মাজেৰেই দিনটো কালৰ গৰ্ভত লীন গ'ল। পিছদিনাখন গধূলি অতনুৱে দেউতাকক তাৰ উদ্দেশ্যৰ কথা জনাইছিল যে সি ইঞ্জিনিয়াৰিং, পঢ়িব বিচাৰে। দেউতাক আছিল সৎ, উচ্চ আদৰ্শবান মানুহ। তেওঁৰ ধনৰ দুখীয়া আছিল যদিও মনৰ দুখীয়া কাহানীও নাছিল। সেয়ে অতনুৰ উৎসাহত চেচা পানী ঢালিব তেওঁ বিচৰা নাছিল। নানান কষ্ট কৰি বন্ধু-বান্ধৱৰ পৰা ধাৰ ঋণ লৈ হলেও তেওঁ অতনুক যোৰহাটৰ ইঞ্জিনিয়াৰিং কলেজত নাম ভৰ্তি কৰাইছিল। অতনুও দেউতাকৰ দৰে উচ্চ আদৰ্শৰে আদৰ্শান্বিত আছিল। সিও দেউতাকৰ দৰে নিস্বাৰ্থভাৱে সমাজৰ কাম কৰি যাব বিচাৰিছিল। অৱশ্যে অৰূপ অতনুতকৈ কিছু বেলেগ আছিল। সিওঁ সৰুৰে পৰা দেউতাকৰ উচ্চ আদৰ্শৰ লগত পৰিচিত হৈ আহিছে। সি B.Sc. তৃতীয় বাৰ্ষিকৰ ছাত্ৰ আৰু অপৰাজিতা ক্লাছ টেইনৰ ছাত্ৰী।

দিন বাগৰিল সময়ৰ সোঁতত। P. U পঢ়ি থকা অৱস্থাতেই সুবিধা পাই অপৰাজিতাক বিয়া দি পেলালে। অৰূপেও B.Sc. পাছ কৰি চাকৰি বিচৰাত লাগিল। আৰু সৌভাগ্যক্ৰমে গাঁৱৰ হাইস্কুলখনৰ কেৰাণী পদটো খালী হোৱাত সি সেই পদটো পালে। ককায়েক আৰু দেউতাকৰ নিস্বাৰ্থ খৰচত অতনুৱে এদিন ইঞ্জিনিয়াৰিঙৰ শেষ পৰীক্ষা দি ঘৰলৈ ওভতি আহিল। ঘৰলৈ আহি সি এনেয়ে বহি নাথাকিল। সিহঁতৰ গাঁৱত থকা দুৰ্নীতিবোৰ ভঙাৰলৈ উঠি-পৰি লাগিল। এই ক্ষেত্ৰত দেউতাকৰ পৰাই সম্পূৰ্ণ সহযোগ পালে। গাঁৱৰ

শোষণৰ ৰৰপেৰাৰূপী মেদবহুল মহাজন, তেজপীয়া ৰূপী মৌজাদাৰ আৰু ঠিকাদাৰ মহৰীসকলৰ উৎপাতত দুখীয়া দৰিদ্ৰ শ্ৰেণীৰ যি বিলাই বিপত্তি হৈছিল তাৰ বিৰুদ্ধে অতনুৱে মাত মাতিছিল। ফলস্বৰূপে সি দুখীয়া জনগণৰ যিমান ওচৰ চাপি গৈছিল, ধনী শোষক শ্ৰেণীৰ পৰা সিমান আঁতৰি গৈছিল। এনে সময়তে এদিন তাৰ ৰিজাল ওলাল। সি সুখ্যাতিৰে প্ৰথম বিভাগত ইঞ্জিনিয়াৰিং পৰীক্ষা পাছ কৰিলে। চাকৰিৰ কাৰণে সি বেছি কষ্ট কৰিবলগীয়া নহ'ল। ডিব্ৰুগড়তেই পোষ্টিং হৈ গ'ল। এয়া যেনিবা চাকৰিৰ পোষ্টিং নহয় দেশসেৱাৰ এটি সুচল পথহে ওলাল অতনুৰ কাৰণে। প্ৰথমে সি মথাউৰি এটি মেৰামতি কৰাৰ কাম পালে। নিস্বাৰ্থ ভাৱে সি কামত লাগিল। কিন্তু ঠিকাদাৰ মহৰীসকলে মথাউৰি বান্ধিবলৈ অনা বস্তু আত্মসাৎ কৰিবলৈ বিচাৰি তাৰ ঠাইত কলগছ, জাবৰজোথৰেৰে মথাউৰি মেৰামতি কৰি দৰিদ্ৰজনগণক ভুৱা দিবলৈ বিচাৰিছিল। এই ক্ষেত্ৰত সিহঁতে ইঞ্জিনিয়াৰ অতনু চলিহাৰ পৰা সমৰ্থন আদায় কৰিবলৈ টকাৰ লোভ দেখুৱাইছিল। সিহঁতে তাক টকাৰে সন্তুষ্ট কৰিব বিচাৰিছিল। কিন্তু অতনুৱে মুক্ত কণ্ঠে এই দুৰ্নীতিবোৰৰ প্ৰতিবাদ কৰি ঠিকাদাৰ, মহৰীসকলক বুজাইছিল সমাজৰ স্বাৰ্থৰ কথা। ঠিকাদাৰ মহৰীসকলক অতনুৱে কৈছিল—"ভাইসকল, তোমালোকে এইবোৰ দুৰ্নীতি কৰি কাৰ অপকাৰ কৰিছা তাক এবাৰ ভাবি চাইছানে? তোমালোকৰেই মাতৃ, ভ্ৰাতৃ, ভগ্নী এই দুৰ্নীতিত বিলুপ্ত হোৱা নাইনে? সেয়ে তোমালোকৰ এই দুৰ্নীতি পূৰ্ণ কামবোৰ মই কেতিয়াও সমৰ্থন কৰিব নোৱাৰো। মই আশা ৰাখিছো তোমালোক সকলোৱে নিস্বাৰ্থভাৱে দেশ মাতৃৰ হকে কাম কৰি যাবা।" এনেকৈ অতনুৱে দিয়া এই এটি সৰুসুৰা লেকচাৰত ঠিকাদাৰ, মহৰীসকল ক্ষুণ্ণ হৈছিল। সিহঁতে মন্তব্য কৰিছিল 'প্ৰথমতে সকলোৱে এনে কৰেই। দুদিন পিছতেই ঠিক হৈ যাব।' কিন্তু অতনু এই সকলোৰে দৰে একে ধাতুৰে গঢ়া নাছিল। সেয়ে সি ঠিক হৈ নগ'ল! ফলস্বৰূপে সি সিহঁতৰ অপ্ৰিয়ভাজন হবলৈ ধৰিলে। ওপৰলৈ লিখিও সি কোনো সুফল নাপালে। ডিব্ৰুগড়ৰ পৰা দেউতাকলৈ লিখা চিঠিত সি এই সকলোবোৰ কথা লিখিছিল। সি অসহায় অনুভৱ কৰিছিল। কিন্তু সাহস হেৰুৱা নাছিল। দুৰ্নীতিলৈ পিঠি দি সি নিজৰ কামত অগ্ৰসৰ হ'ল আৰু এনে অৱস্থাতে এদিন তাৰ মৃতদেহ ওলমি থাকিল তাৰ বাসভৱনৰ সন্মুখত থকা গেৰেজটোত।

..........তন্দ্ৰামগ্ন অৱস্থাতেই ইতিহাসৰ স্মৃতি জড়িত পাতখিলা সমাপ্ত কৰি অৰূপে চিঞৰি উঠিল—মাই, মাই অতনুৱে কেতিয়াও আত্মহত্যা কৰা নাই। তাক হত্যা কৰা হৈছে। কিন্তু কিয় তাক হত্যা কৰা হ'ল? কিয় তাৰ আজি এই অপমৃত্যু হ'ল? কিয়? কিয়??



# ভুল কাৰ ?



ৰচনা—
মিচ নিৰ্মালী নাথ
স্নাতক ২য় বাৰ্ষিক

**চৰিত্ৰসমূহ—**

১ | মিতালী দুৱৰা ( ২০ বছৰীয়া বিধবা )
২ | ৰূপা বৰুৱা ( ২০ বছৰীয়া ছোৱালী )
৩ | স্বপ্নালী বেজবৰুৱা ( ২০ বছৰীয়া ছোৱালী )
৪ | মামণি ৰাজবংশী ( ২০ বছৰীয়া ছোৱালী )
৫ | সবিতা বৰা ( ২০ বছৰীয়া ছোৱালী )

## নাটকীয় সা-সৰঞ্জাম

বজালী কলেজ । ছোৱালী হোষ্টেলৰ এটি কোঠা । কোঠাটোত চাৰিখন সুসজ্জিত চকী, এখন বিচনা আৰু এখন মেজত কেইখনমান কিতাপ থোৱা থাকে । লগতে কিছুমান সাগতিয়াল বস্তুও সজোৱা থাকে । আঁৰ কাপোৰ টনাৰ লগে লগে দেখা যায় এখন চকীত বহি ৰূপাই এখন উপন্যাস পঢ়ি থাকে । এনেতে মিতালীক মাতি মাতি বাহিৰৰপৰা স্বপ্নালী প্ৰবেশ কৰে ।

স্বপ্নালী ঃ মিতালী, অ' মিতালী ! অ' আহ, এইজনীচোন কামতেই নাই। ( পিচফালৰপৰা ৰূপাৰ চকু দুটা স্বপ্নালীয়ে হাতেৰে ঢাকি ধৰে )

ৰূপা ঃ এই, কোন এইজনী ? ( হাতে'ৰ খেপিয়াই ) ভালে ভালে এৰি দে। এৰি দে, এৰি দে। নহলে কিন্তু.........কথা বেয়া হব দেই।

স্বপ্নালী ঃ বাঃ একেবাৰেই গৰম দেখোন ?

ৰূপা ঃ ( চকীত বহি ) নহম কিয় ? মাত নাই, বোল নাই খপ্‌কৈ চকুকেইটাত ধৰিছহি। ভয় খাই গৈছিলো দেই।

স্বপ্নালী ঃ ভয় কৰিবিতো। তোৰ যে আৰু কাণ দুখন ইমান কলা। সেয়েহে মানুহে মাতি থাকিলেও শুনিবি আৰু মিছাতেই আনক দোষ দিবি। নহয় জানো ?

ৰূপা ঃ তইনো কেতিয়া মাতিছিলি ?

স্বপ্নালী ঃ তই যিহে আৰামত পঢ়ি আছ নহয়, আনে মাতিলে ক'ত গম পাবি ?

ৰূপা ঃ নহয় অ', মানে কিতাপখন পঢ়ি খুব interest লাগিছে।

স্বপ্নালী ঃ কি কিতাপনো ? চাওঁ, দেখোন। ( কিতাপখন হাতত লৈ ) অ' প্ৰেমৰ উপন্যাস। আচ্ছা, এই কিতাপখন প্ৰকাশ হবলৈতো বেছি দিন হোৱা নাই ? তই হব পাই কিনিলিয়েই ? বেলেগ দেই.........।

ৰূপা ঃ ধেৎ, এইখন মোৰ কিতাপ নহয় অ'। আজি ক্লাচলৈ যাওঁতে ৰূপম বৰুৱাই এইখন আনিছিলে আৰু তাৰপৰাহে মই আনিছোঁ।

স্বপ্না ঃ অ' তাকেই নোকোৱা কিয় ? ( দীঘলীয়া হাঁহিৰে ) ৰূপম বৰুৱাৰ কিতাপ যেতিয়া আনৰ বেয়া হলেও তোৰ ভাল লাগিবই। নে কি বাৰু ?

ৰূপা ঃ কোনো নহয় স্বপ্না, ( খঙেৰে ) মোৰ খং তুলিবলৈ যত্ন নকৰিবি দেই।

স্বপ্না ঃ মুখেৰে কৈছ আৰু পেটেৰে চাগে ভালেই লাগিছে। নহয় ?

ৰূপা ঃ অ'ই, কবলৈ যদি কথা নাই মনে মনে থাক। যা-তা কথাবোৰ কৈ নাথাকিবি বুজিছোঁ।

স্বপ্না ঃ আচ্ছা, ঠিক আছে, তোক আৰু নকওঁ বাৰু। পিচে হেৰি অ' ৰূপা, এই মিতালীজনী গ'ল ক'লৈ ?

ৰূপা ঃ তাই আজি কলেজৰপৰা অহাই নাই। কিয়, আজি দেখোন মিতালীৰ খবৰ বৰকৈ সুধিছ ?

স্বপ্না ঃ তহঁতৰ দৰে আমাৰ একো কথা নাথাকে অ'। তাইৰ ওচৰলৈ মই এখন বহী নিবহে আহিছোঁ।

ৰূপা ঃ এৰা, চোকা ছোৱালীৰ কথাতো....। কথাই বেলেগ।

স্বপ্না ঃ Insult কৰনো কিয় ? ( স্বপ্নালীয়ে মেজৰপৰা বহীখন নিবলৈ বিচাৰে, এনেতে ৰূপাই মাত লগায় )

ৰূপা ঃ লোকৰ কিতাপ চুইছ যেতিয়া ভালকৈ থবি কিন্তু।

স্বপ্না ঃ তই এনেয়ে পেকপেককৈ নাথাকিবিচোন। ( স্বপ্নাই কিতাপবোৰৰ মাজৰপৰা এখন নীলা খামৰ চিঠি উলিয়াই আনে, এনেতে এখন ফটো সৰি পৰে। ফটো কপিলৈ চাই ) অ' ৰূপা, এটা বস্তু পাইছোঁ ভাই। বঢ়িয়া বস্তু।

ৰূপা ঃ কি বস্তু চাওঁ। ( চাব খোজে )

স্বপ্না ঃ বৰ interesting বস্তু দেই।

ৰূপা ঃ বাঃ ইমান interesting বস্তু, চাওঁ দেচোন।

স্বপ্না ঃ ইস্, ৰাম ! মিতালীকতো মই এনে বুলি ভবাই নাছিলো। দেখাত বৰ গহীন যেন লাগে, নহয় ?

ৰূপা ঃ অহো, নমতা গৰুৱে গু খায় বুলি তই নাজান নেকি ? কিটো হব আৰু।

স্বপ্না ঃ বাঃ কিৰণ বৰুৱা। উজান বজাৰ, গুৱাহাটী-১ Addressটো খুউব ভাল লাগিল দেই।

ৰূপা ঃ কি, নামটো আকৌ মাতচোন।

স্বপ্না ঃ কিৰণ বৰুৱা। উজান বজাৰ।

ৰূপা ঃ দেচান খুলি চাওঁ।

স্বপ্না ঃ নাই নাই ভাই, এতিয়া নোখোলোঁ। By chance, যদি তাই আহি পায় ? বৰ বেয়া কথা হব দেই।

ৰূপা ঃ এৰা, তই ঠিকেই কৈছ। কিয়, অলপ পিচত তাই আহি পালে দেখোন তই ফুৰিবলৈ তাইক লৈ গলে, মই চাব পাৰিম।

স্বপ্না ঃ অ' তই আজ্ঞাদিত পঢ়ি থাকিবি আৰু মই ক'ৰবাতেই পৰি থাকিম।

ৰূপা ঃ নহয় অ', মই পঢ়ি উঠিতো তোক সকলো কব পাৰিম। হব নে নহয় ?

স্বপ্না ঃ আচ্ছা, এতিয়া মই যাওঁ, O.K.

ৰূপা ঃ O.K. কিন্তু নহাকৈ নাথাকিবি দেই।

স্বপ্না ঃ বাৰু হব। ( ওলাই যায় )

( ৰূপাই কিতাপখন হাতত লৈ আকৌ পঢ়িবলৈ আৰম্ভ কৰে। এনেতে মিতালীৰ প্ৰৱেশ। ৰূপাই চকীত বহি চিন্তাত মগ্ন হৈ পৰে )

মিতালী ঃ কি অ' ৰূপা ? কিহত ইমান মগ্ন ?

ৰূপা ঃ নাই, নাই একোতে মগ্ন হোৱা নাই মিতি। আজি classৰপৰা আহোঁতে ৰূপম বৰুৱাৰ পৰা এখন উপন্যাস লৈ আহিছোঁ। আধা পঢ়া হ'ল। খুব ভাল লাগিছে পিচে তই এতিয়াহে আহিলি, একো খোৱা নাই হব পায় ?

মিতালী ঃ খাবলৈ একেবাৰে মন নাই। নাখাওঁ দে।

ৰূপা ঃ মন নাযাবলৈ কি হৈছে তোৰ আকৌ ?

মিতালী ঃ মোৰ কি হৈছে, তই কি বুজিবি ? ( দীঘল হুমুনিয়াহ কাঢ়ি কয় )

ৰূপা ঃ থৈ দে তোৰ কথাবোৰ। গাজা মাৰিবলৈ আহিছ। মই জানো বুজাহে নাই ! তোৰ নিশ্চয় মনৰ অসুখ হৈছে, নহয় ? সঁচা কথা কোৱাই ভাল। যদি তই কাৰোবাৰ প্ৰেমত পৰিছ, তেন্তে কোৱা নাই কেলেই ? হবই ভাই, college lifeটো যদি এনেকুৱাই নহয়, তেন্তে হব কেতিয়া ?

মিতালী ঃ ৰূপা, কাক কেনেকৈ কথা কব লাগে, তাক তই আজিও নাজান নহয় ? আজি তিনি বছৰে মোৰ লগত থাকিও এই মিতালী দুৰবা কোন চিনি নাপালি ? তই কি বুজিবি ? তোৰ দৰে এশজনীয়েও এই মিতালীৰ জীৱনটোক বুজিব নোৱাৰে।

ৰূপা ঃ ধেমালিতে কিবা এটা কলেও ইমান বেছি serious নহবিচোন মিতি।

( স্বপ্নালীৰ প্ৰৱেশ )

স্বপ্না ঃ এই, তহঁতৰ হৈছে কি ?

ৰূপা ঃ নাই অ', একো হোৱা নাই।

( মিতালী মুখ মনেৰে বহি থাকে )

স্বপ্না ঃ মিতালী, তোৰ আকৌ হ'ল কি ?

মুখখন যে এপাচিমান কৰি আছ। কঢ়োন কি হ'ল।

মিতালী : ( স্বাভাৱিক হবলৈ চেষ্টা কৰি ) ক'তা ? একো হোৱা নাই। মোৰ মনটো দেখোন এনেয়ে বেয়া লাগি আছে।

স্বপ্না : অ' আই, কিনো হ'ল দেহী। ( হাতত ধৰি) ব'ল না ফুৰিবলৈ যাওঁ।

মিতালী : নাই নাই মই কেতিয়াও নাযাওঁ। তই যাব খুজিছ যেতিয়া বাপাকেই লৈ যাগৈ।

স্বপ্না : বাপা জানো যাব ? তাই যে পঢ়াতেই ব্যস্ত। তই গলে জানো কিবা ক্ষতি হব ?

মিতালী : অৱশ্যে মোৰ কোনো ক্ষতি নহয়। কিন্তু........।

স্বপ্না : ( ব্যস্তভাৱে সোধে ) কৈ গলা দেখোন ?

মিতালী : ( কান্দে ) তথাপিও তইঁতৰ দৰে মুকলি-মূৰীয়াকৈ ফুৰিবলৈ মোৰ এতিয়া বয়স নাই স্বপ্না। পখিলাৰ দৰে মুকলিমূৰীয়াকৈ ঘূৰি ফুৰিবলৈ সেই বয়সটো মোৰ কেতিয়াবাই পাৰ হৈ গৈছে। ( কান্দে )

স্বপ্না : তাৰ মানে, তই কব খুজিছ যে 2nd year পালোহি যেতিয়া, বুঢ়ী হৈয়েই গলোঁ, নে কি বাৰু ? হেৰ পাগলী। Philoso-phyত ( দৰ্শন ) অনাৰ্চ লৈ একেবাৰে দাৰ্শনিক হৈ গলি নেকি ?

মিতালী : নহয় অ' স্বপ্না, তই এতিয়াও ভুল বুজি আছ। মইতো সেই ভাবত কোৱা নাছিলো।
( আকৌ চিন্তা কৰে )

স্বপ্না : তেন্তে....... ? ( স্বপ্নাও চিন্তান্বিত হয় )
( মামণি আৰু সবিতা সোমাই আহে )

মামণি : অ' স্বপ্না, তুমিও ইয়াতে আছা হব পায় ? আমি আকৌ তোমাক বিচাৰি তোমালোকৰ ঘৰলৈ যাম বুলি ভাবিছিলো।
( মিতালীয়ে সিহঁতক বহিবলৈ দিয়ে। মামণি আৰু সবিতা বহে )

সবিতা : কি হে, ইমানকৈ কি পঢ়িছা ?

বাপা : ( চকীৰপৰা উঠি ) নাই অ', মানে, এখন উপন্যাস।

সবিতা : ( মিতালীৰফালে চাই ) পিচে মিতালী, তুমি আমাৰ কথাটো কি কৰিলা ?

মিতালী : মাফ কৰিবা সবিতা। কথাটো মই ৰাখিব নোৱাৰিম। তোমালোকে মোক খং নকৰিবা।

মামণি : সেয়া lastত গৈ এনেকুৱা পৰি-স্থিতি হব বুলি মই আগতেই জানো মিতালী।

সবিতা : ইমান word break হলে কেনেকৈ হব ? খং উঠি যাব পাই ! এনেকুৱা কথাত চাচোন বাপা খং নুঠিবনে বাৰু ? ফাংচনলৈ মাত্ৰ এক সপ্তাহে বাকী আছে। এনেকুৱা অৱস্থাত মানুহক এইদৰে ঠগো-ৱাটো উচিত নাছিল মিতালী।

বাপা : এৰা, বেছি দিন নাই। সকলো-বিলাক মাটি হৈ যাব যেন পাইছো।

মিতালী : কিয় হব ? এই কেইদিন দেখোন ভালকৈ ৰিহাৰচেল কৰিলেই হব।

স্বপ্না : ৰিহাৰচেল কেনেকৈ কৰো ? তোমাৰ partটোৱেই দেখোন main। আৰু শেষত তুমিয়েই নোকোৱা হ'লা ?

সবিতা : নহলেও কোনো কথাই নাছিল, যদিহে তোমাৰ partটো আন এজনীয়ে পাৰিলেহেঁতেন !

মামণি : বাৰু মিতালী, সেইবোৰ এতিয়া বাদ দিয়া। তুমি অন্ততঃ আমাৰ prestigeটো ৰক্ষা কৰিবলৈ সন্মত হোৱা। এয়া আমাৰ অনুৰোধ ......।

মিতালী : ( কান্দি কান্দি ) নাই নাই মামণি, মোক আৰু তোমালোকে আমনি নিদিবা। মই নোৱাৰিম। মোৰ সেই জীৱন কেতিয়াবাই শেষ হৈ গৈছে।

বাপা : মিতি, তই যে এনেকুৱা অবুজন হ'লি ? অন্ততঃ আমাৰ prestigeটো ৰক্ষা কৰাটো তোৰ কৰ্তব্য আছিল।

মিতালী : বাপা, নভবা-নিচিন্তাকৈ কথাবোৰ নকৰি-চোন। কাৰো বুলিয়েই এখন নাটক অভিনয় কৰিব নোৱাৰি। অভিনয় কৰিবলৈ যে এটি মনো প্ৰয়োজন। তই সেই কথা নাজান নেকি ? তাতে আকৌ co-acting.

সবিতা : অ' বুজিছোঁ। কথাৰ গুৰি ক'ৰবাত। তেন্তে co-education পঢ়িবলৈ কিয় আহিছিলা ?

স্বপ্না : থৈ দিয়া সবিতা। co-acting কৰি-বলৈ যাওঁতে চৰিত্ৰত চেকা পৰে বুলি ভয় কৰিছা, কিন্তু হোষ্টেলত থাকি ল'ৰালৈ গোপনে প্ৰেম পত্ৰ চলোৱা চৰিত্ৰত চেকা পৰা কথাটো জানো ভাবি চোৱা নাই।

মিতালী : ( উত্তেজিত হৈ ) কি কলি স্বপ্না ? মই তোক কেতিয়াও ইমান narrow mindৰ ছোৱালী বুলি ভবা নাছিলো।

সবিতা + মামণি : আমিও জনা নাছিলো যে মিতা-লীয়ে এনেকৈ প্ৰেমত লিপ্ত হব।

বাপা : (ঠাট্টাৰ সুৰত) তোমালোকেনো কি বুজিবা ? আজি তিনি বছৰ লগত থাকিও ময়েই তাইৰ ভণ্ডামিবোৰ নুবুজিলো।

মিতালী : ( কান্দি কান্দি ) বাপা ! তই এই-বোৰ কি কব বিচাৰ ভালদৰে মোক বুজাই কচোন। I think a mis-tery has been there.

স্বপ্না : আমি যিবোৰ কৈছো, তাৰ অৰ্থ তুমি নুবুজিলেও হব। কোনোবা উজান বজা-ৰৰ কিৰণ বৰুৱাৰ চিঠিয়ে ইয়াৰ অৰ্থ ভালদৰে বুজাই দিব।

মিতালী : ( আচৰিত হৈ ) কিৰণ বৰুৱা !

বাপা : কিয়, আচৰিত হ'লা দেখোন ? এই-বাৰ মিচ দুৱৰা ভচি মিচেচ বৰুৱা হবা, নহয় জানো ?

মিতালী : বাপা, সঁচা-মিছা একো প্ৰমাণ নোপোৱাকৈয়ে মানুহক কথা কবলৈ শিকি বদনামৰ ভাগী নহবাচোন। মোৰ ওপৰত যদি ইমানেই সন্দেহ আছিল, তেন্তে চিঠি-খন খুলি নাচালা কিয় ? আৰু জানি-বও পাৰিলাহেঁতেন মই কিৰণ বৰুৱাক ভাল পোৱাটো। ইয়াৰ সত্যতা প্ৰমাণ কৰি চোৱা উচিত আছিল। ( মিতালীয়ে বেগৰপৰা চিঠিখন উলিয়াই সবিতাক দিয়ে আৰু সবিতাক পঢ়িবলৈ কয় ) চোৱা সবিতা, পঢ়ি চোৱা আৰু তাৰ পিচত নিজেই সকলো বুজিবা।

সবিতা : ( স্বপ্নালৈ আগবঢ়াই দিয়ে ) স্বপ্না, এয়া, ডাঙৰকৈ পঢ়াচোন বাৰু। ( স্বপ্নাই পঢ়ে আৰু মিতালীয়ে তলমূৰকৈ বহি থাকে )

মৰমৰ কিৰণ,

মৰমবোৰ লবা। তোমাৰপৰা বহু দিন চিঠি-পত্ৰ পোৱা নাছিলো, কিন্তু হঠাৎ

যোৱাকালি তোমাৰ চিঠিখন পালোঁ। পঢ়ি খুব ভাল লাগিল যদিও অন্যহাতে দুখ পাইছোঁ, তথাপি তোমাৰ চিঠিটোক আগতে বাৰে বাৰ কাক-তৰ জৰিয়তে পাইছোঁ, কিন্তু তাত ইমান seriousকৈ দিয়া নাছিল। যোৱা কালিৰ পৰা মোৰ মানসিক অৱস্থা খুব বেয়া। নিজৰ ওপৰতে খুব খং উঠিছে। কিয় বাৰু মই হস্পিতাললৈ গৈ তেওঁক এবাৰ চাই নাহিলো? জানা কিৰণ, মোৰ জীৱনটোৰ শেষ দৃশ্য তুমি আৰু তোমাৰ বাহিৰেতো আন কোনোৱেই নাই মোক চাবলৈ। আনকি কেইদিনমান আগতে অনুপমো গুচি গ'ল। আজি তিনি বছৰ হ'ল মানুহক দেখুৱাইহে বিধৱা হলো কিৰণ, মোৰ লিখাৰ ধৈৰ্য্য নাই। শেষত মোৰ ওচৰত থকা অনুপমৰ ফটো কপি তোমাৰ চিঠিৰ লগতে দি পঠালোঁ। তুমি অকণ কষ্ট কৰি হলেও ফটোখন তেওঁলোকৰ ঘৰত দি দিবা। সেইখন থাকিলে হয়তো পুৰণি স্মৃতিয়ে মোক বৰ বেছিকৈহে আমনি কৰিব। বিশেষ নাই। তোমালৈ বহুত মৰমেৰে। ইতি—

মিতালী

স্বপ্না : এইবোৰ কি কথা? আমি তোৰ এই-বোৰৰ বিষয়ে একেবাৰেই অজ্ঞ।

মামণি+সবিতা : তোমাক মিছাতে সেইবোৰ কোৱাৰ কাৰণে আমাক ক্ষমা কৰিবা মিতালী। আমি তোমাক মিছাকৈয়ে বহু দুখ দিলোঁ।

মিতালী : নাই নাই মামণি, মই তোমালোকক কেতিয়াও বেয়া নাপাওঁ। তোমালোকেতো নাজানা মোৰ জীৱনৰ নেওচি অহা দিন-বোৰৰ কথা।

ৰূপা : বেয়া নোপোৱা যদি অলপ বুজাই কবানে মিতি?

মিতালী : সবিতা, মামণি, ৰূপা, স্বপ্না, তোমা-লোকে মোৰ অতীতৰ বিষয়ে শুনিবা? শুনিবা তোমালোকে? মই এটা অবৈধ সন্তান। সকলোৱে অবৈধ।

স্বপ্না : বাঃ কি আচৰিত লাগিছে। মিতি……।

(সকলোৱে মিতালীৰ ফালে অবাক হৈ চাই থাকে)

সবিতা : কিন্তু মিতালী, প্ৰকাশ দুৱৰা জানো তোমাৰ পিতৃ নহয়?

মিতালী : জন্ম নিদিলেও তেওঁৱেই মোৰ পিতৃ। মই তেওঁৰ তোলনীয়া ছোৱালী।

ৰূপা : ভালকৈ বুজাই কচোন মিতি।

মিতালী : শুনা তেনেহলে,……সেয়া আছিল ২০ বছৰ আগৰ কথা। ডঃ প্ৰকাশ দুৱৰাৰ ঘৰত কোনো এক চাকৰণীৰ গৰ্ভত মোৰ অবৈধভাৱে জন্ম হয়। জন্মৰ পিচতে মা,……মা মৰিছিল (কান্দে)। ডঃ প্ৰকাশ দুৱৰাৰ ঘৰতেই মই ডাঙৰ হৈছিলো। সেয়ে চাকৰণী হিচাবে নহয়, সন্তানহীন, পত্নীহীন প্ৰকাশ দুৱৰাৰ এক-মাত্ৰ জীয়ৰী হিচাবে। মোৰ অতীত ইমান ভয়াবহ আছিল যে মই প্ৰৱেশিকা পৰীক্ষা পাছ কৰালৈকে এই কথা দেউতাই অৰ্থাৎ প্ৰকাশ দুৱৰাই মোক জানিবলৈ দিয়া নাছিল। তাৰ পিচত……

স্বপ্না : তাৰ পিচত কি হ'ল মিতি?

মিতালী : তাৰ পিচত বিখ্যাত চাহ খেতিয়ক নীলকমল চৌধুৰীৰ প্ৰথম পুত্ৰ ডঃ অনুপম চৌধুৰীলৈ মোক বিয়া দিয়ে।

সকলোৱে : তাৰ মানে, তোমাৰ বিয়া হৈছিল?

মিতালী : এৰা, বহাগ মাহৰ পূৰ্ণিমা ৰাতি হোমৰ জুইক সাক্ষী কৰি এদিনৰ কাৰণে হলেও নীলকমল চৌধুৰীৰ বৰ পুতেকৰ পত্নী হৈছিলো। কিন্তু অন্য দহজনীৰ দৰে মোৰ ভাগ্যত লিখা নাছিল (কান্দে)।

স্বপ্না : মিতালী, এইবোৰ তই কি কৱ বিচাৰ?

মিতালী : মই ঠিকেই কৈছোঁ স্বপ্না। যিখন ৰভাৰ তলেৰে দুদিনৰ আগতে পাট কাপোৰৰ দীঘল ওৰণি লৈ অনুপমৰ পিচে পিচে তেওঁলোকৰ ঘৰলৈ গৈছিলো আৰু দুদিনৰ পিচতেই সেই একেখন ৰভাৰ তলেদিয়েই দেউতাৰ পিচে পিচে ওলাই আহিছিলো।

ৰূপা : (ব্যগ্ৰভাৱে) তই কিয় গুচি আহিলি?

মিতালী : মই নিজ ইচ্ছামতে গুচি অহা নাছিলো। মোৰ ভয়াবহ অতীতটোৱে মোক গুচি আহি-বলৈ বাধ্য কৰাইছিল ৰূপা।

সবিতা : তাৰ মানে তোমাৰ বিয়াৰ পিচতেই অনু-পমৰ পৰিয়ালে গম পাইছিল?

মিতালী : এৰা, গম পাইছিল।

সবিতা : তুমি গুচি অহাৰ পিচত অনুপমে একো কোৱা নাছিল নেকি?

মিতালী : (কান্দি) এৰা, মাকক কৈছিল……। তেওঁতে কৈছিল—"মা, মানুহে ভুল কৰে। মিতালীৰ জন্মদাত্ৰী মাতৃয়েও ক্ষন্তেকৰ কাৰণে অন্ধ বিশ্বাসত মগ্ন হৈ ভুল কৰিছিল। সঁচা মা। কিন্তু, তাৰ বাবে জানো এজনী নিষ্পাপ ছোৱালীৰ জীৱনটো কলিতে ধ্বংস হব মা?"

ৰূপা : তেতিয়া মাকে কি কৈছিল?

মিতালী : মাকে কৈছিল—"এজনী জাৰজ ছোৱালী ৰাখি নিজৰ বংশৰ নাম নুমাব নোৱাৰোঁ।" (হুমুনিয়াহ কাঢ়ি) ঠিকেই কৈছিল অনুপমৰ মাকে। মোৰ সকলো হেৰাই গলেও জন্মৰ পৰিচয় হেৰাই নাযায় ৰূপা।

সবিতা+মামণি : তাৰ পিচত?

মিতালী : আৰু তাৰ পিচত এদিন মই শিৱৰ সেন্দুৰ মচি পেলাইছিলো। তেওঁলোকে দিয়া দামী দামী কাপোৰবোৰ এটা বাক-চত ভৰাই চিৰদিনৰ বাবে তলা লগাই দিছিলো। স্বামী জীয়াই থকা স্বত্বেও মোক বিধৱা সাজিছিলো। মোক দেউ-তাই দেখি দুখ পাইছিল। কাৰো ভাগ্য কোনেও নগঢ়ে ৰূপা। মানুহে নিজেই গঢ়ে। আৰু ভাগ্য গঢ়িবলৈ মই এদিন ইয়ালৈ আহিছিলো। কিন্তু ইয়াতো মই শান্তি নাপালোঁ।

মামণি : মিতালী, আমিতো নাজানিহে তোমাক ইমান সন্দেহ কৰিছিলো।

মিতালী : ৰবা ৰবা। পিচৰখিনিও শুনি লোৱা। মই ইয়ালৈ অহাৰ পিচতেই ডঃ প্ৰকাশ দুৱৰাই চুইচাইদ কৰিছিল।

স্বপ্না : তাৰ মানে, বৰ্তমান তোৰ আপোন বুলিবলৈ কোনো নাই?

মিতালী : নাই স্বপ্না, মোৰ আপোন বুলিবলৈ কোনো নাই।

ৰূপা : তাৰ পিচত কি হ'ল।

মিতালী : তাৰ পিচত মই অনুপমৰ খা-খবৰ লোৱা নাছিলো। কিন্তু আজি এসপ্তাহ আগতে অনুপমৰপৰা এখন চিঠি পাই-ছিলো।

স্বপ্না : তাত কি লিখিছিল অনুপমে?

মিতালী : অনুপমে লিখিছিল—তেওঁৰ হেনো ব্লাড কেন্সাৰ হৈছে। মেডিকেল কলেজৰ

Praying, Blatৰ ১ নং ৰুমলৈ মোক মাতি পঠিয়াইছিল।

সবিতা : পিছে তুমি গৈছিলানে ?

মিতালী : নাই নগলো সবিতা। মই বৰ ভুল কৰিলোঁ (কান্দে)। মৃত্যুৰ সময়ত অনুপমে হেনো মোৰ নাম লৈহেই মৰিল। (উচুপি উচুপি কান্দিবলৈ ধৰে) জানা সবিতা, মই ভুল কৰিলোঁ ; যি ভুলৰ ক্ষমা আৰু এই জীৱনত কেতিয়াও নহব। (টেবুলত মূৰটো গুজি কান্দিবলৈ ধৰে)

স্বপ্না : এই খবৰবোৰ তোক কোনে দিলে মিতালী ?

মিতালী : মোৰ বান্ধৱী কিৰণ বৰুৱাই।

সবিতা : কিৰণ বৰুৱা তোমাৰ বান্ধৱীহে ? আমিতো আগেয়ে এই কথা জনা নাছিলো।

ৰূপা : আমি তোমাক মিছাতেই এইবোৰ কথাত সন্দেহ কৰিলো ভাই। তুমি আমাক ৰং নকৰিবা আকৌ।

স্বপ্না : (মিতালীলৈ দুখ মনেৰে চাই) ক্ষমা কৰিবি মিতালী। আমি বৰ ডাঙৰ ভুল কৰিলোঁ।


মিতালী : (টেবুলত মূৰ থৈ কান্দি কান্দি) নাই স্বপ্নালী, তোমালোকে একো ভুল কৰা নাই। প্ৰকৃততে ভুল কাৰ তাক কোনেও নাজানে। (উত্তেজিত হৈ চকীৰপৰা উঠি চিঞৰি চিঞৰি কয়) মামণি, সবিতা, ৰূপা, স্বপ্নালী ; তোমালোকে কব পাৰিবানে ? প্ৰকৃততে ভুল কাৰ ? প্ৰকাশ দুৱৰাৰ নে অনুপম চৌধুৰীৰ নে মোৰ ? (জোৰে চিঞৰি চিঞৰি) নোকোৱা কিয় ভুল কাৰ ? (সকলোৱে মিতালীক সাৱটি ধৰে আৰু একেলগে কয়)

সকলোৱে : মিতালী, তুমি আমাক ক্ষমা কৰিবা মিতালী ! (মিতালী মাটিত বাগৰি পৰে)


সকলোৱে : মিতালী ! মিতালী।

পট পৰে

## ॥ ছাত্ৰ একতা সভাৰ সম্পাদকসকল ॥



← শ্ৰীঅনিল চহৰীয়া
সাধাৰণ সম্পাদক



শ্ৰীদিগন্ত বৰুৱা →
খেল সম্পাদক




← শ্ৰীৰজত ভট্ট
সহঃ সাধাৰণ সম্পাদক




শ্ৰীভবেন শৰ্মা →
সাংস্কৃতিক সম্পাদক




← শ্ৰীদানেশ্বৰ বৰুৱা
সমাজসেৱা বিভাগৰ সম্পাদক



শ্ৰীজয়ন্ত বৰুৱা →
সহঃ খেল সম্পাদক




← শ্ৰীকুশল বৰুৱা
সম্পাদক, তৰ্ক আৰু আলোচনা



শ্ৰীহৰেন্দ্ৰ ডেকা →
শ্ৰেণী প্ৰতিনিধি


## ॥ বছৰৰ শ্ৰেষ্ঠ প্ৰতিযোগীসকল ॥



← বছৰৰ শ্ৰেষ্ঠ সাহিত্যিক
শ্ৰীতাৰিণীকান্ত দেৱনাথ
স্নাতক ৩য় বাৰ্ষিক



বছৰৰ শ্ৰেষ্ঠ তাৰ্কিক →
শ্ৰীৰেখামণি বৰুৱা
স্নাতক ৩য় বাৰ্ষিক



← শ্ৰীজয়ন্ত বৰুৱা
উঃ মাঃ ১ম বাৰ্ষিক




শ্ৰীমৃণাল কলিতা →
স্নাতক ২য় বাৰ্ষিক
( যুটীয়া শ্ৰেষ্ঠ খেলুৱৈ )

# ঃ ছিপাঝাৰ মহাবিদ্যালয় আলোচনী সম্পাদনা সমিতি ঃ




তত্বাৱধায়ক ঃ
**শ্ৰীৰামচন্দ্ৰ ডেকা,** প্ৰবক্তা



প্ৰবক্তা সদস্য ঃ
**শ্ৰীমহেন্দ্ৰ কটকী,** প্ৰবক্তা



সভাপতি ঃ
**শ্ৰীৰেৱণচন্দ্ৰ নাথ,** অধ্যক্ষ



সম্পাদক ঃ
**শ্ৰীনীলমণি বৰুৱা**



সদস্য ঃ
**শ্ৰীপবিত্ৰ শইকীয়া**

ফটোত অনুপস্থিত—শ্ৰীহৰেন্দ্ৰ শইকীয়া, শ্ৰীগণেশ শৰ্মা, শ্ৰীকল্পনা বৰুৱা, শ্ৰীমিৰা মেধি।

# SIPAJHAR COLLEGE MAGAZINE

# ENGLISH SECTION

8TH EDITION
1990-91

EDITOR
Nilamani Baruah

# Development of Adult (Social) Education After Independance

CHOUDHURY, CHANDRA
Lecturer, Deptt. of Education

"As long as the millions live in hunger and ignorance I hold every man a tutor, who having been educated at their expenses, pays not the least heed to them. Our great national sin is the neglect of the masses and that is the cause of our downfall. No amount of politics would be of any avail until the masses in India are once more well educated, well-fed and well-cared for."

"Swami Vivekananda."

Adult education which is popularly Known as social education has developed after Independance. So we are going to discuss briefly this development in this essay.

In 31 May, 1949 government of India decided to get a broad perspective of social education by presenting 12 point scheme. A national centre of fundamental education was also established in Delhi to carry the research and discuss the important problems of social education. The central Audio Visual organisation was also set up to help the people in the task. A quarterly magazine entitled "Audio Visual Education, also published by the government of India.

The attention of the state government has also been drawn towards the poblems of social education. Between the period of 1948-52 about two lakhs of books were distributed under the scheme of social education. 3-5 lakhs adults were made literate. Social education programme and vocational schools were also run at various places under the scheme and social welfare by village level workers gram shevaks and gram shevikas. One of their duty is to import education of literate adults. Special attention in this direction is being paid to literate ladies as well.

Under first five year plan, it was decided to spent Rs. 7.5 crores for social education. Many states made the provision of social service works and some states even made a commandable progress in this regard. The work of social education received an impetus in public works organised with this aim in view. For example many such works were organised by gram pan-

chayats, Co-operative societies and professional unions etc.

Under the second Five year plan beside improving the methods of social education, classes of social education were expanded at different stages, The state government inaugurated many centres of literacy and social education, training institutions of workers and organsers of social education, and established libraries, colleges and audio visual institutions. A sum of Rs. 10 crores was provided for social education. Besides this, a sum of Rs. 10 crores was expanded on social education through national extensive and communally developed scheme.

A sum of Rs. 15 crores was spent on social education under 3rd plan. Under this plan also efforts were made to expand and encourage social education. In villages, schools, panchayats and voluentary organisations, work in the field of social education was done.

Under the fourth five year plan a movement on extensive basis was launched for the development of Adult educration. It was decided to connect the adult literacy with the life and activity of the people, so that villages may be developed. A special emphasis was given on expanding literacy by creating awakening for its utility. In order to make the drive of literacy effective, provisions of libraries was being organised in rural areas and a large number of schools were being established for expanding literacy in different languages. A special emphasis was given on the falling things during the fourth five year plan, training of workers of literacy and library ; establishmet of adult schools, night schools and colleges for training of the workers, establisement of national adult education Board and thereafter state boards. A sum of Rs. about 65 crores was spent on the scheme of social education under five year plan.

Adult Education in fourth plan

| programmes | Total Allocation | centraly sponsored progms. Centre | central | state | total | state union territories | total central Allocation | total allocations for state and union territories |
|---|---|---|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 | 9 |
| literacy programme | 20.00 | 0.50 | — | — | — | 19 50 | 0 50 | 19.50 |
| Libraries | 28.00 | 0.80 | 9.23 | 9,23 | 18.40 | 8.74 | 10.03 | 17.97 |
| production of Books, reading meterial and literature for neolitements | 18 00 | 1.20 | 5.50 | 5'50 | 11.00 | 5.50 | 6.70 | 11.30 |
| other | 5 00 | 1.15 | — | — | — | 3.85 | 1.15 | 3.85 |
| TOTAL | 71.00 | 3.65 | 14.73 | 14.73 | 29.46 | 37,89 | 18.38 | 52'62 |

The non formal education programme was introduced for the first time in the fifth plan, because full time institutional education by itself to meet the requirements of literates and semi litesates. The programme was integrated problem oriented, environment and how the young could adjust to it, family life, education of health and hygien, literacy skills and initial functional training leading to employment and self employment. In the fourth plan the proposed outlay for social education was Rs 35 crores.

**SIXTH FIVE YEAR PLAN :** Due to the fall of Congress government at the centre in the year 1975, the draft of the sixth five year plan (1978-83) was prepared by the janata govt. The govt allocated Rs. 200 crores for national social education. On October 2nd 1978 the national soial education programme was introduced in formal manner. The aim of this programme was to provide social education to 10 crores iliterates people by the year 1983-84.

There was again a change of govt. At centre in the year 1980. The congress govt. prepared a new draft for the sixth five year plan (1980-85) and Rs. 128 crores were allocated for the expansion of social education.

**LATEST WORK :** A national centre for fundamental education was established at New Delhi for importing social education to higher officials and for doing appropriate research in the chief problems of social education. The literacy institutions of Delhi University performs the same functions in the field of libraries. A social institutions for workers was established at Indore. A provision has also been made for constent educational facilities for importing education for adults in rural areas. A central film (Documentary) museum was established which has more than 4974 films on diffenent subjects of education and culture and which are provided to the member of educational institution free of any charge. Nearly 1045 educational institutions and social organisations ane the members for this museum. A quarterly magazine entitled "Audio visual education" is also published.

A central and the state goverment also organised conference of Audio Visual works. A central Audio Visual committee has also been established. Besides establishing training institutions, public centres of literature and research centres also been established. This institutions also make available knowledge and information regarding Audio Visual education. Under the national council of educational reseasch and training a department of Adult education has also been established. This department performs the functions of inporting to the higher officials involving in the social educatioa helps to develop suitable teaching methods, conduct research work on selected problems and furnished different types of information.

In 1992, social education has achieved great development. Human Resource Development minister makes a statement that India

has attained the progress of 52%. literacy. In kerala there is 100% leteracy now.

Tamilnadu and Mizoram are also leading to the target of National literary, From the above picture it becomes clear that if the trend remains in it full spirit, India may attain the credit of 100% literacy as a whole by the end of the twentieth century.

Reference Books :


1. Education in India Today and Tomorrow. S. N. Mukharjee
2. Current problems of Indian Education. Safia & Saida.
3. Pivotal Issue of Indian Education. Tanija V. R.
4. Problems of Indian Education. Rai, B. C,
5. History of Indian Education. Rawut P. L.


## YOU WILL ENJOY READING THIS STORY OF FOUR PEOPLE

This is the story about four people named Everybody, Somebody, Anybody and Nobody. There was an important job to be done and Everybody was sure that somebody would do it. Anybody could have done it, but Nobody did it. Somebody got angry about that because it was Everybody's job. Everybody thought that Anybody could do it, but Nobody realised that Everybody would not do it. It ended up that Everybody blamed Somebody, when actually Nobody accused Anybody.

Collected by :
Baruah, Nilamani